Assam Legislative Assembly Debates



सत्यमेव जयते

OFFICIAL REPORT

SEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE TWELFTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

Budget Session

NO.- 9

The 13th March, 2008

Price Rs. 181.00

CONTENTS

BUDGET SESSION

NO. 9

Dated, the 13th March, 2008

		Page
1.	Questions and Answers	1
2.	Point of Order	97
3.	Discussion on Zero Hour Matter	98
4.	Call Attention Notice	111
5.	Matter Under Rule 301	114
6.	General Discussion on the Budget	118
7.	Announcement from the Chair	143
8.	Introduction, Consideration and Passing of Government Bills	144
9.	Adjournment.	158
10.	Annexure - I to XXXIII	159

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Thursday, the 13th March, 2008

The House met at 9.00 A.M. of the Clock in the Assembly Chamber at Dispur with Shri Tanka Bahadur Rai, Speaker in the Chair

STARRED
QUSTIONS AND ANSWERS

(To which oral replies were given)

Mr. Speaker : Now, Starred Question No. 141, Hon'ble Member, Shri Abdul Aziz.

বিষয় ঃ পৰিষদৰ ঋণ।

শ্রীআব্দুল আজিজে সুধিছে ঃ

★ ১৪১। মাননীয় শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) কোন কোন আন্তর্জাতিক বিত্তীয় প্রতিষ্ঠানৰ পৰা ডিজিটেল (Digital) মিটাৰ ক্রয় কৰাৰ বাবে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে ঋণ গ্রহণ কৰিছে?

(খ) কোন কোন বছৰত এই ঋণ লোৱা হৈছে আৰু ইয়াৰ পৰিমাণ কিমান? (আন্তর্জাতিক বিত্তীয় প্রতিষ্ঠানৰ নামৰ বিপৰীতে বছৰ ভিত্তিত ঋণৰ পৰিমাণৰ তথ্য দাখিল কৰিব।)

(গ) এই ঋণ দীর্ঘম্যাদী নে হ্রস্ব ম্যাদী আৰু এই ঋণৰ সুতৰ হাৰ কিমান? (সুতৰ হাৰ দীর্ঘম্যাদী আৰু হ্রস্বম্যাদীৰ ভিত্তিত মূলধনৰ বিপৰীতে

তথ্য দিব)

(ঘ) কিমান দিনৰ মূৰত এই ঋণ সুদে মূলে পৰিশোধ কৰিব লাগিব জনাবনে?

শ্রীপ্রদুৎ বৰদলৈ (শক্তি বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) এচিয়ান ডেভ্লপমেণ্ট বেংকৰ (ADB) পৰা বিদ্যুৎ খণ্ড বিশেষকৈ বিদ্যুৎ পৰিবাহী আৰু বিতৰণ আন্তগাঠনিৰ আধুনিকীকৰণৰ বাবে অসম চৰকাৰে ৯০ শতাংশ অনুদান আৰু ১০ শতাংশ ঋণ হিচাবে অর্থ সাহার্য্য লাভ কৰিছে। তাৰ ভিতৰত আধুনিক ডিজিটেল মিটাৰ ক্রয় কৰাটো এটা অংশ।

(খ) এই ঋণৰ সবিশেষ তলত উল্লেখ কৰা হ'ল -

ক্রঃ নং	ঋণ লোৱা প্রতিষ্ঠানৰ নাম	বছৰ	ঋণৰ পৰিমাণ
১	এচিয়ান ডেভ্লপমেণ্ট বেংক	১২/১২/২০০৩	৮৯.৬৬ কোটি টঃ

(গ) এই ঋণ দীর্ঘম্যাদি। ADB য়ে দিয়া মুঠ ৪৫০ কোটি টকাৰ ১০ শতাংশ অর্থাৎ ৪৫ কোটি টকাৰ ওপৰতহে সুদ প্রযোজ্য আৰু এই সুদৰ হাৰ ADB ৰ LIBOR (London Inter Bank Offered Rate) ৰ based variable lending facility ৰ আধাৰত সময় সাপেক্ষে প্রযোজ্য হোৱাকৈ নির্ধাৰিত কৰা হৈছে।

(ঘ) চুক্তিমতে ১৫ জানুৱাৰী ২০০৯ চনৰ পৰা ১৫ জুলাই ২০২৩ চনৰ ভিতৰত পৰিশোধ কৰিব লাগিব।

★ শ্রীআব্দুল আজিজ ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে আন্তঃগাঠনিৰ ধন কি কি শিতানত খৰছ কৰিছে আৰু শতকৰা ১০ ভাগ ল'নৰ পৰা কোন কোন শিতানত টকাটো খৰছ কৰিছে?

শ্রীপ্রদ্যুৎ বৰদলৈ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমৰ বিদ্যুৎ খণ্ডৰ অৱস্থা

আগতে একেবাৰে ৰুগ্ন আৰু নিশকটীয়া আছিল। বিশেষকৈ বিদ্যুৎ পৰিবাহী আৰু বিতৰন ব্যৱস্থাতো বহুদিনিয়া আওঁপুৰনি আছিল। অসম চৰকাৰে এ, ডি, বি ৰ লগত আলোচনা কৰি এই ঋণ গ্ৰহণ কৰিছে আৰু এই অর্থ সাহার্য্য বিদ্যুৎ খণ্ডৰ পৰিবহন আৰু বিতৰন ব্যৱস্থাৰ আধুনিকীকৰণৰ কাৰণে লোৱা হৈছে। এই অর্থসাহায্য বিদ্যুৎ আধুনিকী কৰণত খৰছ কৰা হৈছে। মূল বিষয়টো হৈছে। প্ৰথমটো হ'ল ২২০/১৩২ কেভি ষ্ট্ৰেন্সমিশ্যন লাইন নির্মান কৰিবলৈ লোৱা হৈছে। ২য়টো হ'ল ১৩২/১৩৩ কেভি নতুন চাৱ-ষ্টেশ্যন। যিবিলাক পুৰনা চাৱ-ষ্টেশ্যন আছে সেই বিলাক আধুনিকীকৰণৰ বাবে এই অর্থ সাহার্য্য লোৱা হৈছে। এই গোটেই বিতৰন ব্যৱস্থাটোক আধুনিকীকৰন কৰাৰ কাৰণে চেষ্টা কৰি থকা হৈছে। যিটো আমাৰ মূল বিতৰণ কেন্দ্ৰ তাত (SCADA) 'স্কার্ডা' প্ৰযুক্তি নিয়োগ কৰাৰ কাৰণে, বেচ্ কেপাচিটাৰ কিনিবৰ কাৰণে, ৰুৰেল ইলেকট্ৰিফিকেশ্যনৰ কাৰণে, ডিজিটেল মিটাৰ কিনিবৰ কাৰণে, মিটাৰ টেষ্টিঙৰ কাৰণে, মিঃ টেষ্টিঙ কিনিবৰ কাৰণে, কনচালটেন্সি চার্ভিচৰ কাৰণে এই টকা বিলাক খৰছ কৰা হৈছে।

★ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা প্ৰশ্ন আছে। মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা আন্তঃ গাঠনিৰ সন্দর্ভত যিটো উত্তৰ পালো সেইটো ঠিকে আছে। আমাৰ পাৱাৰ জেনেৰেশ্যন নহলে এইবোৰ চেকেণ্ডাৰী পর্য্যায়ত আহিব। ডিজিটেল মিটাৰৰ কথাটোও চেকেণ্ডাৰী পর্য্যায়ত আহিব। মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰিছো যে এ, ডি, বি বা অন্যান্য উৎসৰ পৰা যি বিলাক ঋণ লৈছে, পাৱাৰ জেনেৰেশ্যনৰ উৎপাদনৰ কাৰণে বিদ্যুৎ বিভাগে কিবা ব্যৱস্থা লৈছে নেকি?

শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰে বিদ্যুৎ খণ্ডত এতিয়ালৈ যিবোৰ কাম সোনকালে কৰিব লাগে সেইবোৰ কৰিছে। মই এই কথাটোত দ্বিমত নহয়, উৎপাদনৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগে। ২০০৪ চনৰ আগলৈকে অসমত যিটো বিদ্যুৎ বিতৰন

★ Speech not corrected

আৰু পৰিবহন ব্যৱস্থা তাৰ সন্মিলিত ধাৰন ক্ষমতা আছিল ৫৫০ মেগাৱাট। এইটো আমি বৃদ্ধি নকৰিলে আজিৰ দিনত ৯০০ মেগাৱাট বিদ্যুৎ শক্তিৰ প্ৰয়োজন হয়। সেই কাৰণে আমি ৫৫০ মেগাৱাটৰ পৰা এই বিতৰন আৰু পৰিবহন ব্যৱস্থাতো আধুনিকীকৰন কৰাৰ কাৰণে ৫৫০ পৰা ১৫০০ মেগাৱাটলৈ বৃদ্ধি কৰাৰ কাৰণে আমি ব্যৱস্থা হাতত লৈছো।

★ শ্ৰীআব্দুল আজিজ ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আমাৰ মন্ত্ৰী মহোদয়ক এটা কথা শুধিছিলো যে ১০ পাৰচেণ্ট যিটো ল'ন লৈছে, মোৰ প্ৰশ্ন আছিল যে এই ১০ পাৰচেণ্টৰ কিমান খৰছ কৰা হ'ল আৰু আন্তঃগাঠনিৰ আধুনিকীকৰণৰ কাৰণে কি কি শিতানত খৰছ কৰিছে। প্ৰথম প্ৰশ্নৰ উত্তৰটো আমি পোৱা নাই।

শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এ, ডি, বি ৰ পৰা যিটো ঋণ লোৱা বুলি কৈছে, এইটো কিন্তু ঋণ নহয়, অনুদান। এইটো এ, ডি, বি ৰ পৰা ঋণ অসম চৰকাৰে লোৱা নাই, ভাৰত চৰকাৰে লৈছে। উত্তৰ পূৱৰ ৰাজ্য সমূহৰ কাৰণে যিটো ফাণ্ডিং পেটাৰ্ন আছে, শতকৰা ৯০ পাৰচেণ্ট অনুদান হিচাবে আহিছে। শতকৰা ১০ পাৰচেণ্টহে ঋণ হিচাবে আছে। ২৫০ নিযুত মাৰ্কিন ডলাৰ ২০০৪ চনত লোৱা হৈছে, ইয়াৰ মাত্ৰ শতকৰা ১০ পাৰচেণ্ট হে ঋণ হিচাবে আহিছে। ইয়াৰ পৰিমান হ'ব ২৫ নিযুত মাৰ্কিন ডলাৰ। আনুমানিক ১১২ কোটি টকা। ইয়াৰ ৮০ কোটি টকা আমাৰ ঋণ হিচাবে আহিব।

মাননীয় অধ্যক্ষ ঃ শ্ৰীমিশ্বন ৰঞ্জন দাস ঃ

★ শ্ৰীমিশ্বন ৰঞ্জন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে বিদ্যুৎ বিভাগৰ আজি আমাৰ কৰিমগঞ্জ জিলাত ডিষ্ট্ৰিবিউশ্যন আৰু ষ্ট্ৰেন্সমিশ্যনৰ ক্ষেত্ৰত যিখিনি ব্যৱস্থা লৈছে সেইটো আমি ভাল পাইছোঁ। মাননীয় অধ্যক্ষ মহোদয়, কৰিমগঞ্জ ডিভিজনত কি কি কাম হ'ল বা এই কামখিনি কেতিয়া

হ'ব মন্ত্রী মহোদয়ে জনাব নেকি? বদৰপুৰ পৰা কৰিমগঞ্জ লৈ এটা বিকল্প ষ্ট্রেন্সমিশ্যন লাইন দিয়াৰ কথা আছিল। এইটো ৰিপ্লেচৰ প্রয়োজন হৈ পৰিছে। মই মাননীয় মন্ত্রী মহোদয়ক সুধিব বিচাৰিছো যে বদৰপুৰৰ ট্রেন্সমিশ্যন লাইনটো ৰিপ্লেচ হব নে নহয়?

শ্রীপ্রদ্যুৎ বৰদলৈ (শক্তি মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, অকল কৰিমগঞ্জতেই নহয়, অসমৰ প্রত্যেক জিলাতে প্রতিটো মহকুমাতে নতুন নতুন চাব-চেণ্টাৰ বিলাক সামৰি লোৱা হৈছে। নতুন নতুন পৰিবহন আৰু বিতৰনৰ বাবে ব্যৱস্থা লোৱা হৈছে। মাননীয় সদস্য গৰাকীয়ে কৰিমগঞ্জৰ যিটো কথা কৈছে এই সম্পকে এ, এচ, ই, বি ৰ শীর্ষ বিষয়া সকলক মাতি পেলাই কি কাৰণে এইটো হোৱা নাই এই সম্পর্কে আলোচনা কৰিছিলো। এইটো অচিৰেই কৰাৰ কাৰণে আমি ব্যৱস্থা হাত লম।

★ শ্রীউদ্ধৱ বর্মণ ঃ মাননীয় অধ্যক্ষ মহোদয়, এচিয়ান ডেভেলপমেণ্ট বেঙ্কৰ পৰা নাইনটি পার্চেণ্ট অনুদান আৰু টেন পার্চেণ্ট লোণ কি চুক্তিৰ ভিত্তিত লোৱা হৈছে? মোৰ দুই নম্বৰ প্রশ্ন হৈছে এই যে ডিজিটেল মিটাৰ কিনিছে এইটো এচিয়ান ডেভেলপমেন্ট বেঙ্কৰ কণ্ডিচনৰ ভিতৰত পৰে নেকি ? ডিজিটেল মিটাৰৰ এটা নির্দ্দিষ্ট মূল্য থাকিব লাগে। এই মূল্যটো নির্দ্ধাৰণ কৰা হৈছে নে নাই? ডিজিটেল মিটাৰৰ যিটো খৰচ সেইটো টেন পার্চেণ্ট, নাইনটি পার্চেণ্ট নে হাণ্ড্রেড্ পার্চেণ্টৰ পৰা কৰা হৈছে? মাননীয় মন্ত্রী মহোদয়ে এই কেইটা প্রশ্নৰ উত্তৰ দিব লাগে।

শ্রীপ্রদ্যুৎ বৰদলৈ (শক্তি মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিটো প্রশ্ন কৰিছে সেইটো মাননীয় সদস্য অনন্ত ডেকা ডাঙৰীয়াৰ প্রশ্নৰ উত্তৰ দিওতেই কৈছো। এ, ডি, বি য়ে যিবিলাক চর্ত দিছে বিতং ভাবে সেই বিলাকৰ উত্তৰ দিয়া হৈছে। এ, ডি, বি ৰ এটা চর্ত আছিল আৰু তেওঁলোকে অসম চৰকাৰক কৈছিল যে অসম ৰাজ্যিক বিদ্যুৎ বোর্ডৰ পাৰদর্শিতা বৃদ্ধি কৰিব লাগিব। সঁচাকৈয়ে এটা সময়ত এ, এচ, ই, বি

★ Speech not corrected

এটা তলি ফুটা কলহৰ দৰে আছিল। হাজাৰ হাজাৰ কোটি ৰাইজৰ টকা তাত ঢালি থকা হৈছিল। এতিয়া বিদ্যুৎ সংস্কাৰ আৰম্ভ কৰিছে। যেতিয়া বিদ্যুৎ সংস্কাৰ কার্য্যসূচী আৰম্ভ কৰা হৈছিল, তেতিয়া এ, ডি, বি ক কোৱা হৈছে যে যিমান লোণ, লায়েবিলিটিজ আছে সেই সকলো বিলাক অসম চৰকাৰে মূৰ পাতি লৈছে। তাৰ ফলত ২০০৪ চনৰ ১০ ডিচেম্বৰৰ পৰা বিদ্যুৎ সংস্কাৰ কার্য্যসূচী আৰম্ভ কৰাৰ পিচত এ, এচ, ই, বি ৰ ৫ হাজাৰ কোটি টকাৰ লায়েবিলিটিজ অসম চৰকাৰে গ্রহণ কৰিছে। এ, এচ, ই, বি ৰ কার্য্য কুশলতা আৰু পাৰদর্শিতা বঢ়োৱাতো এ, ডি, বি ৰ মূল চর্ত আছিল। এ, ডি, বি ৰ পৰা কম সূদত লোণ লোৱা হৈছে। গড় হিচাবত প্রায় ১০ শতাংশ মান হব। আজিৰ দিনত এ, ডি, বি ৰ লিবৰ ৰেট ২.৫ শতাংশ। যি কোনো লোণ ১০ শতাংশ সূদত নাপায়। যথেষ্ট কম সূদত অসম চৰকাৰে এই লোণ লৈছে।

★ শ্রী অনন্ত ডেকা ঃ মাননীয় অধ্যক্ষ মহোদয়, ডিজিটেল মিটাৰ, এ, ডি, বি ৰ চুক্তিৰ ভিতৰত আছিল নেকি? মোৰ দ্বিতীয়টো প্রশ্ন হ'ল ডিজিটেল মিটাৰ টেন পার্চেণ্টৰ পৰা, নাইনটি পার্চেণ্টৰ পৰা নে হাণ্ড্রেড পার্চেণ্টৰ পৰা কিনিলে? এই দুটা প্রশ্নৰ উত্তৰ মাননীয় মন্ত্রী মহোদয়ে দিব লাগে।

শ্রীপ্রদ্যুৎ বৰদলৈ (শক্তি মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আধুনিকীকৰণ কৰাৰ কথা যেতিয়া কোৱা হ'ল তেতিয়া অসম চৰকাৰ আৰু অসম ৰাজ্যিক বিদ্যুৎ বোর্ডৰ লগত এ, ডি, বি য়ে নিগ'চিয়েচন কৰিছিল। বিদ্যুৎ পৰিবাহী আৰু বিতৰণৰ ক্ষেত্রত তেওঁলোকে আধুনিক ব্যৱস্থা গ্রহণ কৰাৰ কথা কৈছে। ডিজিটেল মিটাৰ তাৰ এটা অংশহে। আমি যিখিনি পইচা পাইছোঁ তাৰে ১৫০ নিযুত মার্কিন ডলাৰ পলিচি লোণ আছিল আৰু বাকী ১০০ নিযুত মার্কিন ডলাৰ আধুনিকীকৰণৰ কাৰণে দিয়া হৈছিল। ডিজিটেল মিটাৰৰ নামত বেচি টকা খৰচ কৰা হোৱা নাই। থ্রি ফেজ ডিজিটেল মিটাৰৰ কাৰণে ২.৪১ কোটি টকা আৰু চিঙ্গল

★ Speech not corrected

ফেজ ডিজিটেল মিটাৰৰ কাৰণে ২.৬৫ কোটি টকা খৰচ কৰা হৈছে।

বিষয় ঃ বৈদ্যুতিকৰণ সম্প্রসাৰণ।

শ্রীদ্রুপদ বৰগোহাঁইয়ে সুধিছে ঃ

★১৪২। মাননীয় শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজীৱ গান্ধী গ্রাম্য বৈদ্যুতিকৰণৰ আঁচনিখন অসমৰ সকলো অঞ্চললৈ সম্প্রসাৰণ হ'লনে?

(খ) যদি হৈছে, সকলো জিলাতে নিবিদা আহ্বান কৰি কামত লগোৱা হৈছেনে?

(গ) যদি সকলো জিলা সামৰা নাই কোন, কোন সেই জিলা? সেই জিলাবোৰত সদ্যহতে বৈদ্যুতিকৰণৰ সম্প্রসাৰণৰ কথা চৰকাৰে কেনে ধৰণে বিবেচনা কৰিছে ?

শ্রীপ্রদ্যুৎ বৰদলৈ (শক্তি বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) তিনিচুকীয়া, গোৱালপাৰা আৰু কাছাৰ জিলাত ৰাজীৱ গান্ধী গ্রাম্য বৈদ্যুতিকৰণৰ কাম আৰম্ভ হৈছে আৰু অসমৰ সমগ্র অঞ্চললৈ অচিৰেই সম্প্রসাৰণ হব।

(খ) বাকী বিলাক জিলাত চূড়ান্ত অনুমোদন সাপেক্ষে পর্য্যায়ক্রমে নিবিদা আহ্বান কৰি কাম আৰম্ভ কৰা হব।

(গ) গোৱালপাৰা, কাছাৰ আৰু তিনিচুকীয়া জিলাত কেন্দ্রীয় চৰকাৰৰ অনুমোদন সাপেক্ষে নিবিদা আহ্বান কৰি RGGVY আঁচনিখনৰ কাম কৰি থকা হৈছে। বাকীবিলাক জিলাত Detailed Project Report প্রস্তুত কৰি কেন্দ্রীয় চৰকাৰৰ অনুমোদনৰ বাবে পঠোৱা হৈছে।

শ্রীদ্রুপদ বৰগোঁহাই ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্রী মহোদয়ৰ পৰা তিনিটা কথা জানিব বিচাৰিছো। মাননীয় মন্ত্রী মহোদয়ে মোৰ প্রশ্নৰ উত্তৰত ৩ খন জিলাত সেই আঁচনিৰ কাম আৰম্ভ কৰা হৈছে আৰু অসমৰ সমগ্র অঞ্চললৈ অচিৰেই সম্প্রসাৰণ হব বুলি কৈছে। কিমান দিনৰ ভিতৰত বাকী জিলা বিলাকত সেই আঁচনিৰ কাম আৰম্ভ কৰা হব সেইটো মই মাননীয় মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো। এইটো মোৰ প্রথম প্রশ্ন। কাৰণ যিবিলাক জিলাত সেই আঁচনিৰ কাম আৰম্ভ কৰা নাই সেই জিলা বিলাকৰ ৰাইজে সেই আঁচনিৰ কাম আৰম্ভ কৰাতো বিচাৰি আছে। গতিকে এই ক্ষেত্রত মাননীয় মন্ত্রী মহোদয়ে কি ব্যৱস্থা লব? মোৰ দুই নম্বৰ প্রশ্ন হৈছে নাজিৰাৰ চাহ বাগান সমূহত বিদ্যুৎ যোগান ধৰাৰ ওপৰত নাজিৰা সমষ্টিৰ চাহ বাগান সমূহৰ সৰহ ভাগ ঠাইতেই বনুৱা সকলে ব্যক্তিগত ভাৱে বিদ্যুৎ নাপায়। এই ক্ষেত্রত বিশেষকৈ মেনেজমেণ্টে বাধাৰ সৃষ্টি কৰিছে। চণ্টক চাহ বাগানত এটা ট্রেনচ্‌মিটাৰ বহুওৱা হ'ল। কিন্তু এতিয়াও বিজুলী সংযোগ দিয়া নাই। গতিকে মাননীয় মন্ত্রী মহোদয়ে এইটো অনুসন্ধান কৰি ব্যৱস্থা গ্রহণ কৰিব লাগে। মোৰ তৃতীয় প্রশ্ন হৈছে বিদ্যুৎ উৎপাদন কম হোৱা কাৰণে বিদ্যুৎ যোগান ধৰাত ব্যাঘাত জন্মিছে। এটা সময়ত প্রাক্তন কেন্দ্রীয় শক্তি মন্ত্রী সুৰেশ প্রভুৱে অসমৰ বিভিন্ন খৰস্রোতা নদীৰ পৰা বিদ্যুৎ উৎপাদন কৰিব পাৰে বুলি কৈছিল। গতিকে এনেকুৱা ধৰণে বিদ্যুৎ উৎপাদন কৰি বিদ্যুৎ শক্তি বৃদ্ধি কৰিব পাৰে নেকি আৰু তাৰ কাৰণে কিবা পৰিকল্পনা হাতত লৈছে নেকি সেই কথাখিনি মই মাননীয় মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্রীপ্রদ্যুৎ বৰদলৈ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজীৰ গান্ধী গ্রাম্য বৈদ্যুতিকৰণ আঁচনিখন এখন আটাইতকৈ সর্ব্বাঙ্গসুন্দৰ আঁচনি। গোটেই অসমজুৰি সকলো গাঁৱতে এই আচনি ৰূপায়ন হব। স্বাধীনোত্তৰ কালত ভাৰতত বিশেষকৈ অসমক এই আঁচনিয়ে বিশেষকৈ উপকৃত কৰিব

কাৰণ প্ৰতিখন ৰাজহ গাঁৱকে এই আঁচনিয়ে সামৰি লব। অসমৰ প্ৰতিখন গাঁওলৈ এ এচ ই বি আৰু পাৱাৰ গ্ৰীডৰ কৰ্মচাৰীয়ে গৈ গৈ চাৰ্ভে কৰিছে। তাৰ পিচতহে এই আঁচনি প্ৰস্তুত কৰিছে। এইখিনি কৰোতে প্ৰায় এবছৰ সময় লাগিছে। এই এবছৰ সময়ৰ পাছত সেই আঁচনি আমি কেন্দ্ৰীয় চৰকাৰক দাখিল কৰিছো। এই আঁচনিৰ শতকৰা ৯০ ভাগ কেন্দ্ৰীয় চৰকাৰে অনুদান হিচাৱে দিব আৰু বাকী ১০ শতাংশ অসম চৰকাৰে বহন কৰিব লাগিব। এই আঁচনিখন ৰূপায়ন কৰোতে ২৩০০ কোটি টকা খৰছ হব। ইয়াৰ কম সময় ভিতৰত ইমান টকা পাবলৈ অসুবিধা হৈছে। আমাৰ প্ৰতিবেদন পোৱাৰ পাছত কেন্দ্ৰীয় চৰকাৰে তিনিখন জিলালৈ ধন মুকলি কৰি দিছে। আমি তিনিখন জিলাত আঁচনি ৰূপায়ন কৰি আছো। মই যোৱা কালি নতুন দিল্লীৰ পৰা আহিছো। পৰহি দিনা মই কেন্দ্ৰীয় শক্তি মন্ত্ৰী ডাঙৰীয়াক লগ কৰিছো আৰু অসমৰ বাকী জিলা বিলাকলৈ ধন মুকলি কৰি দিয়াৰ বাবে তেখেতক হেচা প্ৰয়োগ কৰিছো। এটা কথা মই আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে ৩১ মাৰ্চৰ আগতে হয়তো টকাটো অনুমোদিত হোৱা বুলি খবৰ পাম আৰু তেতিয়া আচনি ৰূপায়ন কৰিব পাৰিম।

★শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ মঞ্জুৰী নোহোৱালৈ কি কৰিব?

শ্ৰী প্ৰদ্যুৎ বৰদলৈ (মন্ত্ৰী) ঃ এই গেপ পিৰিয়দটোত ছেগা চোৱাকৈ কাম চলি থাকিব। ৰাজীৱ গান্ধী বৈদ্যুতিক আঁচনিয়ে সকলো গাঁৱকে সামৰি লৈছে। গতিকে আমি নতুন কোনো আঁচনি লোৱা নাই। বৰ্ত্তমান তিনিচুকীয়া, গোৱালপাৰা আৰু কাছাৰত এই আঁচনি চলি আছে। এই আঁচনিৰ দ্বাৰা নলবাৰীত খৰছ কৰা হব ৩৫ কোটি টকা মৰিগাঁৱঁত ২৭ কোটি টকা, যোৰহাটত ৩৮ কোটি টকা, বৰপেটাত ৪৮ কোটি টকা, দৰং জিলাত ৮৬ কোটি টকা, গোলাঘাটত ১৪ কোটি, কোকৰাঝাৰ জিলাত ৫৮ কোটি টকা, কৰিমগঞ্জ জিলাত ৪৪ কোটি

★ Speech not corrected

টকা, শোনিতপুৰ জিলাত ৮৮ কোটি টকা, হাইলাকাণ্ডিত ২৫ কোটি, ডিব্রুগড় জিলাত ৭০ কোটি, ধুবুৰী জিলাত ৯১ কোটি, বঙ্গাইগাঁও জিলাত ৬৭ কোটি টকা, কামৰূপ জিলাত ১০২ কোটি টকা, নগাঁও জিলাত ১০০ কোটি, কাৰ্বি আংলং জিলাত ৩১৬ কোটি টকা, উত্তৰ কাছাৰ পাহাৰত ৬৭ কোটি, লক্ষীমপুৰ জিলাত ৬৭ কোটি, ধেমাজীত ৬৭ কোটি টকা আৱণ্টনৰ কাৰণে কেন্দ্রীয় চৰকাৰক প্রস্তাৱ দিয়া হৈছে। মঞ্জুৰী পোৱাৰ লগে লগে কাম আৰম্ভ কৰা হব।

মাননীয় সদস্য গৰাকীৰ দ্বিতীয়টো প্রশ্নৰ উত্তৰ হৈছে, অসম চৰকাৰে এটা নীতি গ্রহণ কৰিছে। বাগিছা বিলাকৰ ৰাস্তাত লাইন দিয়া হৈছিল। শ্রমিক সকলৰ যিবিলাক ব্যক্তিগত ঘৰ সেই ঘৰ বিলাকৰ লগত কোনো ব্যক্তিগত মিটাৰ দিয়া হোৱা নাছিল। সেইটো বাগিছা কত্তৃপক্ষই ব্যৱস্থা কৰিছিল। তাৰ পৰা শ্রমিক সকলৰ কষ্ট হৈছিল। এতিয়া পর্য্যায়ক্রমে তেওঁলোকৰ ব্যক্তিগত ঘৰ বিলাকত মিটাৰ লগোৱাৰ ব্যৱস্থা কৰা হৈছে। তাৰ কাৰণে টকা অসম চৰকাৰে দিব মানে মাননীয় মন্ত্রী, শ্রীপৃথিবী মাঝিৰ বিভাগে দিব। ইতিমধ্যে ৪৮ খন বাগিছাত এই কাম কৰা হৈছে। এইবাৰৰ বাজেটত টকা ধার্য্য কৰা হৈছে। বাকী আৰু ৬০ খন বাগিছাত এই কাম কৰা হব। মাননীয় সদস্য গৰাকীয়ে উৎপাদনৰ কথা কৈছে। এইটো এটা গুৰুত্বপূর্ণ কথা। কিন্তু মই জনাবলৈ পাই সুখী হৈছো যে এ, এচ, ই, বি য়ে আগতকৈ বেছি শক্তি উৎপাদন কৰিবলৈ সক্ষম হৈছে। ২০০৪ চনত মাত্র ১২০ মেগাৱাট শক্তি উৎপাদন কৰিছিল। আজি ৭০ ভাগ বৃদ্ধি কৰিবলৈ সক্ষম হৈছে। এতিয়া ২৮০ মেগাৱাট শক্তি উৎপাদন হৈছে। বর্ত্তমান অসমত স্মল হাইড্রো পলিচিমতে ২৫ মেগাৱট শক্তি উৎপাদনৰ কাৰণে প্রকল্প স্থাপন কৰিলে চৰকাৰে অনুমতি দিব পাৰে। উত্তৰ পূৱ উদ্যোগীকৰণ নীতিৰ আধাৰত সৰু সৰু ১০/৫ মেগাৱট উৎপাদনৰ প্রকল্প কৰিব বিছাৰিলে তাত সহায় কৰাৰ ব্যৱস্থা আছে। অসমত

এনেধৰণৰ ৫ টা প্ৰকল্পৰ কাম বৰ্ত্তমান ৰূপায়ন হৈ আছে। চম্পাৱতী, পহুমাৰা মিনদ্বিয়াং ইত্যাদিত কাম চলি আছে। ধনশিৰীতো কাম চলিব। চন্দ্রপুৰটো যোৱা ১৯৯৮ চনৰ পৰা বন্ধ হৈ আছিল তাক এটা চিস্তেমলৈ কনভার্ট কৰা হৈছে। অসম চৰকাৰৰ ধনেৰে বিটিপিএচতো এপ্রিল মাহৰ পৰা কাম আৰম্ভ হব।

★ শ্রীকেশৱ মহন্ত ঃ অধ্যক্ষ মহোদয়, মই এটা প্রশ্ন উৎথাপন কৰিব বিছাৰিছো। এই চৰকাৰে কার্য্যভাৰ লোৱাৰ পাছত যোৱা ৬টা বিধান সভাতে এই প্রশ্নটো উৎথাপন কৰি আহিছো। কিন্তু প্রশ্নটোৰ উত্তৰৰ কোনো পৰিবর্ত্তন নহ'ল। অৱশ্যে আগতে ৭ খন জিলা বুলি কৈছিল, এতিয়া যেনিবা কমিছে। ৩খন জিলা বুলি কৈছে কিন্তু যোৱা পাচোটা বিধান সভাতে একেটা উত্তৰ পাই আহিছো। মন্ত্রী মহোদয়ে কৈ আহিছে যে ৰাজীৱ গান্ধী গ্রাম্য বৈদ্যুতিকৰণ আঁচনিত অসমৰ সকলো জিলাকে সামৰি লব। ঠিক আছে, কিন্তু আমাৰ ষিবিলাক ফ'ৰ লেন হাইওৱেৰ কাষে কাষে থকা পোষ্ট সেইবিলাক কিছু কাষৰ গাঁৱত লগাইছে সঁচা কিন্তু সেই খুটা বিলাক কলৈ গ'ল তাৰে ২/৩ টা খুটাটো আমাৰ গাওলৈ পঠিয়াব পাৰে। সমষ্টিত আমাক ৰাইজে হেচা দিয়ে আৰু কয় আপুনিনো দুটা খুটা আনি দিব নোৱাৰে নে? ষিবিলাক গাৱঁত খুটা পৰা নাই বা বিদ্যুতে সামৰি লোৱা নাই সেই বিলাকলৈ অন্ততঃ কিছু খুটা দিয়াৰ ব্যৱস্থা কৰিব নোৱাৰে নে ?

★ শ্রীকমল সিং নার্জাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো সম্পূর্ণ কৰিবলৈ অনুমোদন দিয়া হৈছে। তাৰ উপৰিও দহ লাখ টকা পঠিওৱা হৈছিল।

★ শ্রীপ্রদ্যুৎ বৰদলৈ (মন্ত্রী) ঃ চাৰ, মাননীয় সদস্য শ্রীকেশৱ মহন্ত ডাঙৰীয়াই যোৱা পাচটা বিধান সভাৰ সময়তে একে প্রশ্নই কৰা বুলি কৈছে। আচলতে এই আচঁনি খনত উনৈশ হাজা গাঁও সামৰি লোৱা হৈছে। এই আঁচনিখন তিনিটা স্তৰত কৰা হৈছে দুটা কথা তেওঁলোকে

★ Speech not corrected

চালিজাৰি চাঁই কাম কৰে আৰু তাৰ পিচত তৃতীয় পর্য্যায়লৈ যায়।

(সদনত গোলমাল। ভালেকেইজন মাননীয় সদস্যই একেলগে জোৰেৰে কবলৈ ধৰে। কাৰো মাত শুনা নাযায় ঠিকমতে।)

আমাৰ তিনিটা পর্য্যায়ত হব। এই আঁচনি বিলাকৰ কাৰণে কেন্দ্রীয় চৰকাৰে পইচা মুকলি কৰি দিছে। কাম আৰম্ভ হোৱাৰ পিচত বাকী খিনিৰ কাৰণেও অনুমোদন দিব। ইন প্রিন্সিপ'ল এচেপটেন্স দিছে। এতিয়া এইটো ফাইনেল ষ্টেজত আছে। কার্বি আংলং আৰু এন-চি-কাছাৰ হিল্‌চ দুটা আছেই। বাকী খিনি কৰিব পৰা হব বুলি কেন্দ্রীয় চৰকাৰৰ মন্ত্রী মহোদয়ে কৈছে।

★ ডাঃ কমলা কান্ত কলিতা ঃ ধন যি ভাবে যোগাৰ হব সেই অনুপাতে ২০০৯ চনৰ ভিতৰত এই কাম খিনি সম্পূর্ণ হোৱাৰ আশা কৰিব পাৰোনে ? মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো। তাৰ উপৰিও ইন বিটুইন পিৰিয়ডটোৰ কাৰণে অসম চৰকাৰৰ এম-এল-এ ফাণ্ডৰ পৰা টকা দি গেপটো পূৰাব পৰা হব। তাৰ ব্যৱস্থা কৰিব লাগে। আমি দুহাজাৰ ন' জুনত শেষ হোৱাতো আশা কৰিব পাৰোনে?

★ শ্রীপ্রদ্যুৎ বৰদলৈ (মন্ত্রী) ঃ ইতিমধ্যে এই ক্ষেত্রত বহুখিনি আগবাঢ়িছে। অসম চৰকাৰৰ পৰা আমাৰ প্রত্যেকজন বিধায়কক এটাকৈ ট্রেন্সফৰমাৰ দিছে।

(ভইচ ঃ এক্সটেনশ্বন কেতিয়া হব? হোৱাট এৱাউট এক্সটেনচন?)

ও-এন-এমৰ কাৰণে টকা চৰকাৰে দিছে। এই গেপটো সামৰিবলৈ ট্রেন্সফৰমাৰ দিয়া হৈছে। চর্ট গেপ। সোনকালে হৈ যাব।

★ শ্রীকেশৱ মহন্ত ঃ ইয়াৰ কাৰণে যি তাঁৰ আৰু খুটা প্রয়োজন সেইবিলাক হাইওৱে অথৰিটিয়ে কাম কৰি আছে। এ-এচ-ই-বিয়ে দিব নোৱাৰে নেকি?

★ শ্রীপ্রদ্যুৎ বৰদলৈ (মন্ত্রী) ঃ এ-এচ-ই-বিয়ে পলিচী কৰিছে আৰু সোনকালে

★ Speech not corrected

ব্যৱস্থা লব।

★ শ্রীকেশৱ মহন্ত ঃ বাকী জিলা বিলাকত সম্প্রসাৰণৰ কাম হাইওৱেৰ লগত কৰিছে কিন্তু সম্পূর্ণ হোৱাৰ আশা কৰিব পাৰেনে?

শ্রীপ্রদুৎ বৰদলৈ (মন্ত্রী) ঃ আমি মাতি আনি কথা পাতিছো আৰু খুটা ভাঙি যোৱাৰ কাৰণে বিশেষ ততপৰ হোৱাৰ কাৰণে কৈছো।

★ শ্রীকমল সিং নার্জাৰি ঃ এইটো এম-এল-এ ফাণ্ডৰ পৰা কৰাৰ অনুমতি দিব লাগে। মাননীয় মন্ত্রী মহোদয়ৰ ওচৰত তিনিখন জিলাৰ কাৰণে চাবমিট কৰা বুলি কৈছে। বাকী কেইখন জিলালৈকে কেতিয়া পাম জানিব পাৰিলে ভাল হয়। বাকী জিলা কেইখনৰ কাৰণে অসম চৰকাৰৰ পৰা উন্নিতকৰণৰ নতুন আঁচনি লবনে। মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

★ শ্রীপ্রদ্যুৎ বৰদলৈ (মন্ত্রী) ঃ মাননীয় বিধায়ক মহোদয়ৰ পূঁজিৰ পৰা এইটো কৰা ঠিকেই আছে। আমাৰ সম্পূর্ণ বিধায়ক পূঁজিৰ পৰা এইটো কৰিছে। দ্বিতীয় কথাটো হ'ল ইয়াৰ পিচৰ টকা কেন্দ্রীয় চৰকাৰৰ পৰা উপলব্ধ কৰিলেই আমি অহা ৩১ মার্চৰ ভিতৰত কৰাৰ আশা কৰিছো। ইয়াৰ লগত বিত্তীয় অনুমোদনৰ কথা আছে। সেইটো যোৱাৰ লগে লগে কাম হব।

Subject : Science College.

Shri Chandi Basumatary asked :

★143. Will the Minister of Education be pleased to state :

Is there any plan to establish Science College at Tamulpur under Tamulpur LAC ?

Shri Ripun Bora (Minister of Education) replied :

There is no plan to establish Science College at

★ Speech not corrected

Tamulpur in the Tamulpur LAC under Higher Education Department.

বিষয় ঃ বিষয় শিক্ষকৰ পদ পূৰণ।

শ্ৰীৰবীন বনিক্যই সুধিছে ঃ

★১৪৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান অসমত চৰকাৰী স্বীকৃতিপ্ৰাপ্ত উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহত খালী হৈ থকা বিষয় শিক্ষকৰ পদ সমূহ পূৰণ কৰাৰ কিবা ব্যৱস্থা চৰকাৰে হাতত লৈছে নেকি?

(খ) এনে ধৰণৰ উচ্চ মাধ্যমিক বিদ্যালয় সমূহৰ কিমান খালী হৈ থকা পদত নিযুক্তি দিব পৰা নাই? (পদ খালী হৈ থকা উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহৰ নাম, খালী পদৰ সংখ্যা সম্বলিত বিতং তালিকা সদনৰ মেজত দাখিল কৰিব)

শ্ৰীৰিপুন বৰা (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, ব্যৱস্থা লোৱা হৈছে।

(খ) ৭৪৩৯ টা পদত নিযুক্তি দিব পৰা নাই। (উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ তালিকা সংলগ্ন কৰি দিয়া হ'ল)।
(See Annexure-I)

★শ্ৰীৰবিন বনিক্য ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ক প্ৰশ্ন কৰিছিলো যে বৰ্ত্তমান অসমত চৰকাৰী স্বীকৃতিপ্ৰাপ্ত উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহত খালী হৈ থকা বিষয় শিক্ষকৰ পদ সমূহ পূৰণ কৰাৰ কিবা ব্যৱস্থা হাতত লোৱা হৈছেনে? আৰু এই পদ সমূহ কেতিয়াৰ পৰা খালি হৈ আছে?

★শ্ৰীৰিপুণ বৰ' (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, বৰ্ত্তমান উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহত ৫৪৩৯ পদ খালি আছে।

★ Speech not corrected

ইয়াত টেক্‌নিকেল আৰু নন টেক্‌নিকেল পদ সমূহো সোমাই আছে। তাৰোপৰি অধ্যক্ষ, উপাধ্যক্ষ, হেডমাষ্টাৰ, সহকাৰী হেডমাষ্টাৰ পদ বিলাকো আছে। ২৫৪ টা চাবজেক্ট টিচাৰৰ পদ আছে। এই পদ সমূহৰ বিপৰীতে বিজ্ঞাপন ইতিমধ্যে জাৰি কৰা হৈছে। বৰ্ত্তমান পৰীক্ষা-নিৰিক্ষা চলি আছে আৰু সোনকালে হ'ব। দুটা পর্য্যায়ত এই বিজ্ঞাপন সমূহ জাৰি কৰা হৈছে। তাৰ কিছুমানত ইনটাৰভিউ সম্পূর্ণ হৈ গৈছে। অধ্যক্ষ, উপাধ্যক্ষ, প্রধান শিক্ষক আৰু সহকাৰী প্রধান শিক্ষকৰ কিমান পদ খালি আছে। সেই বিলাক বিজ্ঞাপন দিবৰ কাৰণে ঠিক কৰা হৈছে। বিভিন্ন সংস্থাই এই নিযুক্তিৰ বিৰুদ্ধে উচ্চ ন্যায়ালয়ৰ কাষ চপাৰ কাৰণে আমি সেই পদ সমূহত নিযুক্তি দিব পৰা নাই। বৰ্ত্তমান ৮টা কেচ্‌ চলি আছে। মই এই কথাটো পবিত্র সদনত আগতেও উল্লেখ কৰিছিলো। ইয়াৰ আগতে বিজ্ঞাপন জাৰি কৰা হৈছিল ইনটাৰভিউ পতাৰ লগে লগে ড্রপ শিক্ষক সকলে ন্যায়ালয়ত গোচৰ তৰিছিল। সেই গোচৰ বোৰ নিস্পত্তি নোহোৱাৰ কাৰণে নিযুক্তি দিব পৰা হোৱা নাছিল। এতিয়া নিযুক্তি দিব পৰা হৈছে। এতিয়া ন্যায়ালয়ে ৰায় দিছে আৰু আমি অহা এপ্রিল মাহৰ ভিতৰত নিযুক্তি দিবৰ কাৰণে ঠিক কৰিছো। এইটো হৈছে শেহতীয়া পৰিস্থিতি।

★শ্রীগিৰীন্দ্র কুমাৰ বৰুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰখনে দুমুখীয়া নীতি লৈছে। শিক্ষা বিভাগৰ নিচিনা গুৰুত্ব পূর্ণ বিভাগত বছৰ বছৰ ধৰি শিক্ষক নাই। সংস্কৃত, আৰবিক আৰু হিন্দী পঢ়াবলৈ শিক্ষক নাই। ফিজিক্স, কেমষ্ট্রি, হিষ্ট্রী বেলেগ শিক্ষকে পঢ়াব নোৱাৰে। আপোনাৰ ঠাইত মই বা আন কোনোবা থাকিলেও সেইটো কৰিব নোৱাৰিম। আপোনালোকে হৈ হাল্লা কৰি আছে। কিয় ইমান দুর্বল হৈছে। আমাক এটা আশ্বাস দিব নেকি? এই পদ বিলাকত পোণপতীয়া নিযুক্তি হব নেকি? ইংৰাজী মাধ্যমৰ

★ Speech not corrected

স্কুল বিলাকত অসমীয়া ভাষা বাধ্যতামুলক কৰিবলৈ পৰামর্শ দিছিল। শিক্ষা বিভাগে এই ব্যক্তিগত ইংৰাজী মাধ্যমৰ বিদ্যালয় সমূহত অসমীয়া বিষয়টো বাধ্যতামূলক কৰিবৰ কাৰণে নির্দ্দেশ দিব নেকি?

★শ্রীৰিপুন বৰা (মন্ত্রী) ঃ নিযুক্তি আমি নিদিয়া নহয়। শিক্ষা বিভাগে দিছে, আৰু আনুষ্ঠানিক ভাৱে দিছে। এচ, চি, এচটি, বেক লগ বিলাকত নিযুক্তি দিয়া হৈছে। ২৯০ টা পদত শাৰীৰিক ভাৱে অক্ষম লোকক নিযুক্তি দিয়া হৈছে। এই কথা বিলাক চৰকাৰে উপলব্ধি কৰিছে। আৰু আমি নিযুক্তি দিয়াৰ কাৰণে আগ্রহশীল। আমি সেই কাৰণে ইনটাৰভিউ পাতিছো কিন্তু আমি সময় সীমা বান্ধি দিব নোৱাৰো। কিন্তু নিযুক্তি দিম। এটা কথা পৰিস্কাৰ কৰি কব খোজো উচ্চ ন্যায়ালয়ৰ এফিডেভিট দিয়াৰ পিচত কাগজ পত্র দাখিল কৰাৰ কাৰণে ব্যৱস্থা লব লাগিব। বিত্ত বিভাগে অনুমোদন দিয়াৰ লগে লগে পদ সমূহত নিযুক্তি দিম। দ্বিতীয় প্রশ্নটোৰ তথ্য মোৰ হাতত নাই। তথ্য বিলাক পালে জনাম।

★শ্রীলিয়াকৎ আলী খান ঃ মাননীয় অধ্যক্ষ মহোদয়, মই জনাত বৰপেটা জিলাত 'কমপেছ'নেত' ভিত্তিত নিযুক্তি এতিয়াও দিয়া হোৱা নাই। কিন্তু মাননীয় মন্ত্রী ডাঙৰীয়াই দিয়া বুলি কৈছে। গতিকে মই জানিব খুজিছো যে এই পদসমূহত নিযুক্তি কিমান দিনৰ ভিতৰত দিয়া হব?

★ শ্রীৰিপুন বৰা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই পদবিলাকত জিলা ভিত্তিত নিযুক্তি দি থকা হৈছে। কেইবাখনো জিলাত দিয়া হোৱা নাই। যিকেইখন জিলাত হোৱা নাই সেইটো আমি চাম।

★ শ্রীলিয়াকৎ আলী খান ঃ মাননীয় অধ্যক্ষ মহোদয়, কিমান দিনৰ ভিতৰত নিযুক্তি দিয়া হব?

★ শ্রীৰিপুন বৰা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, বৰপেটা জিলাত যিখন ডিষ্ট্রিকট লেভেল কমিটি আছে তেওঁলোকে লিষ্টখন এপ্রোভ কৰি দিয়া নাই কাৰণে নিযুক্তি দিব পৰা নাই।

★ ডাঃ তাৰা প্রসাদ দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, হায়াৰ চেকেণ্ডাৰী লেভেলত জিলা লেভেল আৰু ষ্টেট লেভেলত দুটা কমিটি আছে। এতিয়া কি ৰুলৰ ভিত্তিত নিযুক্তি কৰিবলৈ লৈছে।

★ শ্রীৰিপুন বৰা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৭ চনৰ এক্টমতে কৰা হৈছে। হাই স্কুল কিছুমানত সহকাৰী শিক্ষক আছে সেইসকল মাষ্টাৰ ডিগ্রী হল্ডাৰ। তেওঁলোকে কেচ কৰিছিল। কিন্তু হাই কোর্টে চৰকাৰে লোৱা প্রক্রিয়ামতে ইণ্টাৰভিউ লবলৈ ৰায় দিছে। তেওঁলোক সাক্ষাৎকাৰত বহক, যদি নির্বাচিত হয় নিযুক্তি পাব।

★ শ্রীৰমেন্দ্র নাৰায়ণ কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, মোক উত্তৰ নালাগে, দুটা কথা কবলৈ দিয়ক। মই মাননীয় মন্ত্রী মহোদয়ক কব বিচাৰিছো যে এল, পি, এম, ই স্কুলবিলাকত শাৰীৰিকভাৱে অক্ষম সকলক নিযুক্ত দিছে তেওঁলোকে শিক্ষা কেনেকৈ দিব।

Mr. Speaker : Starred Question No.145, Honb'le Member, Md. Mohibul Hoque.

বিষয় ঃ বৈদ্যুতিকৰণ ব্যৱস্থা।

মোঃ মহিবুল হকে সুধিছে ঃ

★ ১৪৫। মাননীয় শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজীৱ গান্ধী গ্রাম্য বৈদ্যুতিকৰণ আঁচনিখন ধুবুৰী জিলাত প্রবর্ত্তন কৰা হৈছে নে?

(খ) যদি হৈছে, তেন্তে এই আঁচনিত জিলাখনৰ বাবে সর্বমুঠ কিমান

★ Speech not corrected

পুঁজি ধার্য্য কৰা হৈছে আৰু ইয়াৰ কিমান মুকলি কৰা হৈছে?

(গ) যদি এই আঁচনি জিলাখনত সামৰি লোৱা হোৱা নাই, তেন্তে ইয়াৰ মূল কাৰণ কি?

(ঘ) কেতিয়া এই আঁচনি জিলাখনত প্ৰৱৰ্ত্তন কৰা হব?

(ঙ) গৌৰীপুৰ সমষ্টিৰ কিমানখন গাঁৱঁত এতিয়ালৈ বৈদ্যুতিকৰণৰ ব্যৱস্থা হোৱা নাই? (গাঁৱৰ নামৰ তালিকা দিব)

(চ) অহা কিমান দিনৰ ভিতৰত উক্ত গাওঁ সমূহত বৈদ্যুতিকৰণ ব্যৱস্থা কৰা হব?

শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (শক্তি মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) এতিয়ালৈ নাই হোৱা। DPR প্ৰস্তুত কৰি কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ বাবে পঠোৱা হৈছে আৰু অনুমোদন পালেই কাম আৰম্ভ কৰা হব।

(খ) ৰাজীৱ গান্ধী গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনিখনত ধুবুৰী জিলাৰ বাবে ৯,১১৮ লাখ টকা ধার্য্য কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ পৰা ধুবুৰী জিলাৰ বাবে এই পর্য্যন্ত কোনো পুঁজি আৱণ্টন পোৱা নাই।

(গ) লোৱা হৈছে।

(ঘ) কেন্দ্ৰীয় চৰকাৰৰ পৰা পুঁজি আৱণ্টন পোৱাৰ লগে লগেই জিলাখনত এই আঁচনি কার্য্যকৰী কৰা হব।

(ঙ) বৈদ্যুতিকৰণ আঁচনি জিলা বা উন্নয়ন খণ্ড ভিত্তিত কার্য্যকৰী কৰা হয়। সেয়ে সমষ্টি ভিত্তিক গাঁৱৰ তালিকা আমাৰ হাতত নাই। গৌৰীপুৰ উন্নয়ন খণ্ডৰ বৈদ্যুতিকৰণ নোহোৱা গাঁৱৰ সংখ্যা ১৫ খন। তালিকা (ক) ত গাঁঠি দিয়া হ'ল। (See Annexure-II)

(চ) কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুমোদন আৰু বিত্তীয় আৱণ্টন পালেই

কাম আৰম্ভ কৰা হব। পৰিকল্পনা অনুযায়ী ২০০৯ চনৰ ভিতৰত অসমৰ সমূহ গাওঁ বৈদ্যুতিকৰণ কৰাৰ অধিসূচনা আছে।

★ মোঃ মহিবুল হক ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্রী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো যে মাননীয় মন্ত্রী ডাঙৰিয়াই কৈছে যে ৰাজীৱ গান্ধী গ্রাম্য বৈদ্যুতিকৰণ আঁচনিৰ ধুবুৰী জিলালৈ সম্প্রসাৰণ কৰাৰ কাৰণে ৯১.৯৮ কোটি টকা ধার্য্য কৰিছে।

★ শ্রীপ্রদ্যুৎ বৰদলৈ (মন্ত্রী শক্তি বিভাগ) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে জানে যে প্রজেক্ট ৰিপোর্টটোত এই কথাবিলাক বিতংভাৱে দাঙি ধৰা হয়। মই কৈছো যে ধুবুৰী জিলাৰ কাৰণে ৯১.৯৮ কোটি টকা ধার্য্য কৰা হৈছে।

★ মোঃ মহিবুল হক ঃ মাননীয় অধ্যক্ষ মহোদয়, আপুনি ইয়াত কৈছে ধার্য্য কৰা হৈছে। ধুবুৰী জিলাক সামৰি লব লাগিছিল।

★ শ্রীপ্রদ্যুৎ বৰদলৈ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, শব্দ বিভ্রাটৰ কাৰণে কথাটো হয়তো বুজা নাই। ধার্য্য কৰা হৈছে বুলি কোৱা হৈছে। টকা পোৱাৰ লগে লগে কাম আৰম্ভ কৰা হব। বর্ত্তমান ৩৯৩ খন গাঁও এই আঁচনিৰ অন্তর্ভুক্ত কৰা হৈছে। এই গাঁওসমূহত বিদ্যুৎ সংযোগ একেবাৰে হোৱা নাই। যিবিলাক গাঁৱত আংশিক ভাৱে আছে তাত ৭৮২ খনত নতুনকৈ কৰা হব। ২.৫ কেপাচিটিৰ ২টা চাব ষ্টেচন দিয়া হব। ৭৪,২০০ টা পৰিয়ালক বৈদ্যুতিকৰণ কৰিব। ৯৯২.৭ কিঃ মিঃ নতুন লাইন বৈদ্যুতিকৰণ কৰা হব। ২৫২ কেঃ ভিৰ নতুন ট্রেঞ্চফর্মাৰ বহুৱা হব। এই কামখিনিত ৯১ কোটি টকা খৰছ হব বুলি ধৰা হৈছে।

★ মোঃ মহিবুল হক ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টি গৌৰীপুৰৰ গাঁওবিলাকত বৈদ্যুতিকৰণ কৰা হোৱা নাই। উত্তৰটো ঠিকেই দিছে। গৌৰীপুৰ সমষ্টিক বাদ দি ধুবুৰী জিলাক সোমুৱাই লৈছে। ইয়াত

★ Speech not corrected

যিবিলাক গাঁৱৰ কথা কৈছে সেইবিলাক ধুবুৰী সমষ্টিত আছে।

★শ্রীপ্রদ্যুৎ বৰদলৈ (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজীৱ গান্ধী গ্রাম্য বৈদুতিকৰণ আঁচনিৰ ওপৰত কেইবাটাও প্রশ্ন আহিছিল। বৈদ্যুতিকৰণ কৰিব খোজা গাওঁবিলাক জিলা ভিত্তিত লোৱা হৈছে। ধুবুৰী সমষ্টিৰ কিছুমান আৰু গৌৰীপুৰ সমষ্টিৰ কিছুমান গাঁৱক লৈ এটা বিশেষভাৱে ওৰিয়েণ্টেশ্যন কৰিবলৈ লোৱা হৈছে।

মাননীয় অধ্যক্ষ ঃ এতিয়া প্রশ্নোত্তৰ কাল শেষ।

(Starred Question Nos. 146 to 160 could not be taken up for disposal as the Question Hour was over. However, the said questions deemed to have been laid on the table of the House with replies thereto.)

বিষয় ঃ শিক্ষক আৰু কর্মচাৰীৰ নামৰ তালিকা।

শ্রীজ্যোতি প্রসাদ দাসে সুধিছে ঃ

★১৪৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বকো বিধান সভা সমষ্টিত K.D.B. নামৰ চৰকাৰী স্বীকৃতিপ্রাপ্ত মধ্য ইংৰাজী বিদ্যালয় আছে নেকি? ইয়াৰে শিক্ষক আৰু কর্মচাৰী সমূহৰ নামৰ তালিকা সদনৰ মেজত দিবনে?

(খ) উক্ত বিদ্যালয়খনৰ মাটিকালি কিমান? (মাটিৰ তথ্যপাতি সদনৰ মেজত দিব)

(গ) পৰিচালনা কমিটিখন কেতিয়া গঠন কৰা হ'ল আৰু উক্ত কমিটি গঠনত কোন C.R.C.C. উপস্থিত আছিল? (তেখেতে চহী কৰা কমিটিখনৰ নামৰ তালিকা সদনৰ মেজত দিব)

(ঘ) উক্ত বিদ্যালয়খনে চৰকাৰৰ পৰা পাঠ্যপুথি যোগান পাইছে নেকি? (যোগানৰ চালানৰ কপি সদনৰ মেজত দিব)

★ Speech not corrected

(ঙ) কোন কোন শ্রেণীৰ কিমান জন আৰু কি কি নামৰ ছাত্ৰ-ছাত্ৰী আছে আৰু তেওঁলোকৰ অভিভাৱকৰ নাম সদনৰ মেজত দিব নে?

শ্রীৰিপুন বৰা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) আছে, কিন্তু প্রয়োজনীয় স্বর্তসমূহ পূৰণ নকৰা বাবে স্বীকৃতি বাতিল কৰা হয়।

শিক্ষক কর্ম্মচাৰী সমূহৰ নামৰ তালিকা তলত দিয়া হ'ল ঃ

১। মঃ ৰবিউল হুচেইন ২। জামাল উদ্দিন আহমেদ

৩। মিচ্ ফৰিতন নেছা ৪। আব্দুল কৰিম

৫। মঃ ফুলবৰ আলী ৬। মির্জা কবিৰ হুচেইন

৭। মঃ আগৰ আলী।

(খ) উক্ত বিদ্যালয় খনৰ মাটি কালি ৪ বিঘা ১০ লেচা মাটিৰ তথ্যপাতি পৰিশিষ্ট "ক" যোগে সদনৰ মেজত দাখিল কৰা হ'ল (See Annexure-III)

(গ) বেচৰকাৰী স্কুলত চৰকাৰে পৰিচালনা সমিটি গঠন কৰা প্রশ্ন নুঠে।

(ঘ) চৰকাৰৰ পৰা বিদ্যালয়লৈ পাঠ্য পুথি যোগান ধৰা হৈছে। চালান নং ১৫৭২, বুক নং ৩২।

(ঙ) বর্ত্তমান বিদ্যালয়ত পঞ্চম শ্রেণীত- ৩৭ জন

ষষ্ঠ শ্রেণীত - ৩১ জন

সপ্তম শ্রেণীত - ১৫ জন

বেচৰকাৰী স্কুলৰ অভিভাৱকৰ নাম ঠিকনা চৰকাৰৰ হাতত নাই।

বিষয় ঃ A.D.B. ৰ ঋণ।

শ্রীঅনন্ত ডেকাই সুধিছে ঃ

★১৪৭। মাননীয় শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত বিদ্যুৎ সংস্কাৰৰ বাবে A.D.B. পৰা কিমান টকা ঋণ হিচাপে লোৱা হৈছে?

(খ) এই ঋণৰ কোনো চর্ত্ত আছে নেকি? যদি আছে, চর্ত্তাৱলী সমূহ কি কি?

(গ) অসমত বিদ্যুৎ সংস্কাৰৰ পিছত পৰিস্থিতিৰ (বিদ্যুৎ ক্ষেত্রত) উন্নতি হৈছে নে? যদি হৈছে, কি কি ক্ষেত্রত উন্নতি হৈছে?

(ঘ) বিগত পাচোটা বছৰত বিদ্যুৎ মূল্য কেইবাৰ আৰু কি নিৰিখত বৃদ্ধি কৰা হৈছে?

(ঙ) অসমৰ কিমানখন গাঁৱত সম্পূর্ণৰূপে, কিমানখন গাঁৱত আংশিকৰূপে বৈদ্যুতিকৰণ কৰা হৈছে? বিদ্যুৎ বিহীন গাঁৱৰ সংখ্যা ৰাজ্যখনৰ কিমান আৰু এই গাওঁবোৰত কেতিয়া বৈদ্যুতিকৰণৰ ব্যৱস্থা কৰা হব?

(চ) অসমত জলবিদ্যুৎ আৰু তাপ বিদ্যুৎ উৎপাদনৰ সম্ভাৱনা কিমান আৰু ইয়াৰ কিমান খিনি কামত লগোৱা হৈছে?

শ্রীপ্রদ্যুৎ বৰদলৈ (শক্তি মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত বিদ্যুৎ সংস্কাৰৰ বাবে Asian Development Bank (ADB) ৰ পৰা মুঠ ২৫০ নিযুত মার্কিন ডলাৰ অর্থসাহার্য হিচাবে লোৱা হৈছে।

(খ) হয়, আছে। ঋণৰ মুখ্য চর্ত্ত সমূহ Annexure-A ত উল্লেখ কৰা হ'ল। (See Annexure-IV)

(গ) হয়, হৈছে। অসমৰ বিদ্যুৎ খণ্ডৰ সংস্কাৰৰ পিচত ৰাজ্যখনৰ বিদ্যুৎ পৰিস্থিতি পূর্ব্বতকৈ বহু পৰিমাণে উন্নতি ঘটিছে। বিশেষকৈ বিদ্যুৎ যোগান, চিষ্টেম ভল্টেজ (System Voltage), ফ্রিকুয়েন্সি (Frequency) বিতৰণ পদ্ধতি আৰু বিদ্যুৎ সৰবৰাহৰ ক্ষেত্রত

উন্নতি ঘটিছে। তাৰপেৰি ৰাজ্যখনত বিদ্যুতৰ উপলব্ধতা উল্লেখনীয় ভাবে বৃদ্ধি পাইছে। যাৰ ফলত বিদ্যুৎ যোগানত সুস্থিৰতা আহিছে।

(ঘ) বিগত ৫ বছৰত মুঠ ৪ বাৰ বিদ্যুতৰ মূল্য বৃদ্ধি কৰা হৈছে। অৱশ্যে বিদ্যুৎ নিৰিখ নির্দ্ধাৰণৰ ক্ষেত্রত এচিয়ান ডেভলপেমেণ্ট বেংকৰ অর্থ সাহার্য্যৰ কোনো পোনপতীয়া সম্বন্ধ নাই। Indian Electricity Act, 2003 ৰ আধাৰত এতিয়া বিদ্যুতৰ নিৰিখ Regulatory Commission এ নির্দ্ধাৰণ কৰে। যদিও যোৱা ৫ বছৰত বিদ্যুতৰ নিৰিখ ৪ বাৰ বৃদ্ধি কৰা হৈছে, সেই বৃদ্ধিৰ হাৰ অতি সামান্যহে। বিশেষকৈ যোৱা বছৰ এই বৃদ্ধিৰ আছিল মাত্র শতকৰা ১.১ (গড় হিচাবত প্রতি Unit ত মাত্র ৫ পইচা) তাৰোপৰি একেবাৰে দুখীয়া বিদ্যুৎ গ্রাহকৰ ক্ষেত্রত (জীৱন ধাৰা আঁচনিৰ অধীনত) কোনো বৃদ্ধি হোৱা নাই।

সবিশেষ তথ্য (Annexure-II) উল্লেখ কৰা হ'ল। (See Annexure-V)

(ঙ) অসমৰ সর্ব্বমুঠ ১৮,৫১৭ খন ২০০১ চনৰ পিয়লভুক্ত গাঁৱত বৈদ্যুতিকৰণ কৰা হৈছে। তাৰে ১২,৯৪১ খন গাঁৱৰ অংশ বিশেষত বৈদ্যুতিকৰণ কৰিবলৈ বাকী আছে। বৈদ্যুতিকৰণ কৰিবলৈ বাকী থকা গাঁৱৰ সংখ্যা মুঠ ৬,৬০৩ খন। কেন্দ্রীয় চৰকাৰৰ অধিসূচনা মর্মে ২০০৯ চনৰ ভিতৰত অসমৰ সমূহ গাওঁ বৈদ্যুতিকৰণ কৰিবলৈ পৰিকল্পনা আছে।

(চ) অসমত জলবিদ্যুৎ উৎপাদনৰ ক্ষমতা প্রায় ৫৪১ মেগাৱাট বুলি বর্ত্তমানলৈ ঠাৱৰ কৰা হৈছে। ইয়াৰে ১০২ মেগাৱাট বর্ত্তমানলৈ উৎপাদন কৰা হৈছে। তাপ বিদ্যুতৰ ক্ষেত্রত প্রাকৃতিক গেচ আৰু কয়লাৰ যোগান সুনিশ্চিত হলে ২০০০ মেগাৱাটলৈ বিদ্যুৎ উৎপাদন কৰিব পৰা যাব।

বিষয় ঃ ৰান্ধনী শালৰ ব্যয়।

শ্রীঅভিজিত হাজৰিকাই সুধিছে ঃ

★১৪৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) Elementary Education Scheme ৰ অধীনত ৰান্ধনীশাল বনোৱাৰ বাবে প্ৰতি স্কুলত কিমান টকাকৈ আৱণ্টন দিয়া হৈছে? অসমৰ কিমান ঠাইত এই আঁচনি চলি আছে? এই আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত ব্যাপক দুৰ্নীতিৰ অভিযোগ উঠাৰ সম্পৰ্কত চৰকাৰে প্ৰতিৰোধৰ বাবে কি কি ব্যৱস্থা লৈছে?

(খ) এই কাম সমূহ কাক কাক কেনেধৰণে আবণ্টন দিছে?

(গ) Sub-Contractor য়ে এই আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত ব্যাপক দুৰ্নীতি কৰা কথাটো সত্যনে?

(ঘ) যদি সত্য, চৰকাৰে এনে অনিয়মৰ বিৰুদ্ধে কোনো ব্যৱস্থা নোলোৱাৰ কাৰণ কি?

(ঙ) এই আঁচনিখন ৰূপায়ণৰ সম্পৰ্কে বিতং তথ্য সদনৰ মেজত দাখিল কৰিবনে?

শ্ৰীৰিপুন বৰা (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) প্ৰাথমিক শিক্ষাৰ মধ্যাহ্ন ভোজন আঁচনিৰ অধীনত প্ৰতিখন বিদ্যালয়ত ৰান্ধনি তথা ভড়াল গৃহ নিৰ্মাণৰ বাবে মুঠ ৬০,০০০ টকাকৈ ধাৰ্য্য কৰা হৈছে যদিও এই ধনৰ ভিতৰত (১) এজেঞ্চী সেৱা ভাট্টা তিনি শতাংশ (২) ভেট চাৰি শতাংশ আৰু (৩) আয়কৰ নিয়ম অনুসাৰে ধাৰ্য্য কৰা আছে। অসমৰ সকলো জিলা সামৰি ১৩৭ টা শিক্ষাখণ্ডত এই আঁচনি চলি আছে। আঁচনিখনৰ ৰূপায়ণৰ ক্ষেত্ৰত দুৰ্নীতিৰ অভিযোগ বিভাগে পোৱা নাই। অভিযোগ পালে উপযুক্ত ব্যৱস্থা লোৱা হ'ব।

(খ) ৰান্ধনি তথা ভড়ালগৃহ নিৰ্মাণৰ বাবে অসম ৰাজ্যিক গৃহ নিৰ্মাণ পৰিষদক (Housing Board) মুঠ ১৫,২৬৯ খন অসম ৰাজ্যিক গৃহ নিৰ্মাণ সমবায় ফেডাৰেচন লিমিটেড (Housefed) ক ১৪,৭৯৮ খন বিদ্যালয়ৰ কামৰ আবণ্টন দিয়া হৈছে।

(গ) এই আঁচনি ৰূপায়ণৰ দায়িত্ব চৰকাৰে কোনো ঠিকাদাৰৰ হাতত

ন্যস্ত কৰা নাই, সেয়েহে কোনো Sub Contractor য়ে দুর্নীতি কৰাৰ প্ৰশ্ন নুঠে।

(ঘ) প্ৰশ্ন নুঠে।

(ঙ) এই আঁচনিখন ৰূপায়ণ সম্পৰ্কত বিতং তথ্য সদনৰ মেজত দাখিল কৰা হ'ল। (পৰিশিষ্ট 'ক' আৰু 'খ')

বিষয় ঃ খালী পদৰ সংখ্যা।

শ্ৰীলিয়াকত আলীখানে সুধিছে ঃ

☆১৪৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাত এল, পি/এম, ই আৰু হাইস্কুলৰ খালী হৈ থকা পদৰ সংখ্যা কিমান?

(খ) তাৰে চেঙা সমষ্টিত কিমান?

(গ) উক্ত পদ সমূহ কিমান দিনৰ ভিতৰত পূৰণ কৰিব?

(ঘ) বেচৰকাৰী স্কুল সমূহ চৰকাৰীকৰণ কৰা হব নে?

শ্ৰীৰিপুন বৰা (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বৰপেটা জিলাত খালী হৈ থকা পদৰ সংখ্যা তলত উল্লেখ কৰা ধৰণে-

এল, পি, স্কুলত-	৫৫১ টা
এম, ই, স্কুলত -	২০২ টা
চতুৰ্থ শ্ৰেণীত -	২৩ টা
হাইস্কুলত -	৪৩১ টা

(খ) তাৰে চেঙা সমষ্টিত খালী হৈ থকা পদৰ সংখ্যা তলত দিয়া ধৰণে-

এল, পি, স্কুলত -	৬০ টা
এম, ই, স্কুলত -	২৩ টা

চতুর্থ শ্রেণীত - ২ টা

হাইস্কুলত - ৩৬ টা

(গ) বিত্ত বিভাগৰ যাৱতীয় অনুমোদন আৰু উচ্চ ন্যায়ালয়ত অ, বি, বি, শিক্ষকৰ চাকৰি নিয়মীয়াকৰণ সংক্রান্তীয় বিচাৰধীন গোচৰ চূড়ান্ত মীমাংসা হলেই চৰকাৰৰ নীতি অনুসৰি এই খালী পদ সমূহ পূৰণ কৰা হ'ব।

হাইস্কুলৰ খালী হৈ থকা পদ সমূহ মহামান্য উচ্চ ন্যায়ালয়ৰ লেখ আবেদন WP(C) নং ৫৩৪১/২০০৫ আৰু WP(C) নং ৭১০৪/২০০৫ নিস্পত্তি নোহোৱালৈ নিযুক্তি বন্ধ ৰখা হৈছে।

(ঘ) বেচৰকাৰী প্রাথমিক বিদ্যালয় আৰু স্বীকৃতিপ্রাপ্ত মধ্য ইংৰাজী বিদ্যালয় প্রাদেশীকৰণ কৰাৰ ও বেচৰকাৰী হাইস্কুল সমূহৰ প্রাদেশীকৰণৰ কোনো সিদ্ধান্ত লোৱা হোৱা নাই।

বিষয় ঃ খালী পদৰ সংখ্যা।

ড° মনোৰঞ্জন দাসে সুধিছে ঃ

★১৫০। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ প্রাথমিক আৰু মাধ্যমিক শিক্ষানুষ্ঠান সমূহত বর্ত্তমান কিমান সংখ্যক চতুর্থ বর্গৰ, তৃতীয় শ্রেণীৰ আৰু শিক্ষকৰ পদ খালী আছে?

(খ) ইয়াৰ ভিতৰত ভৱানীপুৰ সমষ্টিৰ প্রাথমিক আৰু মাধ্যমিক শিক্ষানুষ্ঠান সমূহৰ এনে খালী পদৰ তথ্য শিক্ষানুষ্ঠানৰ নাম সহ বিতং ভাৱে জনাব?

(গ) এই খালি পদ সমূহ পূৰণৰ অবিহনে শিক্ষাৰ প্রসাৰ আৰু বিকাশ সম্ভৱ নে?

(ঘ) যদি সম্ভৱ নহয়, তেতিয়া হলে চৰকাৰৰ বাস্তৱ ব্যৱস্থা কি? এই পদ সমূহ পূৰণৰ ক্ষেত্রত চৰকাৰে কি ব্যৱস্থা লব জনাবনে?

শ্রীৰিপুন বৰা (শিক্ষা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ প্ৰাথমিক আৰু মাধ্যমিক শিক্ষানুষ্ঠানত বৰ্ত্তমান শিক্ষকৰ খালি পদ এনে ধৰণৰ-

(১) প্ৰাথমিক বিদ্যালয়- ৭৪৬৬ টা

(২) মধ্য ইংৰাজী আৰু মজলীয়াত - ৪১১২ টা

(৩) চতুৰ্থ শ্ৰেণীৰ- ৬৩৬ টা

(৪) মাধ্যমিক বিদ্যালয়ত (শিক্ষকৰ) - ৫০৬৯ টা

(৫) মাধ্যমিক বিদ্যালয়ৰ (তৃতীয় শ্ৰেণীৰ)- ৭০৫ টা

(৬) মাধ্যমিক বিদ্যালয়ৰ (চতুৰ্থ শ্ৰেণীৰ)- ২৫৯ টা

(খ) ভৱানীপুৰ সমষ্টিত -

১। প্ৰাথমিক বিদ্যালয়ত - ৬০ টা

২। মধ্য ইংৰাজী বিদ্যালয়ত - ১২ টা

৩। চতুৰ্থ শ্ৰেণীৰ - ১ টা

৪। মাধ্যমিক বিদ্যালয়ত - ৩৭ টা

তালিকা সদনৰ মেজত পৰিশিষ্ট "ক" দাখিল কৰা হ'ল।
(See Annexure-VI)

(গ) বৰ্ত্তমান কৰ্মৰত শিক্ষকৰ দ্বাৰা শিক্ষাৰ কাম চলাই থকাৰ বাবে শিক্ষা বিকাশত কোনো বাধা অহা নাই।

(ঘ) পদ পূৰণৰ ব্যৱস্থা লৈ থকা হৈছে। অৱশ্যে, কিছু ক্ষেত্ৰত আদালতৰ গোচৰ মীমাংসা নোহোৱালৈ পদ পূৰণ স্থগিত থাকিব।

বিষয় ঃ বিদ্যুৎ গ্ৰাহকৰ সংখ্যা ।

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ

★১৫১। মাননীয় শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনৰ বৰ্ত্তমান সৰ্বমুঠ কিমানজন বিদ্যুৎ ব্যৱহাৰ কৰা গ্ৰাহক আছে? (ঘৰুৱা অৰ্থাৎ ব্যক্তিগত আৰু ৰাজহুৱা অথবা ব্যৱসায় প্ৰতিষ্ঠান বেলেগে দেখুৱাব)

(খ) উক্ত গ্রহক সকলৰ কিমান জনে বর্ত্তমান ডিজিটেল মিটাৰ ব্যৱহাৰ কৰাৰ সুবিধা পাইছে?

(গ) বর্ত্তমান ডিজিটেল মিটাৰৰ সংযোগ বন্ধ হৈ আছে নেকি?

শ্রীপ্রদ্যুৎ বৰদলৈ (শক্তি বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) প্রাপ্ত তথ্য অনুযায়ী অসমত মুঠ বিদ্যুৎ গ্রাহকৰ সংখ্যা ১৪,৬২,৮২৩। তাৰে ১২,৬৪,৯৪৬ গৃহস্থি (Domestic) আৰু ১,৪৬,৭৯২ ব্যৱসায়িক (Commercial)

(খ) Assam Power Sector Development Project ৰ অধীনত ইংৰাজী ২৯-২-২০০৮ চনলৈকে মুঠ ১,৭৫,৯২৭ জন গ্রাহকক ডিজিটেল মিটাৰ সংযোজিত হৈছে।

(গ) ডিজিটেল মিটাৰ সংযোগৰ কাম বর্ত্তমানেওঁ চলি আছে।

বিষয় ঃ আঁচনি আৰু ব্যক্তিগত বিনিয়োগকাৰী।

শ্রীহিৰেণ কুমাৰ দাসে সুধিছে ঃ

★ ১৫২। মাননীয় উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) মাননীয় মুখ্য মন্ত্রীৰ স্ব-নিয়োজন যোজনাৰ অধীনত বর্ত্তমানলৈকে কিমান গৰাকী নিবনুৱা যুৱক-যুৱতীক ৰাজ্যৰ বাহিৰলৈ উদ্যোগীক প্রশিক্ষণৰ বাবে পঠিয়ালে? (ৰাজ্য আৰু উদ্যোগ সমূহৰ সৈতে প্রশিক্ষিত লোকৰ তালিকা দিব)

(খ) কর্মজ্যোতি আঁচনিখনৰ জৰিয়তে বর্ত্তমানলৈকে কিমানজন শিপিনী আৰু হস্তুতাঁত শিল্পী সকলক সাহায্য প্রদান কৰিলে? দৰংত কিমানজন উপকৃত হ'ল? (দৰংৰ সাহায্য পোৱা লোক সকলৰ সামগ্রীৰ সৈতে তালিকা, ঠিকনাসহ সদনৰ মেজত দিব)

(গ) দৰং জিলাত ২০০৫-০৬ বর্ষৰ পৰা বর্ত্তমানলৈকে কিমান জনে PMRY ঋণ লাভ কৰিলে? এই ধনেৰে কি কি Small Scale Industries গঢ়িলে? (PMRY) ঋণ পোৱা লোকৰ নামৰ

বিপৰীতে SSI বোৰৰ নামৰ তালিকা সদনত দিব)

(ঘ) ৰাজ্যখনলৈ ব্যক্তিগত বিনিয়োগকাৰীক আমন্ত্রণ জনোৱাৰ বাবে ভাৰতৰ কোন কোন ৰাজ্য আৰু বিদেশৰ কোন কোন ঠাইৰ সৈতে যোগা-যোগ কৰা হ'ল? ইয়াৰ ফলাফল কেনেকুৱা হল বিতংকৈ জনাব?

(ঙ) যোৱা ৫ বছৰত চৰকাৰী /বেচৰকাৰী কেইখন বাণিজ্য মেলা গুৱাহাটীত অনুষ্ঠিত হ'ল? ইয়াৰ পৰা চৰকাৰৰ লাভ হলনে লোকচান হ'ল? (লাভ বা লোকচানৰ হিচাবটো দিব)

শ্রীপ্রদ্যুৎ বৰদলৈ (উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ১,২৫৪ জন প্রশিক্ষনৰ বাবে পঠিওৱা ৰাজ্য আৰু উদ্যোগ সমূহৰ লগত প্রশিক্ষিত সকলৰ তালিকা (পৰিশিষ্ট) 'ক' দিয়া হ'ল।

(খ) ২০০৫-০৬ ত মুখ্যমন্ত্রীৰ কর্মজ্যোতি আঁচনিৰ জৰিয়তে ৫০ টা বিধান সভাৰ সমষ্টিৰ মুঠ ১,০৬,৩০৬ গৰাকী শিপিনী আৰু ২,৭৪২ গৰাকী হস্ততাঁত শিল্পী লৈ সাহার্য্য প্রদান কৰা হয়।

উক্ত কালত দৰং জিলাৰ দুই সমষ্টি ক্রমে, মঙ্গলদৈ (অ,জা) আৰু ছিপাঝাৰ সমষ্টি উক্ত আঁচনিৰ অধীনত লোৱা হয়, এই দুই সমষ্টিত মুঠ (৪০০০) গৰাকী শিপিনী আৰু (১০০) গৰাকী হস্ততাঁত শিল্পী লৈ সাহার্য্য প্রদান কৰা হয়। তালিকা (পৰিশিষ্ট 'খ' গাঠি দিয়া হ'ল। (See Annexure-VII)

(গ) ২৭৪ জনে PMRY ঋণ লাভ কৰিছে। ইয়াৰ ভিতৰৰ ৪৪ জনে বিভিন্ন Small Scale Industries গঢ়িছে (পৰিশিষ্ট গ তালিকাত গাঠি দিয়া হ'ল। (See Annexure-VIII)

(ঘ) (১) ২০০০ চনৰ ১০ আৰু ১১ এপ্রিলৰ নতুন দিল্লীত উত্তৰ পূৰ বাণিজ্য সন্মিলন।

(২) ২০০৭ চনৰ ১ অক্টোবৰৰ পৰা ৪ অক্টোবৰলৈ North East India Investment opertunity সপ্তাহ বেংককত অনুষ্ঠি কৰা হয়।

এই সম্পর্কে তথ্য এখন পৰিশিষ্ট 'ঘ' ত দিয়া হ'ল। (See Annexure-IX)

(৩) মাননীয় মুখ্য মন্ত্রীৰ লগত চৰকাৰী বিষয়াৰ এটি গোটে ২০০৭ চনৰ ২৭ জুনৰ পৰা ৯ জুলাইলৈ আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইংলেণ্ড ভ্ৰমন।

(ঙ) তথ্য ভিত্তিত চৰকাৰী ভাবে এখনো হোৱা নাই আৰু বেচৰকাৰী ভাবে ১৩ খন অনুষ্ঠিত হৈছে। ইয়াৰফলত জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধি পাইছে।

Sub. : Enrollment of Students.

Dr. Alaka Sarma asked :

★153. Will the Minister of Education be pleased to state :

(a) How many students are enrolled at Higher Secondary level under SEBA? (kindly give streamwise break up, clearly indicating whether the students are enrolled in a School or College).

(b) How many institutions offer Higher Secondary level education to students at School level? How namy High Schools are upgraded to offer higher secondary level education? (kindly give streamwise break up, clearly indicating how many students are enrolled in each institution at 11th and 12th level classes and how many teachers are engaged by each institution)

(c) Of the total teachers engaged at Higher Secondary level, how many are provincialised and how many are not?

(d) What is the policy of Government of Assam regarding granting new permission to start Higher Secondary Classes by High Schools?

Sri Ripun Bora (Minister Education) replied :

(a) The Total Nos. of students enrolled at Higher Secondary level is 3,34,292.

A statement showing stream wise break up is appended herewith as Annexure-A.

(See Annexure-X)

(b) The total Nos. of permitted institution offering Higher Secondary level education is 604.

Stream	No. of HSS
Arts -	359
Science -	52
Commerce -	88
Arts & Science -	72
Arts & Vocational -	37
Science & Vocational -	05
Science & Commerce -	02
Arts & Commerce -	08
Arts & Science & Voc. -	43
Arts, Science & Com. -	05
Arts, Sc. Com. & Voc. -	13
Total =	604

No. of Students in HS 1st year	=	1,68,566
No. of students in HS 2nd year	=	1,65,726
Total Nos. of students	=	3,34,292

Two statements showing the school wise and class wise enrollment both in 11th and 12th are appended herewith as Annexure - B & C. (See Annexure - XI)

(c) Nos. teachers engaged in provincialised institution

as follows :

(i) H.S. School	=	5,066
(ii) College with +2 level	=	6,900
(iii) Junior College	=	763
Total	=	12,729

In case of private schools records are not available.

(d) As per section 4 & 8 of "The Assam Non-Govt. Educational Institutions (Regulation and Management) Act. 2006 "and rule 3 of "The Assam Non-Govt. Educational Institutions (Regulation and Management) Rule, 2007" the action on granting new permission has been started.

বিষয় ঃ ৰান্ধনি ঘৰ।

শ্রীৰনজিৎ দত্তই সুধিছে ঃ

★১৫৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) সৰ্ব্বশিক্ষা মিচনৰ যোগেদি অসম চৰকাৰৰ Housing Board আৰু Housefed য়ে নির্মাণ কৰা মধ্যাহ্ন ভোজনৰ ৰান্ধনি ঘৰৰ প্রকৃত মূল্য কিমান?

(খ) উক্ত ৰান্ধনি ঘৰ সমূহৰ Details estimate আৰু Drawingৰ প্রতিলিপি সদনৰ মেজত দাখিল কৰিবনে?

শ্রীৰিপুন বৰা (শিক্ষা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) সর্বশিক্ষা মিচনৰ যোগেদি কোনো ধৰণৰ মধ্যাহ্ন ভোজনৰ ৰান্ধনিঘৰ নির্মাণ কৰা হোৱা নাই। অৱশ্যে কেন্দ্রীয় চৰকাৰৰ মধ্যাহ্ন ভোজন আঁচনিৰ জৰিয়তে প্রাথমিক বিদ্যালয়ত অসম ৰাজ্যিক গৃহ নির্মাণ পৰিষদ (Housing Board) আৰু অসম ৰাজ্যিক গৃহ নির্মান সমবায় ফেডাৰেচন লিমিটেড (Housefed) ক নির্মাণ কৰিবলৈ দিয়া ৰান্ধনি ও ভড়ালঘৰৰ প্রকৃত মূল্য ৬০,০০০ (ষাঠি হেজাৰ) টকা। অৱশ্যে এই ধনৰ ভিতৰত (১) এজেঞ্চী সেৱা ভাট্টা তিনি

শতাংশ (২) ভেট চাৰি শতাংশ আৰু (৩) আয়কৰ নিয়ম অনুসাৰে ধার্য্য কৰা আছে।

(খ) উক্ত ৰান্ধনি ও ভড়াল গৃহৰ Detail estimate আৰু Drawing ৰ প্ৰতিলিপি সদনৰ মেজত দাখিল কৰা হ'ল। (পৰিশিষ্ট 'ক' - 'খ') (See Annexure-XII)

বিষয় ঃ খালী পদৰ সংখ্যা।

শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতাই সুধিছে ঃ

★১৫৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনৰ মহাবিদ্যালয়, উচ্চতৰ, উচ্চ মাধ্যমিক, এম, ই, আৰু এল, পি স্কুল সমূহৰ খালী হৈ থকা পদৰ সংখ্যা কিমান?

(খ) উক্ত পদ সমূহ পূৰণৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে আৰু কেতিয়াকৈ উক্ত পদ সমূহ পুৰণৰ ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব?

(গ) ২০০৭-০৮ চনত ভেঞ্চাৰ উচ্চ মাধ্যমিক, এম, ই ও এল, পি স্কুল সমূহক নতুনকৈ বিত্তীয় সাহার্য্য দিয়াৰ বাবে এতিয়ালৈকে বাছনিৰ ব্যৱস্থা গ্ৰহণ নকৰাৰ কাৰণ কি?

(ঘ) ২০০৮ চনৰ মার্চৰ ভিতৰত বিদ্যালয় বাছনি কৰি বিত্তীয় সাহার্য্য দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিবনে?

(ঙ) বিত্তীয় সাহার্য্য প্ৰাপ্ত উচ্চ মাধ্যমিক, এম, ই আৰু এল, পি স্কুল সমূহক ২০০৮-০৯ চনত প্ৰাদেশীকৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব নে?

শ্ৰীৰিপুন বৰা (শিক্ষা বিভাগৰ মাননীয় মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্যখনৰ বিভিন্ন পর্য্যায়ৰ শিক্ষানুষ্ঠানত খালী পদৰ সংখ্যা এনে ধৰণৰ ঃ

(১) মহাবিদ্যালয়ত ঃ শিক্ষক- ৭১৩ টা

কর্মচাৰী- ৩৮২ টা

(২) উচ্চতৰ আৰু উচ্চ মাধ্যমিক বিদ্যালয়ত ঃ - ৭,৪৩৯ টা

(৩) প্ৰাথমিক বিদ্যালয় পর্য্যায়ত ঃ শিক্ষক- ১১,৫৭৮ টা

কর্মচাৰী (চতুর্থশ্রেণী) ৬৩৬ টা

(প্ৰাথমিক বিদ্যালয়ত ৭,৪৬৬ টা, মধ্য ইংৰাজী বিদ্যালয়ত ২,৮২৪ টা আৰু মজলীয়া বিদ্যালয়ত ১,২৮৮ টা শিক্ষকৰ পদ আৰু প্ৰাথমিক বিদ্যালয়ত ১৫ টা আৰু মজলীয়া আৰু মধ্য ইংৰাজী বিদ্যালয়ত ৬২১ টা চতুর্থ শ্রেণীৰ)

(খ) পদপূৰণৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। অৱশ্যে বহুক্ষেত্ৰত আদালতত গোচৰ চলি থকা বাবদ গোচৰ নিষ্পত্তি হোৱালৈ অপেক্ষা কৰিব লাগিব।

(গ) বাছনিকৰণ প্ৰক্ৰিয়া চলি আছে।

(ঘ) মার্চ মাহৰ ভিতৰত সংমোদন দিয়াৰ ব্যৱস্থা লোৱা হৈছে।

(ঙ) এতিয়ালৈ কোনো সিদ্ধান্ত লোৱা হোৱা নাই।

বিষয় ঃ বি, পি, এল, কার্ড।

শ্ৰীৰছুল হকে সুধিছে ঃ

★১৫৬। মাননীয় খাদ্য, অসামৰিক যোগান ও উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত মুঠ কিমানজন দৰিদ্ৰ সীমাৰেখাৰ তলত (বি, পি, এল) তালিকাভুক্ত লোক আছে? (জিলা ভিত্তিত তালিকা দাখিল কৰিব)

(খ) তেওঁলোকক গাইপতি বা পৰিয়াল ভিত্তিত কিমান পৰিমানৰ আৰু কি কি সামগ্ৰী যোগান ধৰা হয়? (জিলা ভিত্তিত তালিকা দাখিল কৰিব)

(গ) নতুনকৈ দৰিদ্ৰ সীমাৰেখাৰ (বি, পি, এল) তলৰ সদস্যৰ তালিকা ভুক্তিৰ বাবে বিভাগে ব্যৱস্থা লৈছে নে?

(ঘ) যদি লোৱা নাই, কেতিয়া লোৱা হব?

(ঙ) আগন্তুক বিত্তীয়বর্ষ ২০০৮-০৯ বর্ষত বি, পি, এল ৰাইজৰ সুবিধার্থে নতুনকৈ সুলভ মূল্যৰ দোকান আৰু কেৰাচিন তেলৰ এজেণ্ট নিয়োগৰ কিবা ব্যৱস্থা লোৱা হৈছে নেকি?

(চ) যদি লৈছে, কিমান দিনৰ ভিতৰত এই বোৰৰ লাইচেন্স দিয়া হব?

(ছ) যদি লোৱা হোৱা নাই, লোৱাৰ ব্যৱস্থা কৰিবনে?

ডাঃ নজৰুল ইছলাম (খাদ্য অসামৰিক যোগান ও উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত মুঠ ১৯,০৬,০০০ টা পৰিয়াল দৰিদ্র সীমাৰেখাৰ তলত তালিকাভূক্ত হৈছে। ইয়াৰে ১২,০২,০০০ বি, পি, এল আৰু ৭,০৪,০০০ টা পৰিয়াল AAY ৰ অধীনত আছে (জিলা ভিত্তিত তালিকা সংলগ্ন (ক)ত দিয়া হ'ল। (See Annexure-(XIII)

(খ) বর্ত্তমান বি, পি, এল পৰিয়ালক, পৰিয়াল প্রতি মাহেকত ৩২.৯৫ কেজি আৰু AAY পৰিয়ালক মাহেকত ৩৫ কেজিকৈ চাউল দি থকা হৈছে। ইয়াৰ লগতে চেনি জনমূৰি গড়ে ৬৮৬ গ্রাম, কেৰাচিন তেল পৰিয়ালে প্রতি গড়ে ৪.৫ লিটাৰ, আটা জনমূৰি গড়ে ৫০০ গ্রামকৈ আৰু নিমখ পৰিয়ালে প্রতি ২/৩ কেজিকৈ দি থকা হৈছে।

(গ) বর্ত্তমানলৈকে লোৱা হোৱা নাই।

(ঘ) কেন্দ্রীয় চৰকাৰৰ পৰা অতিৰিক্ত আৱণ্টন পোৱাৰ পাছতহে লব পৰা যাব।

(ঙ) কোনো ব্যৱস্থা লোৱা হোৱা নাই।

(চ) প্রশ্ন নুঠে।

(ছ) প্রশ্ন নুঠে।

বিষয় ঃ ৰাজহুৱা বিতৰণৰ দুর্নীতি।

শ্রীউদ্ধৱ বর্মনে সুধিছে ঃ

★ ১৫৭। মাননীয় খাদ্য, অসামৰিক যোগান ও উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এই কথা সঁচানে যে সম্প্ৰতিক সময়ছোৱাত ৰাজহুৱা বিতৰন ব্যৱস্থাৰ জৰিয়তে যোগান ধৰা খাদ্য সামগ্ৰীৰ বিৰাট অংশ চোৰাং বজাৰত বিক্ৰী হৈছে?

(খ) যদি সঁচা, তেনেহলে এই ধৰনৰ কিমান টা ঘটনা যোৱা এবছৰত ঘটিছে?

(গ) এইবোৰ ঘটনাত জড়িত সকলক চিনাক্ত কৰা হৈছে নে?

(ঘ) যদি হৈছে, এই ঘটনাত জড়িত সকলৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে? (বিতং তথ্য দিব)

ড়াঃ নজৰুল ইছলাম (খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) সঁচা নহয়।

(খ) বিৰাট অংশ চোৰাং বজাৰত বিক্ৰী হোৱাটো সঁচা নহয়। কিন্তু আংশিক ভাৱে হোৱা অনিয়মৰ বিৰুদ্ধে যোৱা এবছৰত ৰাজ্যখনত ৭২৬ টা গোচৰ ধৰা হৈছে।

(গ) হৈছে।

(ঘ) উক্ত অনিয়মত জড়িত সকলৰ বিৰুদ্ধে আইনমতে গোচৰ ৰুজু কৰা হৈছে। উল্লেখিত ৭২৬ টা গোচৰৰ বিতং তথ্য তলত দিয়া হল।

(১) নীলা কেৰাচিন তেলৰ চোৰাং বেহাৰ ক্ষেত্ৰত ধৃত গোচৰৰ সংখ্যা = ২৪০ টা

(২) ৰন্ধন গেছৰ চোৰাং বেহাৰ ক্ষেত্ৰত ধৃত গোচৰৰ সংখ্যা = ১৮০ টা

(৩) অন্যান্য ৰাজহুৱা বিতৰণ সামগ্ৰীৰ চোৰাং বেহাৰ ক্ষেত্ৰত ধৃত

গোচৰৰ সংখ্যা = ৩০৬ টা

মুঠ = ৭২৬ টা

(৪) গ্ৰেপ্তাৰ কৰা ব্যক্তিৰ সংখ্যা = ১১ জন.

(৫) ৰন্ধন গেছৰ চোৱাং বেহাত ধৃত গোচৰৰ সন্দৰ্ভত জব্দ কৰা মুঠ চিলিণ্ডাৰৰ সংখ্যা = ২,৮১৪ টা

বিষয় ঃ আঁচনি কার্য্যকৰী।

শ্ৰীকমল সিং নার্জাৰীয়ে সুধিছে ঃ

★১৫৮। মাননীয় শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিজনী মহকুমাৰ ৮০ শতাংশ গাঁৱত আজিকোপতি বৈদ্যুতিকৰণ নোহোৱা কথাটো সঁচা নে?

(খ) মহকুমাটোত বর্ত্তমানলৈকে কিমানখন গাঁৱত বৈদ্যুতিকৰণ হৈছে আৰু কিমান খন গাঁৱত বৈদ্যুতিকৰণ নোহোৱাকৈ আছে? (উত্তৰ বিতং তথ্য সহ দিব)

(গ) মহকুমাটোত এতিয়ালৈ বৈদ্যুতিকৰণ নোহোৱাকৈ থকা গাওঁ সমূহত কিমান দিনৰ ভিতৰত বৈদ্যুতিকৰণ হব?

(ঘ) মহকুমাটোত ৰাজীৱ গান্ধী বৈদ্যুতিকৰণ আঁচনি পৰিপূৰ্ণ ৰূপত কার্য্যকৰী হবনে?

(ঙ) যদি হয়, কিমান দিনৰ ভিতৰত এই আঁচনি সম্পূৰ্ণ কার্য্যকৰী হব আৰু ইয়াৰ বাবে উপভোক্তা সকলে কি কি বিভাগত কিমান টকাকৈ ব্যয় ভাৰ বহন কৰিব লাগিব?

শ্ৰীপ্রদ্যুৎ বৰদলৈ (শক্তি বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) কথাটো সঁচা। এই গাওঁ সমূহ ৰাজীৱ গান্ধী গ্ৰামীন বৈদ্যুতিকৰণ যোজনাত অন্তভুক্ত কৰা হৈছে।

(খ) বিজনী ৰাজহ চক্রত বর্ত্তমানলৈকে ১৫২ খন গাওঁত বৈদ্যুতিকৰণ হৈছে আৰু ১৬৬ খন গাওঁত বৈদ্যুতিকৰণ হবলৈ বাকী আছে। (গাৱঁৰ তালিকা অনুচ্ছেদ '১' গাঠি দিয়া হ'ল)। (See Annexure-XIV)

(গ) কেন্দ্রীয় চৰকাৰৰ অধিসূচনা মর্মে ২০০৯ চনৰ ভিতৰত অসমৰ সমূহ গাওঁ বৈদ্যুতিকৰণ কৰাৰ পৰিকল্পনা আছে। বিজনী ৰাজহ চক্রৰ বৈদুতিকৰণ নোহোৱা গাওঁ সমূহো সেই অধিসূচনাৰ আধাৰতে ৰখা হৈছে।

(ঘ) হয়, হব।

(ঙ) ৰাজীৱ গান্ধী গ্রাম্য বৈদ্যুতিকৰণ আঁচনি নতুন দিল্লীত থকা গ্রাম্য বৈদুতিকৰণ নিগমৰ পৰা অনুমোদন আৰু বিত্তীয় আৱণ্টন পোৱাৰ ২৪ মাহৰ ভিতৰত এই আঁচনি কার্য্যকৰী কৰা হব।

ৰাজীৱ গান্ধী বৈদ্যুতিকৰণ আঁচনিৰ অন্তর্গত আটাইবিলাক দৰিদ্র সীমা ৰেখাৰ তলৰ পৰিয়াললৈ বিনামূলীয়াকৈ বিদ্যুৎ সংযোগ দিয়া হব। অৱশ্যে অসম ইলেকট্রিচিটি ৰেগুলেটৰী কমিচনে নির্দ্ধাৰণ কৰি দিয়া বিদ্যুৎ মাচুল বিভিন্ন বিতৰণ কোম্পানী সমূহে বান্ধী দিয়া নিয়ম অনুসৰি উপভোক্তাই বহন কৰিব লাগিব।

দৰিদ্র সীমাৰেখাৰ তলৰ পৰিয়ালৰ বাহিৰে আন উপভোক্তা সকলে বিদ্যুৎ সংযোগ আৰু বিদ্যুৎ মাছুলৰ ব্যয়ভাৰ বিভিন্ন বিতৰণ কোম্পানী সমূহৰ চলিত নিয়ম অনুসাৰে বহন কৰিব লাগিব।

বিষয় ঃ চৰকাৰী স্বীকৃতিপ্রাপ্ত ব্যক্তিগত খণ্ডৰ বিদ্যালয়।

ডাঃ তাৰা প্রসাদ দাসে সুধিছে ঃ

★১৫৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ বর্ত্তমানলৈকে ব্যক্তিগত খণ্ডৰ চৰকাৰী স্বীকৃতিপ্রাপ্ত বিদ্যালয়ৰ সংখ্যা কিমান?

(জিলা ভিত্তিত LP, ME, High School আৰু Higher Secondary স্কুলৰ তথ্য পৃথকে পৃথকে দাখিল কৰিব)

(খ) চৰকাৰী স্বীকৃতি নোপোৱা ব্যক্তিগত খণ্ডৰ বিদ্যালয় সমূহ নিয়ন্ত্রনৰ বাবে চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছেনে?

(গ) যদি লৈছে, কি কি ব্যৱস্থা হাতত লৈছে?

শ্রীৰিপুন বৰা (শিক্ষা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত বর্ত্তমানলৈকে ব্যক্তিগত খণ্ডৰ চৰকাৰী স্বীকৃতি প্রাপ্ত বিদ্যালয় নাই।

(খ) হয়, ব্যৱস্থা লোৱা হৈছে।

(গ) চৰকাৰী স্বীকৃতি নোপোৱা ব্যক্তিগত খণ্ডৰ বিদ্যালয় সমূহ নিয়ন্ত্রনৰ বাবে ইতিমধ্যে "Assam Non-Govt. Educational Institution (Regulation & Management) Act-2006 and Rules 2007 প্রনয়ন কৰা হৈছে।

Sub. : Central Grant.

Shri Sirajuddin Ajmal, asked :

★160. Will the Minister of Education be pleased to State :

(a) What was the amount of Central Grant sanctioned to Assam for Sarva Shiksha Abhiyan (SSA) in the year 2006-2007?

(b) How much of the fund has been utilized so far? (Please furnish in details)

(c) How many out of school children are there yet to be covered under SSA?
(Furnish the data district wise).

(d) Does the department do the rationalization of

teachers with respect of students enrolled? If so, what is the range of teacher student ratio at the moment?

Sri Ripun Bora (Education Minister) replied :

(a) The Govt. of India has sanctioned Rs. 51371.98 lakh as Central grant during the financial year 2006-07.

(b) An amount of Rs. 43927.33 lakh has been utilized by SSA, Assam during the financial year 2006-07. (The detail activity wise expenditure is enclosed in Annexure-A) (See Annexure-XV)

(c) The number of out of school children age group of 6-14 is 339100 are yet to be covered under SSA, Assam. (District wise number of out of school children is enclosed in Annexure-B) (See Annexure-XVI)

(d) Yes,

For Lower Primary --- 37 : 1

For Upper Primary --- 21 : 1

UNSTARRED QUSTIONS AND ANSWERS

বিষয় ঃ বৈদ্যুতিকৰণৰ পৰিকল্পনা।

শ্রীকৰেন্দ্র বসুমতাৰীয়ে সুধিছে ঃ

৩১৩। মাননীয় শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৭০ নং মাজবাট বিধান সভা সমষ্টিৰ ৰাজহ গাওঁ সমূহত সম্পূর্ণ বিজুলী চাকি সংযোগ হৈছেনে? যদি হোৱা নাই, কিমানখন ৰাজহ

গাৱঁত বৈদ্যুতিকৰণৰ কাম বাকী আছে? (বিজুলী চাকি সংযোগ পোৱা গাওঁ আৰু সংযোগ নোপোৱা গাওঁসমূহৰ নামৰ তালিকা সম্পূর্ণ তথ্য সহকাৰে সদনত বিতং ভাবে দাখিল কৰিব)

(খ) গ্রাম্য বৈদ্যুতিকৰণৰ পৰিকল্পনা কি কি?

(গ) ৰাজীৱ গান্ধী বৈদ্যুতিকৰণৰ মাষ্টাৰ প্লেন আছেনে? যদি আছে, কি কি আৰু সম্পাদন কিমান হৈছে?

শ্রীপ্রদ্যুৎ বৰদলৈ (শক্তি মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ৭০ নং মাজবাট বিধানসভা সমষ্টিৰ মাজবাট উন্নয়ন খণ্ড আৰু ওদালগুৰি উন্নয়ন খণ্ডৰ অন্তর্গত ৩৮৯ খন গাঁৱৰ ভিতৰত ৩৫৩ খন গাওঁলৈ বিজুলী চাকি সম্প্রসাৰণ হৈছে আৰু ৩৬ খন গাওঁলৈ বিজুলী চাকিৰ সম্প্রসাৰণ হোৱা নাই।

বিজুলী চাকি সংযোগ পোৱা আৰু সংযোগ নোপোৱা গাওঁ সমুহৰ তালিকা (১) আৰু (২) ত সন্নিবিষ্ট কৰা হ'ল। (See Annexure-XVII)

(খ) গ্রাম্য বৈদ্যুতিকৰণৰ পৰিকল্পনাৰ বিষয়ে সবিশেষ অনুচ্ছেদ (৩) উল্লেখ কৰা হৈছে। (See Annexure-XVIII)

(গ) হয় আছে। এই Master Plan খনৰ বিষয়ে আৰু ইয়াত সন্নিবিষ্ট কার্য্যসমূহৰ সম্পাদনৰ খতিয়ান অনুচ্ছেদ (৪) ত উল্লেখ কৰা হ'ল। (See Annexure - XIX)

বিষয় ঃ ৰান্ধনি গৃহ নির্মাণ।

শ্রীমোবাৰক আলী পাঠানে সুধিছে ঃ

★৩১৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) নগাওঁ জিলাত SSA ৰ অধীনত কিমানখন প্রাথমিক আৰু মজলীয়া বিদ্যালয়ৰ ৰান্ধনি গৃহ নির্মাণৰ বাবে চৰকাৰে ধন মঞ্জুৰ কৰিছে?

(খ) ৮৩ নং ধিং বিধান সভা সমষ্টিৰ কোন কোন বিদ্যালয়ত উক্ত নির্মাণ কার্য্য চলি আছে? (বিদ্যালয়ৰ নাম, নির্মাণৰ Plan

estimate কামৰ অগ্রগতি আদি সম্পর্কে সদনৰ মেজত তথ্য দাখিল কৰিব)

(গ) উক্ত নির্মাণ কার্য্যবোৰ যে আসোঁৱাহপূর্ণ সেই বিষয়ে চৰকাৰ জ্ঞাতনে?

(ঘ) যদি জ্ঞাত, তেন্তে ইয়াৰ বিৰুদ্ধে চৰকাৰে কি ব্যৱস্থা লৈছে আৰু যদি লোৱা নাই, তেন্তে উপযুক্ত ব্যৱস্থা হাতত লবনে?

(ঙ) SSA ৰ অধীনত নির্মাণ কৰা ৰান্ধনি গৃহবোৰ কাৰ জৰিয়তে সম্পন্ন কৰা হৈছে? (বিতং তথ্য দিব)

শ্রীৰিপুন বৰা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) নগাওঁ জিলাত SSA ৰ অধীনত প্রাথমিক আৰু মজলীয়া বিদ্যালয়ত ৰান্ধনি গৃহ নির্মাণৰ বাবে চৰকাৰে ধন মঞ্জুৰ কৰা নাই। অৱশ্যে চৰকাৰে মধ্যাহ্ন ভোজন আঁচনিৰ অধীনত নগাওঁ জিলাত মুঠ ১,৯৯৮ খন প্রাথমিক আৰু মজলীয়া বিদ্যালয়ৰ ৰান্ধনি ও ভড়াল গৃহ নির্মাণৰ বাবে ধন মঞ্জুৰ কৰিছে।

(খ) ৮৩ নং ধিং বিধানসভা সমষ্টিৰ উক্ত নির্মাণ কার্য্য চলি থকা ১৩৪ খন বিদ্যালয়ৰ নাম, নির্মাণৰ Plan estimate আৰু কামৰ অগ্রগতি সম্পর্কে তথ্য সদনৰ মেজত দাখিল কৰা হ'ল। (পৰিশিষ্ট 'ক', 'খ', 'গ')

(গ) এতিয়ালৈ এনে কোনো অভিযোগ পোৱা নাই।

(ঘ) প্রশ্ন নুঠে।

(ঙ) ৰান্ধনিশাল সমূহ Assam State Housing আৰু Housefed ৰ দ্বাৰা নির্মাণ কৰা হৈছে।

Sub. : Posts of Teacher.

Shri Rajendra Prasad Singh, asked :

315. Will the Minister of Education be pleased to state :

(a) Is the Govt. aware of the fact that the several posts

of Teachers are lying vacant in High Schol and Higher Secondary School ?

(b) When the aforeasaid vacancies will be filled up?

(c) When will the transfer and posting of the teachers be opened?

Sri Ripun Bora (Minister Education) replied :

(a) Yes

(b) The process has been initiated and the State Government is eager to complete the process as early as possible.

(c) There has not been a can on such.

বিষয় ঃ IIDC ৰ কাম।

শ্রীভূপেন কুমাৰ বৰাই সুধিছে ঃ

৩১৬। মাননীয় উদ্যোগ ও বাণিজ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বিহপুৰীয়া সমষ্টিৰ বান্দৰদোৱা উদ্যোগিক উন্নয়ন কেন্দ্র (IIDC) ৰ কাম বন্ধ হৈ থকা সম্পর্কে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, উক্ত উদ্যোগিক কেন্দ্রৰ কাম কিমান দিনৰ ভিতৰত আৰম্ভ কৰিবৰ বাবে চৰকাৰে ব্যৱস্থা গ্রহণ কৰিছে?

শ্রীপ্রদ্যুত বৰদলৈ (উদ্যোগ ও বাণিজ্য বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অৱগত নহয়।

(খ) প্রশ্ন নুঠে।

বিষয় ঃ মনোহৰন সমিতিৰ শিক্ষক নিযুক্তি।

শ্রীবিনন্দ কুমাৰ শইকীয়াই সুধিছে ঃ

৩১৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অবিভক্ত দৰং জিলাত মনোহৰন সমিতিৰ আওতাত থকা মজলীয়া বিদ্যালয়ৰ মুঠ ২৮ জন শিক্ষকৰ ভিতৰত মাত্র দুজনৰ চাকৰি কেবিনেটৰ সিদ্ধান্ত মর্মে নিয়মীয়া কৰা কথাটো সঁচানে? যদি সঁচা, বাকী ২৬ জনৰ চাকৰি নিয়মীয়া নোহোৱাৰ কাৰণ কি?

(খ) উক্ত ২৬ জনৰ ভিতৰতে শেহতীয়া ভাবে আৰু এজনৰ চাকৰি নিয়মীয়া কৰা কথাটো সঁচানে? যদি সঁচা, এই ক্ষেত্রত কেবিনেটৰ সিদ্ধান্ত মর্মে নিয়মীয়া কৰা হৈছিলনে? যদি নাই হোৱা, তেনেহলে একে চর্ত্তাৱলীৰ দ্বাৰা বাকী সকলৰ চাকৰি নিয়মীয়াকৰণৰ ব্যৱস্থা কৰা হবনে?

(গ) ২০০১ চনৰ জানুৱাৰী মাহৰ পৰা বর্ত্তমানলৈকে দৰং জিলাৰ প্রাথমিক, মজলীয়া আৰু মধ্য ইংৰাজী বিদ্যালয় সমূহত শিক্ষক নিযুক্তি দিয়া হৈছে নেকি? যদি হৈছে, কিমান কিমান সংখ্যক শিক্ষক নিযুক্তি দিয়া হৈছে? (নিযুক্তিৰ তাৰিখ আৰু বিদ্যালয়ৰ নাম সহ শিক্ষকৰ নাম তালিকা সমষ্টি ভিত্তিত দাখিল কৰিব)

(ঘ) এই নিযুক্তি সমূহ ১৯৯৯ চনৰ শিক্ষক বাছনি আৰু নিযুক্তি বোর্ডৰ দ্বাৰা অনুমোদিত তালিকাত আছিলনে? (তালিকাত থকা মুঠ শিক্ষক পদৰ সংখ্যা সহ নামৰ তালিকা সদনৰ মেজত দাখিল কৰিব)

(ঙ) নিযুক্তিৰ সময়ত এই শিক্ষক সকলৰ কিমান জনৰ বিপৰীতে ৰিটেনচন আছে আৰু কিমান জনৰ নাই? (নামৰ তালিকা সহ সদনৰ মেজত দিব)

(চ) ২০০১ চনত নিযুক্তি প্রাপ্ত আৰু তাৰ কেইমাহমান পিছতেই নিযুক্তি খাৰিজ হোৱা মঙলদৈ মহকুমাৰ অ', বি, বি, শিক্ষক সকলৰ নিযুক্তি বাহাল আৰু পর্য্যায় ক্রমে নিয়মীয়াকৰণৰ ব্যৱস্থা গ্রহণ কৰা

হৈছেনে? যদি হোৱা নাই, ইয়াৰ কাৰণ কি? এই ক্ষেত্ৰত মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কিবা নির্দেশ আছিল নেকি? যদি আছিল, সেই নির্দেশ কার্য্যকৰী কৰা হৈছেনে?

শ্রীৰিপুন বৰা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) সঁচা।

বিষয়টো পৰীক্ষা কৰি চোৱা হব।

(খ) বিষয়টো অনুসন্ধান কৰিবলৈ নির্দেশ দিয়া হৈছে।

(গ) প্রাথমিক বিদ্যালয়ত ৩০ গৰাকী
মজলীয়া বিদ্যালয়ত ১০ গৰাকী
মধ্য ইংৰাজী বিদ্যালয়ত ৮ বৰাকী

(তালিকা সংযোজন 'ক' ত দিয়া হ'ল।) (See Annexure-XX)

(ঘ) শিক্ষক বাছনি আৰু নিযুক্তি বোর্ডৰ পৰা হোৱা নাই। এই নিযুক্তি সমূহ পুতৌমূলক, বেকলগ পুৰণ আৰু শাৰীৰিক ভাবে অক্ষম লোকৰ বাবে দিয়া হৈছিল।

(ঙ) এই নিযুক্তিসমুহ স্থায়ী ৰিটেনচন থকা পদৰ বিপৰীতে দিয়া হৈছিল। (তালিকা সংযোজন 'ক' ত দিয়া হ'ল) (See Annexure-XX)

(চ) ব্যৱস্থা গ্রহণ কৰা হোৱা নাই। অনিয়মীয়া আৰু অতিৰিক্ত নিযুক্তিৰ বাবে। এই সংক্রান্তত মাননীয় উচ্চ ন্যায়ালয়ৰ কোনো প্রত্যক্ষ নির্দেশ নাই।

বিষয় ঃ কেৰাচিন তেলৰ আৱণ্টন।

শ্রীআবু তাহেৰ বেপাৰীয়ে সুধিছে ঃ

৩১৮। মাননীয় খাদ্য, অসামৰিক যোগান ও উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ধুবুৰী মহকুমাত মুঠ কেৰাচিন তেলৰ আৱণ্টন কিমান?

(খ) কোন চনৰ Census অনুযায়ী কেৰাচিনকে ধৰি অন্যান্য সুলভ মূল্যৰ সামগ্ৰীৰ আৱণ্টন দি আছে?

(গ) ধুবুৰী মহকুমাৰ গাওঁ আৰু চহৰ এলেকাত (ধুবুৰী আৰু গৌৰীপুৰ চহৰ) জনমুৰি কিমানকৈ কেৰাচিন তেল দি আছে? চহৰ দুখনৰ জনসংখ্যা সেইমতে কিমান কিমান আৰু গ্ৰাম্য এলেকাৰ মুঠ জনসংখ্যা কিমান?

(ঘ) গ্ৰাম্য এলেকাত জনে প্ৰতি কিমান লিটাৰকৈ কেৰাচিন সমবায় সমিতিৰ জৰিয়তে বিতৰণ কৰিবলৈ আৱণ্টন দিছে? চহৰ এলেকাত জনে প্ৰতি কিমান লিটাৰকৈ কেৰাচিন তেল সুলভ মূল্যৰ দোকানৰ জৰিয়তে বিতৰণ কৰিবলৈ আৱণ্টন দিছে?

(ঙ) চৰকাৰৰ নীতি অনুযায়ী ৭০% Ration Card ৰ জৰিয়তে আৰু বাকী ৩০ শতাংশ অন্যান্য ব্যৱস্থা যেনে 'হকাৰ'ৰ জৰিয়তে দিয়া নিয়ম আছে? সেই নিয়ম মতে আৱণ্টন দিছে নে? যদি দিয়া নাই, কিয় আৰু কেতিয়াৰ পৰা দিয়া হব অনুগ্ৰহ কৰি জনাবনে?

(চ) অসমৰ ভিন ভিন মহকুমাত কোন চনৰ Population মতে কিমান কেৰাচিন তেল আৱণ্টন দিছে? তেওঁলোকৰ Population ৰ তালিকা মতে আৱণ্টনৰ সমবিতৰণ হৈছেনে?

ডাঃ নজৰুল ইছলাম (খাদ্য অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ধুবুৰী মহকুমাত কেৰাচিন তেলৰ মাহেকীয়া আৱণ্টন ৫১৩ মেট্ৰিক টন।

(খ) ২০০১ চনৰ লোকপিয়ল অনুযায়ী কেৰাচিন তেলকে ধৰি অন্যান্য সুলভ মূল্যৰ সামগ্ৰীৰ আৱণ্টন দি থকা হৈছে।

(গ) ধুবুৰী মহকুমাত গাওঁ অঞ্চলত জনমুৰী ৪৫০ মিঃ লিঃ আৰু চহৰ অঞ্চলত (ধুবুৰী আৰু গৌৰীপুৰ) জনমুৰী ১.২৫ লিঃ কৈ কেৰাচিন

তেল দি থকা হৈছে। চহৰ দুখনৰ জনসংখ্যা ধুবুৰী ১,২০,৪১৫ জন, আৰু গৌৰীপুৰত ৪৫,০৩৫ জন আৰু গ্ৰাম্য এলেকাৰ জনসংখ্যা হল ৫,২৬,২৭৮ জন।

(ঘ) 'গ' প্ৰশ্নত উল্লেখ কৰা হৈছে।

(ঙ) চৰকাৰৰ নীতি অনুযায়ী ৭০ শতাংশ মূল্যৰ দোকানৰ জৰিয়তে আৰু ৩০ শতাংশ হকাৰ/খুচুৰা বিক্ৰেতাৰ জৰিয়তে বিতৰণ কৰি থকা হৈছে।

(চ) অসমৰ ভিন ভিন মহকুমাত ২০০১ চনৰ জনসংখ্যা অনুযায়ী কেৰাচিন তেলৰ আৱণ্টন দি থকা হৈছে আৰু সকলো মহকুমাতে প্ৰায় সমবিতৰণ কৰা হৈছে।

বিষয় ঃ ছাচ্ছাৰ কমিটিৰ প্ৰতিবেদন।

শ্ৰীহাফিজ বছিৰ আহমেদে, সুধিছে ঃ

৩১৯। মাননীয় সংখ্যালঘু উন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ন্যায়ধীশ ৰাজেন্দ্ৰ ছাচ্ছাৰ কমিটিৰ প্ৰতিবেদনত আগবঢ়োৱা পৰামৰ্শৰলী অসমত ৰূপায়িত কৰাৰ ক্ষেত্ৰত অসম চৰকাৰে কিবা ব্যৱস্থা হাত লৈছেনে?

(খ) যদি লোৱা নাই, তেন্তে উক্ত প্ৰতিবেদনৰ পৰামৰ্শৰলীৰ ওপৰত চৰকাৰে কেনেধৰণৰ ব্যৱস্থা লব?

ডাঃ নজৰুল ইছলাম (সংখ্যালঘু উন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ন্যায়াধীশ ৰাজেন্দ্ৰ ছাছাৰ কমিটি ভাৰত চৰকাৰে নিয়োগ কৰা এখন উচ্চ পৰ্য্যায়ৰ উচ্চ ক্ষমতা সম্পন্ন কমিটি। এই কমিটিয়ে ভাৰত চৰকাৰক ইতিমধ্যে প্ৰতিবেদন দখিল কৰিছে। উক্ত কমিটিৰ প্ৰতিবেদনৰ পৰামৰ্শৰলীৰ আধাৰত ভাৰত চৰকাৰে ঘোষণা কৰা ব্যৱস্থা সমূহ/আঁচনি সমূহ আমাৰ চৰকাৰে ৰূপায়ণ কৰিবলৈ

প্রতিশ্রুতিবদ্ধ। পৰামর্শ সমূহ নিজাবৰীয়াকৈ ৰূপায়িত কৰাৰ ব্যৱস্থা লোৱা হোৱা নাই।

(খ) উক্ত প্রতিবেদনৰ পৰামর্শৰলীৰ আধাৰত ভাৰত চৰকাৰে ঘোষণা কৰা ব্যৱস্থা সমূহ, আঁচনি সমূহ আমাৰ চৰকাৰে ৰূপায়ন কৰিব।

Sub. : Regarding Electrification.

Shri Sanjay Raj Subba, asked :

320. Will the Minister of Power (Electricity) be pleased to state :

(a) Kindly furnish detail list of villages under Karunabari and Nowboicha Development Block which are taken under RGGVY?

(b) Whether any works have been executed under RGGVY in Karunabari & Nowboicha Development Block under Nowboicha LAC ?

(c) If not, when this project will start at these blocks?

Sri Prodyut Bordoloi, (Minister, Power) replied :

(a) The list of villages under Karunabari & Naoboicha Dev. Block included under RGGVY Scheme are enclosed in Annx-I, (See Annexure - XXI)

(b) Works are yet to be executed under RGGVY in Karunabari Dev. Block under Naoboicha LAC.

(c) The RGGVY project will be started in Karunabari and Naoboicha Dev. Block when the necessary approval & fund is received from GOI.

বিষয় ঃ ডিজিটেল মিটাৰৰ দাম।

শ্রীৰামেশ্বৰ তেলীয়ে সুধিছে ঃ

৩২১। মাননীয় শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ডিব্রুগড় জিলাত কিমানটা ডিজিটেল মিটাৰ লগোৱা হ'ল?

(খ) দুলীয়াজান সমষ্টিত কিমানটা ডিজিটেল মিটাৰ লগোৱা হ'ল?

(গ) এই ডিজিটেল মিটাৰৰ প্ৰতিটোৰ বজাৰ মূল্য কিমান?

(ঘ) ASEB য়ে নিৰ্দ্ধাৰণ কৰা কোম্পানী সমূহৰ ডিজিটেল মিটাৰৰ বজাৰ দাম আৰু বিভাগে নিৰ্দ্ধাৰণ কৰা বজাৰ দাম কি কি?

(ঙ) এই ডিজিটেল মিটাৰবোৰ চৰকাৰক কোনে যোগান ধৰিছে?

(চ) ডিজিটেল মিটাৰ লগোৱাৰ ফলত গ্ৰাহকে হাৰাশাস্তিৰ সন্মুখীন হোৱাৰ বিষয়ে চৰকাৰ অৱগতনে?

(ছ) ডিজিটেল মিটাৰৰ বাবদ প্ৰত্যেক মাহত গ্ৰাহকৰ পৰা ৫০ টকাকৈ লোৱাটো সঁচানে?

শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ডিব্রুগড় জিলাত মুঠতে ৯,৮৭২ টা ডিজিটেল মিটাৰ লগোৱা হৈছে।

(খ) দুলীয়াজান সমষ্টিত মুঠতে ৯৯০ টা ডিজিটেল মিটাৰ লগোৱা হৈছে।

(গ) বৰ্ত্তমান অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে ক্ৰয় কৰা ডিজিটেল মিটাৰ সমূহৰ যিমান কেইটা কাৰক (Parameter) আছে তেনে ডিজিটেল মিটাৰ বজাৰত এতিয়ালৈকে উপলব্ধ হোৱা নাই।

(ঘ) ডিজিটেল মিটাৰ বজাৰত উপলব্ধ নহয়। ASEB এ নিৰ্দ্ধাৰণ কৰা কোম্পানী সমূহৰ ডিজিটেল মিটাৰৰ দাম তলত উল্লেখ হ'ল ঃ

যোগান ধৰা কোম্পানীৰ নাম	মিটাৰ ১৯ টা কাৰক (Para meter) সহিত	নিৰ্দ্ধাৰিত দাম (এম, চি, বি, মিটাৰ বাকছ/চুইচ বৰ্ডৰ সৈতে
মেচাছ চিকিউৰ মিটাৰ্ছ	১ ফেজ (1-Phase)	১৮৯৯.৩২

(M/s Secure Meters)	৩ ফেজ (3-Phase)	
উদয়পুৰ ৰাজস্থান	(ক) ৫-৩০ এম্পছ	৪৬১৫.১৪
	(খ) ১০-৬০ এম্পছ	৪৭০৪.৯০
মেচাছ এল, এণ্ড,টি	১ ফেজ	২০৭৮.০০
(M/s L&T)	৩ ফেজ	
মহিশ্বৰ কর্নাটক	(ক) ৫-২০ এম্পছ	৫০৮৮.৬৪
	(খ) ১০-৪০ এম্পছ	৫০৮৮.৬৮
মেচাছ এইছ, পি,এল চক্‌মেক্‌	১ ফেজ	১৯০২.৬০
(M/s H/P. Socomec (P) LTD.	৩ ফেজ	
গুৰগাঁও হাৰিয়ানা	(ক) ৫-২০ এম্পছ	৪৭২১.৪০
	(খ) ১০-৪০ এম্পছ	

(ঙ) ডিজিটেল মিটাৰ যোগান ধৰা কোম্পানী সমূহ ঃ

১। নামনি অসম — মেচার্ছ চিকিউৰ মিটাৰচ্‌ লিমিটেড, উদয়পুৰ।

২। মধ্য অসম — মেচার্ছ লাৰচেন এণ্ড টোব্ৰ, মহিশুৰ।

৩। উজনি অসম — মেচার্ছ এইচ্‌, পি, এল চক্‌মেক্‌ প্রাঃ লিমিটেড, গুৰগাওঁ, হাৰিয়ানা।

(চ) সীমিত সংখ্যক গ্রাহকৰ মাজত ডিজিটেল মিটাৰ প্রসঙ্গত ভূল বুজাবুজিৰ সৃষ্টি হৈছিল বুলি অৱগত। চেণ্ট্রেল ইলেকট্রিচিটি অথৰিটি (CEA) ৰ নিয়মানুৱলী অনুসৰি প্রত্যেক গ্রাহকৰ মাজত ডিজিটেল মিটাৰ লগোৱাটো বাধ্যতামূলক। কোনো গ্রাহকক হাৰাশাস্তি কৰা চৰকাৰৰ উদ্দেশ্য নহয়।

(ছ) অসম ৰাজ্যিক বিদ্যুৎ নিয়ামক আয়োগ (AERC) নির্দ্ধাৰিত কৰা মতে প্রত্যেক গ্রাহকৰ পৰা মিটাৰৰ বাবদ ভাড়া মাহিলী

বিলৰ লগত আদায় কৰা হয়। ভাড়াৰ নিৰিখ তলত উল্লেখ কৰা হ'ল ঃ

১। চিংগল ফেজ মিটাৰৰ বাবদ — ১৫ টকা মাহিলী।

২। তিনি ফেজ মিটাৰৰ বাবদ — ১৫০ টকা মাহিলী।

বিষয় ঃ বিদ্যালয় প্রাদেশী কৰণ।

শ্রী কেশৰ মহন্তই সুধিছে ঃ

৩২২। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) চৰকাৰে বর্ত্তমানলৈকে প্রাদেশীকৰণ নোহোৱা প্রাথমিক, মাধ্যমিক , উচ্চ মাধ্যমিক বিদ্যালয় সমুহৰ প্রাদেশীকৰণৰ ক্ষেত্রত কি ব্যবস্থা গ্রহণ কৰিছে ?

খ) প্রাদেশীকৰণ নোহোৱা সকলো বিদ্যালয়ক চৰকাৰী সাহায্য দিয়াৰ আঁচনি আছেনে ? যদি নাই, কোনবোৰ বিদ্যালয়ত চৰকাৰী সাহায্য দিয়াৰ আঁচনি গ্রহণ কৰিছে ?

গ) কলিয়াবৰ সমষ্টিৰ কোন কেইখন বিদ্যালয়ক উক্ত আঁচনিত অন্তর্ভুক্ত কৰা হৈছে উল্লেখ কৰিব ?

শ্রী ৰিপুণ বৰা (শিক্ষা বিভাগৰ মন্ত্রীয়ে) উত্তৰ দিছে ঃ

ক) প্রাদেশীকৰণৰ বাবে সদ্যহতে কোনো ব্যৱস্থা গ্রহণ কৰা হোৱা নাই ।

খ) পর্য্যায় ক্রমে আর্থিক অনুদান দিয়াৰ ব্যৱস্থা কৰা হৈছে । প্রয়োজন, অর্হতা আৰু জ্যেষ্ঠতাৰ ভিত্তিত বিদ্যালয় সমূহক চৰকাৰে আর্থিক অনুদান দিয়াৰ আঁচনি গ্রহণ কৰিছে ।

গ) ১। প্রাথমিক বিদ্যালয় ২০ খন

২। মজলীয়া বিদ্যালয় ৪ খন

৩। উচ্চ মাধ্যমিক ৪ খন

(তালিকা সংযোজন 'ক' ত দিয়া হ'ল ।) (See Annexure-XXII)

বিষয় ঃ মূল্য নিয়ন্ত্রণ ।

ডাঃ আদিত্য লাংথাছাই সুধিছে ঃ

৩২৩। মাননীয় খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ

মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) বৰ্ত্তমান অসমত নিত্য ব্যৱহার্য্য সামগ্রী সমূহৰ মূল্য চৰকাৰৰ নিয়ন্ত্রণত আছেনে?

(খ) প্রতিটো নির্বাচনৰ পিছতে নিত্য ব্যৱহার্য্য আৰু অত্যাৱশ্যকীয় সামগ্রীৰ মূল্যবৃদ্ধি হোৱাৰ কাৰণ কি?

ডাঃ নজৰুল ইছলাম (খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) আছে।

(খ) প্রতিটো নির্বাচনৰ পিছতে নিত্য ব্যৱহার্য্য আৰু অত্যাৱশ্যকীয় সামগ্রীৰ মূল্যবৃদ্ধি হোৱাটো সত্য নহয়।

বিষয় ঃ ৰাজ সাহায্য।

শ্রীৰাণা গোস্বামীয়ে সুধিছে ঃ

৩২৪। মাননীয় উদ্যোগ ও বাণিজ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম চাহ নিগমৰ অধীনৰ চিনামাৰা চাহ বাগিচাত যোৱা ২৮/০৭/২০০৭ তাৰিখে কর্মৰত অৱস্থাত নিগমৰ স্থায়ী কর্মচাৰী হৰেন শইকীয়াৰ বাওঁ হাতখন মেচিনত কটা যোৱাত কর্মচাৰীজন শাৰীৰিক ভাবে অক্ষম হৈ পৰা কথাটো চৰকাৰ অৱগতনে? যদি অৱগত, তেন্তে কি পৰিস্থিতিত এই ঘটনা সংঘটিত হ'ল?

(খ) উক্ত ঘটনাৰ সম্পর্কত বিভাগে আইনগত ভাবে তদন্ত কৰিছিলনে?

(গ) যদি কৰিছিল, এই তদন্ত কি পর্য্যায়ত আছে?

(ঘ) এই দুর্ভগীয়া ব্যক্তিজনক চৰকাৰৰ তৰফৰ পৰা চিকিৎসাৰ বাবে অন্য কোনো ৰাজ সাহায্য প্রদান কৰিছেনে?

(ঙ) যদি কৰা নাই, সাহায্য দিয়াৰ ব্যৱস্থা লবনে?

শ্রীপ্রদ্যুৎ বৰদলৈ (উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয়। এইটো দুর্ঘটনা জনিত কাৰণত সংঘটিত হয়।

(খ) হয়। Work's men compensation Act, 1923 আইনমতে সকলো বিভাগকে জনোৱা হৈছে আৰু আৰক্ষীৰ দ্বাৰা তদন্তও হৈছে।

(গ) শেষ হৈছে।

(ঘ) ৰাজ সাহার্য্য প্রদান কৰা হোৱা নাই।

(ঙ) চাহ নিগমৰ বর্ত্তমান অবস্থা টনকিয়াল নহয়। Work's men Compansation Act, 1923 মতে সকলো প্রাপ্য ভৱিষ্যতে দিয়া হব।

বিষয় ঃ ডিব্রুগড় বিশ্ববিদ্যালয়ৰ Campus.

শ্রীঘন বুঢ়াগোহাঁইয়ে সুধিছে ঃ

৩২৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ছাত্র-ছাত্রী, অভিভাৱক, শিক্ষক আৰু অন্যান্য জনসাধাৰণে সততে ভোগ কৰি থকা অসুবিধাৰ প্রতি লক্ষ্য ৰাখি লক্ষীমপুৰ আৰু ধেমাজিৰ ৰাইজে এই অঞ্চলত ডিব্রুগড় বিশ্ববিদ্যালয়ৰ এটা Campus স্থাপনৰ বাবে কৰি অহা দাবীৰ সম্পর্কত চৰকাৰ অৱগতনে?

(খ) উক্ত দাবীৰ পৰিপ্রেক্ষিতত চৰকাৰ আৰু ডিব্রুগড় বিশ্ববিদ্যালয়ৰ কর্ত্তৃপক্ষৰ মাজত কিবা যোগাযোগ কৰা হৈছে নেকি?

(গ) অদূৰ ভৱিষ্যতে ৰাইজে এই দাবী পূৰণ হোৱাৰ আশা কৰিব পাৰে নেকি?

শ্রীৰিপুন বৰা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) লক্ষীমপুৰ আৰু ধেমাজী জিলাত ডিব্রুগড় বিশ্ববিদ্যালয় চৌহদ খোলাৰ বাবে ডিব্রুগড় বিশ্ববিদ্যালয় কর্ত্তৃপক্ষ অৱগত।

(খ) ডিব্রুগড় বিশ্ববিদ্যালয় কর্ত্তৃপক্ষই ইতিমধ্যে চৰকাৰৰ ওচৰত প্রয়োজনীয় প্রস্তাৱ দাখিল কৰিছে।

(গ) বিষয়টোৰ ওপৰত পৰীক্ষা কৰি থকা হৈছে।

বিষয় ঃ অৱসৰ প্ৰাপ্ত শিক্ষকৰ সংখ্যা।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

৩২৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) তিনিচুকীয়া জিলাত কিমানখন চৰকাৰী উচ্চ মাধ্যমিক আৰু মাধ্যমিক বিদ্যালয় আছে?

(খ) ২০০৮ চনৰ জানুৱাৰী মাহলৈকে উক্ত বিদ্যালয় সমূহৰ কিমানজন শিক্ষক/শিক্ষয়িত্ৰীয়ে অৱসৰ গ্ৰহণ কৰিছে?

(গ) উক্ত খালী পদ সমূহত শিক্ষক নিযুক্তিৰ বাবে চৰকাৰে ব্যৱস্থা হাতত লৈছে নেকি?

শ্ৰীৰিপুন বৰা (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) এখন উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে।

(খ) ৫ জন।

(গ) ২০০৬ চনলৈকে খালী থকা পদ সমূহ ইতিমধ্যে পূৰন কৰা হৈছে। বৰ্ত্তমান তাত অধ্যক্ষৰ পদ ১ টা, উপাধ্যক্ষৰ পদ ১ টা আৰু সহঃ শিক্ষকৰ পদ ৩ টা খালী আছে। এই খালী পদ সমূহ পূৰণৰ বাবে যাৱতীয় ব্যৱস্থা হাতত লোৱা হৈছে।

বিষয় ঃ ছাছাৰ কমিটি।

শ্ৰীৰাজু চাহুয়ে সুধিছে ঃ

৩২৭। মাননীয় সংখ্যলঘু কল্যাণ ও উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) 'ছাছাৰ' কমিটিৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি কেন্দ্ৰীয় চৰকাৰে সংখ্যালঘু লোক সকলৰ সৰ্বাঙ্গীন উন্নয়নৰ কাৰণে যি ব্যৱস্থা গ্ৰহণ কৰিলে তাক চৰকাৰে ফলপ্ৰসু ভাবে কাৰ্য্যকৰী কৰিবলৈ সকলো জিলাতে ব্যৱস্থা গ্ৰহণ কৰিছেনে?

(খ) ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাত এতিয়ালৈকে ২৫ দফীয়া

কার্য্যসূচী অনুযায়ী (PM's 15-Point programme for the welfare of Minorities) সংখ্যালঘু লোক সকলৰ বাবে কি কি আঁচনি প্ৰৱৰ্তন কৰা হ'ল আৰু ইয়াৰ দ্বাৰা কিমান সংখ্যক লোক উপকৃত হ'ল তথা এই আঁচনিৰ অধীনত ২০০৬ চনৰ পৰা ২০০৮ লৈকে কিমান টকা অনুদান হিচাপে আৱণ্টন দিয়া হ'ল? (বিস্তৃত তথ্য সদনৰ মজিয়াত দাখিল কৰিব)

ডাঃ নজৰুল ইচলাম (সংখ্যালঘু কল্যাণ ও উন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ন্যায়ধীশ ৰাজেন্দ্র ছাচ্ছাৰ কমিটি ভাৰত চৰকাৰে নিয়োগ কৰা এখন উচ্চ পর্য্যায়ৰ উচ্চ ক্ষমতা সম্পন্ন কমিটি। এই কমিটিয়ে ভাৰত চৰকাৰক ইতিমধ্যে প্রতিবেদন দাখিল কৰিছে। উক্ত কমিটিৰ প্রতিবেদনৰ পৰামর্শ ৰলীৰ আধাৰত ভাৰত চৰকাৰে ঘোষণা কৰা ব্যৱস্থা সমূহ/আঁচনি সমূহ আমাৰ চৰকাৰে ৰূপায়ণ কৰিবলৈ প্রতিশ্রুতিবদ্ধ। পৰামর্শসমূহ নিজাববীয়াকৈ ৰূপায়িত কৰাৰ ব্যৱস্থা লোৱা হোৱা নাই।

(খ) (১) ডিব্রুগৰ জিলাৰ পৰা পোৱা তথ্য অনুযায়ী জিলাখনে ২০০৬-০৮ বর্ষৰ ভিতৰত প্রধান মন্ত্রীৰ ১৫ দফীয়া কার্য্যসূচীৰ অধিনত সংখ্যালঘু লোকৰ উন্নয়নৰ বাবে কোনোধৰণৰ পূঁজি আৱণ্টন নোপোৱাৰ বাবে কোনো আঁচনি ৰূপায়িত কৰিব পৰা হোৱা নাই।

(২) তিনিচুকীয়া জিলা উপায়ুক্তৰ পৰা পোৱা তথ্য অনুযায়ী জিলাখনে ২০০৬-০৮ বর্ষৰ ভিতৰত প্রধানমন্ত্রীৰ ১৫ দফীয়া কার্য্যসূচীৰ অধিনত সংখ্যালঘু লোকৰ উন্নয়নৰ বাবে কোনোধৰণৰ পূঁজি আবণ্টন নোপোৱাৰ বাবে কোনো আঁচনি ৰূপায়িত কৰিব পৰা হোৱা নাই। যিকি নহওঁক, জিলাখনত ২০০৬-০৭ চনত আৰু ২০০৭-০৮ চনত প্রধানমন্ত্রীৰ ১৫ দফীয়া কার্য্যসূচীৰ অধিনত শতকৰা ১৫ ভাগ পুঁজি ধার্য্য কৰি তলত দিয়া ধৰণে ব্যৱস্থা লোৱা হৈছে।

(টকা লাখত)

আঁচনিৰ নাম	আৱণ্টিত পুঁজি	মুঠ হিতাধিকাৰী
SGRY (IBS)	৯২.২৫	৩৩৬
SGSY	১.৫	২০
IAY	১৩৫.৮৫	৪৯৪
DUDA	০.৯৫	২

বিষয় ঃ উপ-সঞ্চালকৰ নিযুক্তি।

শ্রীপ্রশান্ত ফুকনে সুধিছে ঃ

৩২৮। মাননীয় খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী য়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ডিব্রুগড় জিলাত কিমান দিনৰ পৰা যোগান বিভাগৰ স্থায়ী উপ-সঞ্চালক পদটো খালী হৈ আছে?

(খ) উক্ত জিলাত কিমান দিনৰ পৰা অধীক্ষক জনে ভাৰপ্রাপ্ত হিচাপে উক্ত উপ-সঞ্চালকৰ কাম চলাই আছে?

(গ) ডিব্রুগড় জিলাত পৰিদর্শকে ভাৰপ্রাপ্ত অধ্যক্ষ ও উপ-সঞ্চালক পদটো কিমান দিনৰ পৰা চলাই আছে?

(ঘ) এই জিলাত কোন কোন পৰিদর্শকে ৩ (তিনি) বছৰৰ পৰা ২০ (বিশ) বছৰলৈকে একেৰাহে একেটা পদতে কাম কৰি আছে?

ডাঃ নজৰুল ইছলাম (খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ডিব্রুগড় জিলাত খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা বিভাগৰ স্থায়ী উপ-সঞ্চালক পদটো যোৱা ১/১/২০০৫ তাৰিখৰ পৰা খালি হৈ আছে।

(খ) জিলাখনত যোৱা ১৬/২/২০০৫ ৰ পৰা ৩১/৮/২০০৬ লৈকে

আৰু পুনৰ ১১/১০/২০০৬ তাৰিখৰ পৰা অদ্যপৰিমিত উপ-সঞ্চালকৰ পদটি খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ অধীক্ষক জনে কার্য্যনির্বাহ কৰি আছে।

(গ) ডিব্রুগড় জিলাত বর্ত্তমান কোনো পৰিদর্শকে ভাৰপ্রাপ্ত ও উপ-সঞ্চালক হিচাবে কার্য্যনির্বাহ কৰি থকা নাই।

(ঘ) জিলাখনত এজন পৰিদর্শকৰ বাহিৰে কোনো পৰিদর্শকে তিনিবছৰৰ পৰা ২০ (বিশ) বছৰলৈকে একেৰাহে একেটা পদতে কার্য্যনির্বাহ কৰি থকা নাই।

বিষয় ঃ NHPC ৰ উৎপাদন।

শ্রীসুমিত্রা দলে পাতিৰে সুধিছে ঃ

৩২৯। মাননীয় শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) চৰকাৰ অৱগতনে ধেমাজি সমষ্টিৰ নামনি সোৱনশিৰিত NHPC য়ে ২০০০ (দুই হাজাৰ) মেগাৱাত শক্তি উৎপাদনৰ লক্ষ্যৰে নির্মাণ কার্য্য চলাই আছে?

(খ) এইটো সঁচানে উক্ত উৎপাদনৰ কাৰণে বহু অঞ্চল Deforestation হ'ল তথা Ecological Balance আদি নাইকিয়া হৈছে?

(গ) চৰকাৰে ধেমাজিবাসীৰ বাবে বিনামূল্যে নতুবা ৰেহাই মূল্যত শক্তি লাভৰ ব্যৱস্থা কৰিবনে?

(ঘ) যদি কৰে, শতকৰা কিমান অংশ কৰিব?

(ঙ) যদি নকৰে, উক্ত অঞ্চলত বসবাস কৰা লোক সকলক অন্যায় কৰা নহবনে?

শ্রীপ্রদ্যুৎ বৰদলৈ (শক্তি বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) NHPC য়ে ২০০০ মেগাৱাট শক্তি উৎপাদনৰ লক্ষ্যৰে নামনি সোৱনশিৰিত প্রকল্পৰ কাম চলাই থকাটো অৱগত।

(খ) অসম চৰকাৰে NHPC ক এই সংক্রান্তত Environmental

Impact Analysis কৰিবলৈ আদেশ দিছে আৰু সেই মতে NHPC এ কাম হাতত লৈছে।

(গ) অসম চৰকাৰে ৬০০ মেগাৱাট বিদ্যুৎ নামনি সোৱনশিৰি জলবিদ্যুৎ প্ৰকল্পৰ পৰা বিচাৰিছে আৰু তাৰ ভিতৰত শতকৰা ছয়ভাগ বিনামূলীয়াকৈ দাবী কৰিছে। অৱশ্যে ধেমাজী বাসীৰ বাবে সুকীয়াকৈ শক্তি যোগান ধৰাৰ সিদ্ধান্ত এতিয়ালৈকে লোৱা হোৱা নাই।

(ঘ) সিদ্ধান্ত লোৱা নাই।

(ঙ) কোনো অঞ্চলত বসবাস কৰা লোক সকলৰ অন্যায় হোৱাটো চৰকাৰে নিবিচাৰে।

Sub. : Bishnupriya Language.

Shri Kartik Sena Sinha asked :

330. Will the Minister of Education be pleased to state :

(a) While introducing Bishnupriya Manipuri Language vide Govt. order No. ELM. 10/87/156, dated 7.2.2001 in Primary level of class-III and IV, continuous upgradation for upper classes is not taken up after gap of 7 (seven) years? (Furnish in details)

(b) What prompt action will be taken for systematic upgradation of Academic Classes for upliftment of most backward community having long pending demands?

Shri Ripun Bora (Minister of Education) replied :

(a) Continous upgradation for upper classes could not be taken for lack of sufficient enrolment. Secondly, it needs creation of posts of Bishnupriya Manipuri Language and development of the language to

provide adequate text book, reference books and other learning resources.

(b) The matter will be duly examined.

Sub. : Vacant posts in Educational Institutions.

Shri Mission Ranjan Das asked :

331. Will the Minister of Education be pleased to state :

(a) How many sanctioned posts of L.P., M.E./M.V./ M.E.M./High School/Higher Secondary Schools, Sanskrit Tools and Madrassa are lying vacant? (Please give category-wise)

(b) What are the steps taken by the Govt. to fill up these posts and when these posts are likely to be filled up?

(c) How many sanctioned posts in technical educations have also lying vacant and when these posts will be filled up?

Shri Ripun Bora (Minister of Education) replied :

(a) Sanctioned post lying vacant -

(i) L.P. School teachers - 7,466 Nos

(ii) M.V. School teachers - 1,288 Nos

(iii) M.E./MEM School teachers - 2,824 Nos

Secondary Education -

(i) High School & Higher Secondary School - 7,439 Nos

(ii) Madrassa Edcuation - 323 Nos

(iii) Sanskrit Tools - 58 Nos

(b) Steps are being taken for filling up the vacant post and advertisement was made and process of selection have been initiated.

(c) At present there are 375 sanctioned posts lying vacant under Teachnical Education, out of which Finance (SIU) approval has already been accorded to fill up 140 posts. For remaining 235 posts Finance (SIU) approval is yet to be received.

বিষয় ঃ উদ্যোগিক বিকাশ কেন্দ্র।

শ্রীআব্দুল খালেকে সুধিছে ঃ

৩৩২। মাননীয় উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) নামনি অসমৰ কোন কোন ঠাইত উদ্যোগিক বিকাশ ক্ষেত্র স্থাপন কৰাৰ পৰিকল্পনা চৰকাৰে গ্রহণ কৰিছে?

(খ) বৰপেটা জিলাত এনে ক্ষেত্র স্থাপনৰ পৰিকল্পনা আছে নেকি? যদি আছে, ক'ত ক'ত জনাব?

শ্রীপ্রদ্যুৎ বৰদলৈ (উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) পৰিকল্পনা লোৱা হোৱা নাই।

(খ) নাই।

Sub. : Suspension order against Shri Dhani Ram Roy, Assistant Teacher.

Shri Parimal Suklabaidya, asked :

333. Will the Minister of Education be pleased to state :

(a) Whether the Govt. is aware of the fact that the suspension order of Shri Dhani Ram Roy, Assistant Teacher. 666 No. Old Bagbahar L.P. School, District

Cachar is revoked?

(b) If so, why payment of all the salaries were not paid to Shri Dhani Ram Roy, by the Govt. after revocation of suspansion order for long 27 years?

(c) What action has been taken by the Govt. against replies of Hon'ble Minister, Education in the floor of Assembly on 15-3-2007 vide Starred Question No. 251?

(d) Whether Shri Dhani Ram Roy, Retd. Teacher will get his payment before his death in starvation and if not who will be responsible for his death in starvation?

(e) Whether the Government will enquire into the negligency of duty and will full deprival to a poor retired teacher along with his dependents for last 27 years by the officials of Education Department (Elementary) and what action has been taken by the Govt. against the officers and staffs already retired and working for giving the harassment to a poor teacher for the last 27 years?

Shri Ripun Bora (Minister of Education) replied :

(a) Yes.

(b) Proposal for arrear subsistance allowance has been received from Director of Elementary Education, Assam. It is now under examination.

(c) Follow up action has been initiated.

(d) Steps will be taken to complete the process early.

(e) The matter will be looked into.

বিষয় ঃ ৰাজীৱ গান্ধী বিজুলী আঁচনি।

শ্রীবিনোদ গোৱালাই সুধিছে ঃ

৩৩৪। মাননীয় শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজীৱ গান্ধী গান্ধী বিজুলী যোগান আঁচনিৰ অধীনত সৰুপথাৰ সমষ্টিৰ কিমান কেইখন গাওঁ অন্তর্ভুক্ত হৈছে?

(খ) ইয়াৰ কার্য্যকৰণৰ বাবে নিবিদা কেতিয়া গ্রহণ কৰা হব?

(গ) বিজুলী যোগান আধৰুৱা হৈ থকা গাওঁ সমূহটো বিজুলী যোগান সম্পূর্ণ কৰাৰ প্রস্তাৱ লোৱা হৈছেনে? (তালিকা সহ সদনৰ মজিয়াত দাখিল কৰিব)

শ্রীপ্রদুৎ বৰদলৈ (শক্তি) বিদ্যুৎ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) যিহেতু এই আঁচনি জিলা/উন্নয়ন খণ্ড ভিত্তিত লোৱা হয়, সমষ্টি ভিত্তিত এই আঁচনিৰ কাম লোৱা হোৱা নাই। গোলাঘাট (দক্ষিণ) উন্নয়ন খণ্ডৰ ৩০৫ খন গাওঁ ৰাজীৱ গান্ধী গ্রামীণ বৈদ্যুতিকৰণ যোজনাত সামৰি লোৱা হৈছে।

(খ) গ্রাম্য বৈদ্যুতিকৰণ নিগমৰ অনুমোদন সাপেক্ষে ৰাজীৱ গান্ধী গ্রামীণ বৈদ্যুতিকৰণ যোজনাৰ অধীনত গোলাঘাট জিলাৰ গাওঁ সমূহৰ বৈদ্যুতিকৰণৰ বাবে নিবিদা ১২/০২/২০০৭ তাৰিখে আহ্বান কৰা হৈছিল। নিবিদা সমূহ ১৫/০৫/২০০৭ তাৰিখে খোলা হৈছিল। কিন্তু গ্রাম্য বৈদ্যুতিকৰণ নিগমৰ উপদেশ মর্মে নিবিদাৰ পৰবর্ত্তী কার্য্য সমূহ স্থগিত ৰখা হৈছে। গ্রাম্য বৈদ্যুতিকৰণ নিগমৰ পৰা সংকেত পালেই নিবিদাৰ পৰবর্ত্তী কাম বিলাক সম্পূর্ণ কৰি ঠিকাদাৰক কামৰ আৱণ্টন দিয়া হব।

(গ) বিজুলী যোগান আধৰুৱা হৈ থকা গাওঁ সমূহত বিজুলী যোগানৰ সম্প্রসাৰণৰ ব্যৱস্থা ৰাজীৱ গান্ধী গ্রামীণ বৈদ্যুতিকৰণ যোজনাৰ জৰিয়তে লোৱা হৈছে। উপৰোক্ত গাওঁ সমূহৰ তালিকা Annexure-I ত দিয়া হ'ল। (See Annexure-XXIII)

Subject : Nos of Beneficiaries.

Dr. Rumi Nath asked :

335. Will the Minister of Food, Civil Supplies and Consumers Affairs be pleased to state :

(a) How many beneficiaries have been benefitted under APL, BPL, AAY in the State of Assam? (Please furnish details showing District-wise and Constituency-wise).

(b) Please furnish the list of BPL, APL, AAY for the last 5(five) years under Sonapur, Rajnagar, Jatingmukh, Dudhpatil, Tarapur, Jatrapur Co-operative Society showing the name, address etc. of the beneficiaries?

(c) Is it a fatc that the process for issuing new/fresh rations cards are already completed? If not, when will the Societies issue the ration cards to the people? (Please furnish in details the list of the beneficiaries showing name, address etc.)

(d) Is the Govt. aware of the fact that the people of Barkhola LAC have been facing lots of harassment for proning residential etc. for any official purpose like Banks, Health, D.C. Offices etc. for lack of ration card specially the people of SC/ST/OBC?

(e) If so, why the ration cards have not been issued to the poor backward people?

(f) Will the Govt. be pleased to issue the list of all the ration card holders under Sonapur Co-operative Society? Showing G.P. wise with name, address, time and date of issuing ration cards etc.

Dr. Nazrul Islam (Minister, Food, Civil Supplies & Consumer Affairs) replied :

(a) No. of beneficaries have been benefited under APL, BPL, AAY in the State as indicated below :

1. APL - 3846402
2. BPL - 1202000
3. AAY - 704000

District-wise particulars are submitted in Annexure-I, (See Annexure-XXIV)

Constitutency wise particulars are being collected.

(b) Particulars are being collected.

(c) No.

The process of issue of APL card is a continuous process. No. time fram can be fixed for completion of the same. Particulars are being collected.

(d) Not aware.

(e) Does not arise.

(f) Particulars are being collected.

বিষয় ঃ আর্থিক অনুদান।

মোঃ মহিবুল হকে সুধিছে ঃ

৩৩৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুহ্হ কৰি জনাবনে ঃ

(ক) পূৱ-কচুৱাৰখাচ ভেন্সাৰ এল. পি স্কুলখন ধুবুৰী আৰু গৌৰীপুৰ সমষ্টিত অন্তর্ভুক্ত হৈ থকাটো চৰকাৰ অৱগতনে?

(খ) প্রকৃততে স্কুলখন ধুবুৰী সমষ্টিত যদিও দুয়োটা সমষ্টিত অন্তর্ভুক্ত হৈ থকাত গৌৰীপুৰ সমষ্টিৰ এখন স্কুল এই সুবিধাৰ পৰা বঞ্চিত হৈ থকাটো সঁচানে?

(গ) এই সংক্রান্তত স্থানীয় বিধায়কৰ সুপাৰিশ মতে Elementary Education Director ৰ য়ে যোৱা ২/৮/২০০৭ তাৰিখে পত্র নং EPD/49/2006/123 মৰ্মে Commissioner and Secretary, Education (Elementary) লৈ প্রেৰণ কৰাৰ পিছতো আজিলৈ কামালউদ্দিন মেমোৰিয়েল এল, পি খনে পাৰিতোষিক/আর্থিক সুবিধা পোৱাৰ পৰা বঞ্চিত হোৱাৰ কাৰণ কি?

(ঘ) অতি সোনকালে কামালউদ্দিন মেমোৰিয়েল এল, পি স্কুলখনক আর্থিক (পাৰিতোষিক) অনুদান পোৱাৰ ব্যৱস্থা কৰিবনে?

শ্রীৰিপুন বৰা (শিক্ষা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অৱগত।

(খ) সঁচা নহয়।

(গ) উক্ত বিদ্যালয়খনতকৈ গৌৰীপুৰ সমষ্টিত ৫৩ খন জ্যেষ্ঠ বিদ্যালয় থকা হেতুকে বিষয়াটো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(ঘ) ওপৰৰ 'গ' ত উল্লেখ কৰা হৈছে।

Subject : Industrial Policy.

Dr. Alaka Sarma asked :

337. Will the Minister of Industry & Commerce be pleased to state :

(a) Whether the new Industrial Policy (announced by Govt. of India for N.E.) has been operationalised in the State of Assam?

(b) Whether the Govt. of Assam has taken any Industrial Policy?

(c) If so, indicate clearly?

(d) Whether any modification in terms of tax structure etc. is required to be made in Govt. of Assam's

Industrial Policy in the light of Government of India's new Industrial Policy for N.E.?

Shri Pradyut Bardoloi (Minister of Industries & Commerce) replied :

(a) Govt. of India's Policy NEIIPP-2007 is effective from 1-4-2007 and it is applicable to whole of Assam. While some guidelines are already operationalised few others for different incentives are under preparation.

(b) Presently Assam Industrial Policy of 2003 is under operation. Govt. is preparing new Industrial Policy for the state which would be complimentery to NEIIPP-2007.

(c) As indicated above.

(d) Govt. of India's policy is independent of State Govt's tax structure however the new State Industrial Policy would be complimentery to the central policy incentives.

বিষয় ঃ উদ্যোগৰ সংখ্যা ।

শ্রীঅনন্ত ডেকাই সুধিছে ঃ

৩৩৮। মাননীয় ৰাজহুৱা উদ্যোগ বিভাগৰ মন্ত্রী মহোদয়ে জনাবনে ঃ

(ক) অসমত সৰ্বমুঠ ৰাজহুৱা উদ্যোগৰ সংখ্যা কিমান?

(খ) কিমান শ্রমিক কর্মচাৰীয়ে অসমৰ ৰাজহুৱা উদ্যোগ সমূহত কর্মৰত হৈ আছে?

(গ) ৰাজ্যখনৰ ৰাজহুৱা উদ্যোগ সমূহৰ ভিতৰত কিমানটা লাভজনক আৰু কিমানটাই লোকচান ভৰি আছে?

(ঘ) ২০০১ চনৰ পিছত এতিয়ালৈ কিমানটা উদ্যোগ বন্ধ হৈছে? এই

উদ্যোগবোৰত কর্মৰত শ্রমিক কর্মচাৰীৰ সংখ্যা কিমান?

(ঙ) বন্ধ কিম্বা ৰুগ্ন উদ্যোগবোৰক পুনৰ জীৱিত কৰাৰ বাবে ৰাজ্য চৰকাৰে কি পদক্ষেপ গ্রহণ কৰিছে?

শ্রীপ্রদ্যুৎ বৰদলৈ (ৰাজহুৱা উদ্যোগ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ৰাজহুৱা প্রতিষ্ঠান বিভাগৰ সূচী অনুসৰি ৰাজ্য চৰকাৰৰ অধীনত বর্তমান (ষ্টেটফেডক বাদ দি) মুঠ ৪৭ (সাতচল্লিশ) টা ৰাজহুৱা প্রতিষ্ঠান আছে।

(খ) তথ্য অনুসৰি ৰাজহুৱা প্রতিষ্ঠান সমূহত মুঠতে ৪৩,২৩২ জন শ্রমিক কর্মচাৰীয়ে বিভিন্ন পর্য্যায়ত কাম কৰি আছে।

(গ) শেহতীয়া তথ্য অনুসৰি ১৪ টা ৰাজহুৱা প্রতিষ্ঠানে লাভ কৰি আছে আৰু বাকী ৩৩ টা ৰাজহুৱা প্রতিষ্ঠানে লোকচান ভৰি আছে।

(ঘ) ২০০১ চনৰ পিচত (ষ্টেটফেডক বাদ দি) এতিয়ালৈকে মুঠ ১৬ টা ৰাজহুৱা প্রতিস্থান বন্ধ হৈ আছে আৰু এই ৰাজহুৱা প্রতিষ্ঠান বোৰত কর্মৰত শ্রমিক কর্মচাৰীৰ সংখ্যা ২,৮৬৫ জন।

(ঙ) বন্ধ হৈ থকা ১৬ টা ৰাজহুৱা প্রতিষ্ঠানৰ ভিতৰত ষ্টেটফেডক ধৰি মুঠ ১১ টা ৰাজহুৱা প্রতিষ্ঠান অসম মন্ত্রী সভাৰ সিদ্ধান্ত অনুসৰি এতিয়ালৈকে বন্ধৰ জাননী জাৰি কৰা হৈছে। তাৰোপৰি আৰু এটা ৰজহুৱী প্রতিষ্ঠানৰ ক্ষেত্রত বন্ধৰ প্রস্তুতি চলি আছে। বাকী ৰুগ্ন ৰাজহুৱা প্রতিষ্ঠান সমূহ পুনৰ জীৱিত কৰাৰ বাবে প্রশাসনীয় বিভাগ সমূহে আৰু ৰাজহুৱা প্রতিষ্ঠান সমূহে বিহিত ব্যৱস্থা লৈ আছে।

Sub. : Electrification of Sorbhog Constituency.

Shri Uddhab Barman asked :

339. Will the Minister of Power (Electricity) be pleased to state :

(a) How many villages in Sorbhog Assembly Constituency have been fully electrified and how

many villages have been left out?

(b) Whether the Rajib Gandhi Rural Electrification Mission Scheme will be implemented in the Constituency?

(c) If so, give in details of the time-frame?

Sri Prodyut Bordoloi (Minister, Power) replied :

(a) As the scheme is taken up dist./Blockwise, Constituencies wise list of villages is not taken into account. The electrified and unelectrified block of Sarbhog Constituency are 137 and 15 nos respectively.

(b) Yes.

(c) DPR for electrification of all unelectrified and electrified villages of Sarbhog Constituency have been submitted to REC Ltd. GOI.

As soon as the approval and fund from GOI is received the work will be started. The work will take two years time for completion.

বিষয় ঃ অ', বি, বি, শিক্ষকৰ সংখ্যা।

শ্রীগিৰীন্দ্র কুমাৰ বৰুৱাই সুধিছে ঃ

৩৪০। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত সর্বমুঠ কিমানজন অ', বি, বি, শিক্ষকে কার্য্য নির্বাহ কৰি আছে?

(প্রাথমিক, মধ্য ইংৰাজী আৰু মজলীয়া বিদ্যালয়ৰ শিক্ষকৰ তালিকা বেলেগে দেখুৱাব)

(খ) ২০০১ চনত নিযুক্তি পোৱা অ', বি, বি, শিক্ষক সকলক

বর্ত্তমানলৈকে কেইমাহৰ দৰমহা আদায় দিয়া হৈছে?

(গ) শিক্ষক সকলে পাৱলগীয়া দৰমহা কেতিয়া আদায় দিয়া হব?

(ঘ) অ', বি, বি, শিক্ষক সকলৰ চাকৰি নিয়মীয়াকৰণৰ ব্যৱস্থা কৰা হব নেকি?

(ঙ) যদিহে নিয়মীয়া কৰা হয়, কিমান দিনৰ ভিতৰত কৰা হব?

শ্রীৰিপুন বৰা (শিক্ষা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্যখনত অ' বি, বি, আঁচনিৰ অধীনত ১৯৯৮ চনত সৃষ্টি কৰা (৪,০৪০) পদৰ বিপৰীতে ২,১৭৩ জন আৰু ২০০১ চনত সৃষ্টি কৰা ৭,০৬৬ টা পদৰ বিপৰীতে ৫,৭৯০ জন শিক্ষকে কার্যনির্বাহ কৰি আছে। (শিক্ষকৰ তালিকা সংযোজন 'ক'ত সংলগ্ন কৰি সদনৰ মেজত দিয়া হ'ল।)

(খ) ২০০১ চনত নিযুক্তি পোৱা অ', বি, বি শিক্ষক সকলক বর্ত্তমানলৈ প্রায় ৬০ মাহৰ (৮-৩-২০০১ ৰ পৰা ২৮-২-২০০৬ লৈ) দৰমহা আদায় দিয়া হৈছে।

(গ) ২০০৬ চনৰ ফেব্রুৱাৰী মাহলৈ বেতন আদায় দিয়া হৈছে।

(ঘ) এই বিষয়ে কোনো চূড়ান্ত সিদ্ধান্ত লব পৰা হোৱা নাই।

(ঙ) প্রশ্ন নুঠে।

বিষয় ঃ পেট্রল ডিপোত ভেজাল আৰু কাৰচাজি।

শ্রীৰছুল হকে সুধিছে ঃ

৩৪১। মাননীয় খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ধুবুৰী সমষ্টিত কিমানটা পেট্রল পাম্প আছে? (ঠাইৰ নামৰ লগতে পেট্রল পাম্প সমূহৰ নামৰ বিতং তথ্য দিব)

(খ) ধুবুৰী সমষ্টিৰ পেট্রল পাম্প সমূহত চলি থকা ভেজাল আৰু কাৰচাজিৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(গ) যদি জ্ঞাত, তেন্তে বন্ধবাৰ বিভিন্ন সংগঠন আৰু গ্রাহক ৰাইজে জিলা

প্রশাসনক অৱগত কৰোৱাৰ পাছতো প্রশাসনে এই বিষয়ত নীৰৱ ভূমিকা পালন কৰাৰ কাৰণ কি?

(ঘ) অভিযোগ মতে পেট্রল পাম্প সমূহত ১ লিটাৰ তেলত ১০০ গ্রাম কমকৈ তেল দিয়াতো চৰকাৰ জ্ঞাতনে?

(ঙ) যদি জ্ঞাত, বিষয়টোৰ ওপৰত শীঘ্রেই এক ন্যায়িক তদন্ত কৰি পেট্রল পাম্পবোৰৰ মালিক সকলক শাস্তি প্রদান কৰাৰ ব্যৱস্থা গ্রহণ কৰিবনে?

(চ) যদি যথোপযুক্ত ব্যৱস্থা গ্রহণ কৰে, ই কেতিয়া কার্য্যকৰী হব?

ডাঃ নজৰুল ইছলাম (খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ধুবুৰী সমষ্টিত সর্ব্বমুঠ ৬ (ছয়) টা পেট্রল পাম্প আছে। ইয়াৰে ৫ (পাঁচ) টা কার্য্যকৰী অৱস্থাত আছে আৰু এটা বর্ত্তমান বন্ধ হৈ আছে। পেট্রল পাম্প সমূহৰ নাম আৰু অৱস্থান তলত দিয়া হ'ল।

১। মেচার্চ নাথমল মহাবীৰ প্রসাদ, তেবাহাদুৰ ৰ'ড, ধুবুৰী।

২। মেচার্চ টাউন ষ্টোৰচ, তেগবাহাদুৰ ৰ'ড, ধুবুৰী।

৩। মেচার্চ বেডিও টকী ইকুইপমেণ্ট আৰু কোং তেগবাহাদুৰ ৰ'ড, ধুবুৰী।

৪। মেচার্চ ধুবুৰী চার্ভিচ ষ্টেচন, তেগবাহাদুৰ ৰ'ড, ধুবুৰী।

৫। মেচার্চ পুলিচ পেট্রল পাম্প, তেগবাহাদুৰ ৰ'ড্, ধুবুৰী (বন্ধ)।

৬। মেচার্চ কমলেশ কিষান সেৱা, ধর্ম্মশালা।

(খ) জ্ঞাত নহয়।

(গ) প্রশ্নই নুঠে।

(ঘ) জ্ঞাত নহয়।

(ঙ) প্রশ্নই নুঠে। তথাপিতো এনেধৰণৰ অভিযোগ পালে মালিক সকলৰ ওপৰত তদন্ত ক্রমে আইন অনুযায়ী ব্যৱস্থা গ্রহণ কৰা হব।

(চ) প্রশ্নৰ উত্তৰ "ঙ"ত দিয়া হৈছে।

বিষয় ঃ পুঁজি ধার্য্য ।

শ্রী ৰমেন্দ্র নাৰায়ণ কলিতাই সুধিছে ঃ

৩৪২। মাননীয় সংখ্যালঘু কল্যাণ ও উন্নয়ণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০৬-০৭ আৰু ২০০৭-০৮ চনত সংখ্যালঘু সকলৰ বিভিন্ন উন্নয়ণৰ বাবে কিমানখন আঁচনি আৰু পুঁজি ধার্য্য কৰিছিল?

(খ) উল্লেখিত বছৰ দুটাত ৰাজ্য চৰকাৰে সংখ্যালঘু এলেকাৰ জিলা সমুহলৈ কিমান পুঁজিৰ আৱণ্টন দিয়া হৈছিল? (জিলা ভিত্তিত পুঁজিৰ পৰিমাণ আৰু আঁচনিৰ নাম উল্লেখ কৰি তালিকা সদনৰ মেজত দাখিল কৰিব)।

(গ) কামৰূপ (মেট্র) জিলাত সংখ্যালঘু এলেকা সমুহৰ উন্নয়ণৰ বাবে উপৰোক্ত বছৰ দুটাত কিমান টকাৰ আঁচনি গ্রহণ কৰিছিল? (টকাৰ পৰিমাণ উল্লেখ কৰি আঁচনি সমূহ সদনৰ মেজত দাখিল কৰিব)

ডাঃ নজৰুল ইছলাম (সংখ্যালঘু উন্নয়ণ আৰু কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) সংখ্যালঘু সকলৰ বাবে অসম সংখ্যালঘু উন্নয়ন ও বিত্তীয় নিগম লিঃ আৰু অসম সংখ্যালঘু উন্নয়ন বর্ডৰ অধীনত ২০০৬-০৭ বর্ষত ৭ (সাত)খন আঁচনিৰ বিপৰীতে ১,৫২,৯৯,০০০.০০ টকা আৰু ২০০৭-০৮ বর্ষত ৯ খন আঁচনিৰ বিপৰীতে ২,২৬,৪২,০০০.০০ টকা ধার্য্য কৰা হৈছিল। ২০০৭-০৮ বর্ষত পুঁজি এতিয়ালৈ মোকলাই দিব পৰা নাই।

অসম সংখ্যালঘু উন্নয়ন ব'র্ড আৰু অসম সংখ্যালঘু উন্নয়ন ও বিত্ত নিগমে ৰূপায়ন কৰা বিভিন্ন আঁচনি সমূহ ভিন ভিন জিলা সমূহত ৰূপায়ন কৰা হয়। কিন্তু এতিয়ালৈকে সংশ্লিষ্ট জিলাবোৰত প্রত্যক্ষভাৱে কোনো পুঁজিৰ যোগান ধৰা হোৱা নাই।

(জিলা ভিত্তিত ৰূপায়ন কৰা বিভিন্ন আঁচনি ও হিতাধীকাৰীৰ সংখ্যা পৰিপূৰক তালিকাত দিয়া হ'ল) (See Annexure-XXV)

(গ) কামৰূপ (মেট্ৰ) জিলাত সংখ্যালঘু এলেকা সমূহৰ উন্নয়ণৰ বাবে ২০০৬-০৭ চনত ৰূপায়ন কৰা বিভিন্ন আঁচনিৰ বিপৰীতে হিতাধীকাৰীৰ সংখ্যা ও টকাৰ পৰিমান তলত দিয়া হ'ল।

অসম সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ অধীনত ঃ

আঁচনি	হিতাধীকাৰী	টকাৰ পৰিমান
১। কাটিং, টেইলৰিং, এম্ব্ৰডাৰি প্ৰশিক্ষন/চিলাই মেচিন বিতৰণ	১২ জন	৯৯,৭৮০.০০
২। ৰিক্সা ও ঠেলা বিতৰণ,	৩ জন	১৬,৫২৯.০০
৩। কম্পিউটাৰ প্ৰশিক্ষণ	১ জন	২৫,০০০.০০
৪। মেধাৱী ছাত্ৰ-ছাত্ৰী বৃত্তি প্ৰদান	১ জন	১০,০০০.০০
অসম সংখ্যালঘু উন্নয়ন নিগম ঃ		
১। কাটিং, টেইলৰিং, এম্ব্ৰডাৰি প্ৰশিক্ষণ ও চিলাই মেচিন বিতৰণ	২৫ জন	১,৫৯,১২৫.০০

বিষয় ঃ নিশিলামাৰী মধ্য ইংৰাজী বিদ্যালয়।

শ্ৰীজ্যোতি প্ৰসাদ দাসে সুধিছে ঃ

৩৪৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কামৰূপ জিলাৰ বকো বিধান সভা সমষ্টিত নিশিলামাৰী মধ্য ইংৰাজী বিদ্যালয় বুলি একে নামৰ ২ খন স্কুল অতি কম দূৰত্বৰ ভিতৰত আছে নেকি?

(খ) যদি আছে, তেন্তে কোনখন প্ৰকৃতাৰ্থত সঁচা আৰু কোনখন মিছা? দুয়োখন বিদ্যালয়ৰ অনুমতি শিক্ষা বিভাগে দিছে নেকি?

(গ) অসম চৰকাৰে কোনখন স্কুল কিমান চনত খোলাৰ বাবে অনুমতি দিছে আৰু বিদ্যালয় দুখনৰ স্থাপিত তাৰিখ কেতিয়া কেতিয়া?

(ঘ) দুয়োখন বিদ্যালয়কে চৰকাৰৰ তৰফৰ পৰা পৰিদৰ্শন কৰা হয়নে?

(ঙ) অসম চৰকাৰৰ শিক্ষা বিভাগৰ নিয়ম অনুযায়ী কোনখন বিদ্যালয় স্বীকৃতিপ্ৰাপ্ত?

(চ) চৰকাৰে দুয়োখন বিদ্যালয়কে স্বীকৃতিৰ ব্যৱস্থা কৰিবনে? অতি কম দুৰত্ব হোৱা বাবে এখন স্কুল বাতিল কৰিবনে?

(ছ) যদি বাতিল কৰে, তেন্তে কোনজন প্ৰধান শিক্ষকৰ অধীনৰ স্কুলখন বাতিল কৰিব?

শ্ৰীৰিপুন বৰা (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয় সঁচা।

(খ) সঁচা মিছাৰ প্ৰশ্ন নুঠে।

(গ) সুশীল সৰকাৰ লোকজন প্ৰধান শিক্ষক হৈ থকা স্কুলখনে ১/৫/৮৫ ইং চনত বিভাগীয় অনুমতি পাইছে আৰু ১/৫/৮৬ ইং তাৰিখে স্বীকৃতি পাইছে। দীলিপ কুমাৰ বৰ্মন প্ৰধান শিক্ষক হৈ থকা স্কুলখনে চৰকাৰৰ পৰা ২৫/১/২০০৬ তাৰিখৰ হুকুমৰ মৰ্মে প্ৰাদেশীকৰণ কৰা হয়।

(ঘ) হয়।

(ঙ) ওপৰত উল্লেখ কৰা হৈছে।

(চ) বিষয়টো পৰীক্ষা কৰি চোৱা হব।

(ছ) বিষয়টো পৰীক্ষা কৰি চোৱাৰ পিছতহে সিদ্ধান্ত লব পৰা যাব।

বিষয় ঃ চাউল আৱন্টন।

শ্ৰীঅভিজিত হাজৰিকাই সুধিছে ঃ

৩৩৪। মাননীয় খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শোণিতপুৰ জিলাৰ কোন কোন অঞ্চলত কিমান কিমান পৰিমানৰ ঘেহু, চেনি আৰু চাউল বি পি এল আৰু এ পি এলৰ কাৰণে চৰকাৰী ভাবে আৱণ্টন হৈছে আৰু বৰ্ত্তমানে কিমান মজুত আছে? (২০০৬ চনৰ এপ্ৰিলৰ পিছৰ পৰা জনাব)

(খ) শোণিতপুৰ জিলাৰ কোন কোন অঞ্চলত কিমান কেৰাচিন তেল ২০০৬ চনৰ এপ্ৰিল মাহৰ পৰা আৱণ্টন দিছে? (বিক্ৰী কেন্দ্ৰ সমুহৰ বিপৰীতে দেখুওৱাব)?

ডাঃ নজৰুল ইছলাম (খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) শোনিতপুৰ জিলাত মহকুমাভিত্তিত ২০০৬ চনৰ এপ্ৰিল মাহৰ পৰা ২০০৮ চনৰ ফেব্ৰুৱাৰী মাহলৈ আৱণ্টন দিয়া সামগ্ৰী তলত দিয়া হল।

সামগ্ৰী	তেজপুৰ	বিশ্বনাথ চাৰিআলি	গহপুৰ
১। ঘেহু	২৫৪৯ মেঃটঃ	৭৫০ মেঃ টঃ	৫৪৩ মেঃ টন
২। অন্তোদয়া চাউল	১৯০২৩ মেঃ টঃ	৬৩৭৭.৫ মেঃ টঃ	৬৪৮০.১৮ মেঃ টন
৩। বি,পি,এল চাউল	৩৭৬৩৮ মেঃ টঃ	১০৯৪৯.১২ মেঃ টঃ	১২৩৬৭.১৭ মেঃ টন
৪। চেনি	১৭৮৬৮ মেঃ টঃ	৪৭৭৬.০ মেঃ টঃ	৩৫২৮.০ মেঃ টন
৫। এ,পি,এল চাউল	২৫৬১৮.৪ মেঃ টঃ	৮৪৮০.৮ মেঃটঃ	৭২১০.৯ মেঃ টন
৬। কেৰাচিন তেল	২৬২১০ কেঃ এল	৭০৯৮ কেঃ এল	৬২৬১ কেঃ এল

উক্ত আৱণ্টনে জিলাখনৰ সকলো অঞ্চলকে সামৰিছে।

(খ) উত্তৰ 'ক'ৰ ৬ নংত উল্লেখ কৰা হৈছে। কেৰাচিন তেলৰ বিক্ৰী কেন্দ্ৰ সমূহৰ নাম আৰু মাহেকীয়া আৱণ্টন তলত উল্লেখ কৰা হ'ল।

তেজপুৰ মহকুমা ঃ

১।	মেচার্চ ৰংজিনি অইন ট্ৰেডার্চ, গাৰুৰানপট্টি-	৭২ কেঃ এল।
২।	মেচার্চ ৰংজিনি অইন ট্ৰেডার্চ, মিচন চাৰিআলি-	৬০ কেঃ এল।
৩।	মেচার্চ ৰংজিনি অইল ট্ৰেডার্চ, বালিপাৰা-	৩২ কেঃ এল।
৪।	মেচার্চ কিষানলাল ৰামপ্ৰসাদ এণ্ড চনম, ৰাঙাপাৰা	৫৪ কেঃ এল।
৫।	মেচার্চ সোন্দৰাম মহাদেউ, চতিয়া-	৮০ কেঃ এল।

৬। মেচার্চ বর্মন অইল কোঃ চিৰাজুলি ৬০ কেঃ এল।
৭। মেচার্চ পোনম অইল ট্রেডার্চ, তেজপুৰ- ৫৮ কেঃ এল।
৮। মেচার্চ লুইত অইল ট্রেডার্চ, তেজপুৰ- ১০৮ কেঃ এল।
৯। মেচার্চ চেৰাউগি কেমিকেলচ, তেজপুৰ- ১০৬ কেঃ এল।
১০। মেচার্চ জনতা কে, অইন, বালিপাৰা- ৩০ কেঃ এল।
১১। মেচার্চ চাৰিদুৱাৰ অইল ট্রেডাৰ, চাৰিদুৱাৰ- ৪৮ কেঃ এল।
১২। মেচার্চ দৰঙ ইন্দ্রাষ্ট্রিয়েল, কৰপৰেচন, জামুগুৰিহাট- ১১২ কেঃ এল।
১৩। মেচার্চ লালচান্দ নাগৰমল এণ্ড কোঃ ঢেকিয়াজুলি- ২০২ কেঃ এল।
১৪। মেচার্চ জে, কে, বৰুৱা, জামুগুৰিহাট- ১০২ কেঃ এল।

<u>বিশ্বনাথ চাৰিআলি ঃ</u>

১। মেচার্চ সুন্দৰাম মহাদেউ, বিশ্বনাথ চাৰিআলি- ১৩২ কেঃ এল।
২। মেচার্চ চেৰাউগি কৰপৰেচন, বিশ্বনাথ চাৰিআলিঃ ৬০ কেঃ এল।
৩। মেচার্চ বি, আৰ, এচ, পি বিশ্বনাথ চাৰিআলি- ৪৮ কেঃ এল।
৪। মেচার্চ লাবণ্য ট্রেডিং বৰগাং- ৭২ কেঃ এল।

<u>গহপুৰ মহকুমা ঃ</u>

১। মেচার্চ সুন্দৰাম মহাদেউ, ঘাহিগাওঁ- ৭২ কেঃ এল।
২। মেচার্চ সুন্দৰাম মহাদেউ, গহপুৰ- ৩০ কেঃ এল।
৩। মেচার্চ চেৰাউগি কৰপৰেচন, ঘাহিগাঁও- ৭২ কেঃ এল।
৪। মেচার্চ আচুলাল দিনমল, গহপুৰ, ৫৪ কেঃ এল।
৫। মেচার্চ বিনাপানী অইল ট্রেডার্চ, ৪৫ কেঃ এল।

বিষয় ঃ হজ যাত্রীৰ সংখ্যা।

শ্রীআব্দুল আজিজে সুধিছে ঃ

৩৪৫। মাননীয় হজ পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০৫-২০০৬,২০০৬-০৭ আৰু ২০০৭-২০০৮ চনত অসমৰ পৰা কিমান হজ যাত্ৰী হজ সেৱাৰ বাবে যাত্ৰা কৰিছিল?

(খ) এই হজ সেৱাৰ বাবদ প্ৰস্তুতি আৰু যাত্ৰা আৰম্ভনিৰ পৰা স্ব-দেশলৈ প্ৰত্যাবৰ্ত্তন কৰা সময়লৈ প্ৰতিজন হজ যাত্ৰীৰ খৰছ কিমান হয় চৰকাৰে জনাবনে?

(গ) সংখ্যালঘু পৰিকল্পনা আৰু উন্নয়ন বিভাগে প্ৰতিজন হজযাত্ৰীক হজৰ বাবদ কিমান টকা অনুদান দিয়ে আৰু অনুদান দিয়াৰ ভিত্তি কি হিচাবে পৰীক্ষা কৰে?

(ঘ) হজ যাত্ৰী বাচনি কৰাৰ ভিত্তি কি?

(ঙ) নিম্ন আয়ৰ শ্ৰেণীৰ ব্যাক্তি সকলৰ বাবে হজযাত্ৰীৰ পেকেজ আচনি আছে নেকি? যদি নাই, চৰকাৰে ইয়াৰ ব্যৱস্থা কৰিবনে?

(চ) হজযাত্ৰী সকললৈ পোনপটীয়া ভাৱে চৰকাৰে নিজবৰীয়াকৈ অনুদান আগবঢ়োৱাৰ ব্যৱস্থা কৰিবনে?

ডাঃ নজৰুল ইছলাম (হজ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ পৰা যো ২০০৫ চনত ১,৪৫০ জন, ২০০৬ (১) চনত ২,০৪২ জন, ২০০৬ (২) চনত ২,২১৪ জন, ২০০৭ চনত ২,৬০৯ জন হজযাত্ৰীয়ে হজ সেৱাৰ বাবে যাত্ৰা কৰিছিল।

(খ) শ্ৰেণী অনুযায়ী প্ৰতিজন হজযাত্ৰীৰ খৰছ হয় এনে ধৰণৰ ঃ প্ৰথম শ্ৰেণীৰ বাবদ খৰছ হয় ৮৯,২৩৬.০০ টকা, দ্বিতীয় শ্ৰেণীৰ বাবদ মুঠ খৰছ হয় - ৮৩,০০৬.০০ টকা, তৃতীয় শ্ৰেণীৰ বাবদ মুঠ খৰছ হয় ৭৬,১৫৩.০০ টকা চতুৰ্থ শ্ৰেণীৰ বাবদ মুঠ খৰছ ৭৬,১৫৩.০০ টকা, ৫ম শ্ৰেণীৰ বাবদ মুঠ খৰছ হয় ৬৮,৬৭৭.০০ টকা।

(গ) কোনো হজ যাত্ৰীক চৰকাৰৰ ফালৰ পৰা অনুদান দিয়াৰ ব্যৱস্থা নাই।

(ঘ) আবেদন আৰু হজ যাত্ৰীৰ শৰীৰৰ সুস্থতাৰ ওপৰত চিকিৎসকৰ

পৰা পোৱা প্ৰমান পত্ৰৰ ভিত্তিত হজ যাত্ৰীৰ বাচনি কৰা হয়। এজন হাজীয়ে এবাৰ হজ সমাপন কৰাৰ পিছৰ পৰা সম্পূৰ্ণ পাছ বছৰ নোহোৱালৈ তেওঁক বাচনি কৰা নহয়। তদুপৰি অসমৰ হজযাত্ৰীৰ কোটা (Quota) অনুযায়ী আবেদনকাৰী সংখ্যা কমহেতু ইয়াত কোনো হজ যাত্ৰীৰ বাচনিৰ আৱশ্যকতা নাই।

(ঙ) নাই। ইছলাম ধৰ্মত দুখীয়া শ্ৰেণীৰ লোকৰ কাৰণে হজ সমাপন কৰাৰ আৱশ্যক নহয়। চৰকাৰে দুখীয়া শ্ৰেণীৰ লোকৰ কাৰণে কোনো আঁচনি লোৱা নাই।

(চ) এতিয়ালৈ কোনো চিন্তা চৰ্চা হোৱা নাই।

বিষয় ঃ কেৰাচিনৰ যোগান।

শ্ৰীদ্ৰুপদ বৰগোহাঁইয়ে সুধিছে ঃ

৩৪৬। মাননীয় খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ কোন কোন জিলাত কিমান পৰিমাণৰ কেৰাচিল তেল যোগান ধৰা হয়?

(খ) কেৰাচিন তেল যোগানৰ নীতি কি কি?

(গ) নাজিৰা মহকুমাত এতিয়া কিমান কেৰাচিন তেল যোগান ধৰা হয়?

(ঘ) যোৱা ২০০৭-০৮ চনত এই পৰ্য্যন্ত কেৰাচিন যোগান মাহে মাহে কিমান যোগান ধৰা হৈছিল?

(ঙ) কেৰাচিন যোগান দিয়া কিমান এজেণ্ট এই মহকুমাত আছে? (এজেণ্ট সকলৰ নাম সদনত দাখিল কৰিব)

ডাঃ নজৰুল ইছলাম (খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ জিলা সমূহলৈ আৱণ্টন দিয়া কেৰাচিন তেলৰ তালিকা সংলগ্ন 'ক'ত দিয়া হ'ল। (See Annexure-XXVI)

(খ) জনসংখ্যা অনুযায়ী সকলো জিলাতে সামান্য তাৰতম্যৰে কেৰাচিন তেল আৱণ্টন হয়। সেই তেলখিনি উপায়ুক্ত/মহকুমাধিপতি সকলে সমবায় সমিতি, সূলভ মূল্যৰ দোকানী, হকাৰ অনুজ্ঞাপত্ৰ ধাৰী খুচুৰা বিক্ৰেতাৰ জৰিয়তে গ্ৰাহকৰ (কার্ড থকা) মাজত বিতৰণ কৰা হয়।

(গ) নাজিৰা মহকুমাত বৰ্ত্তমান প্ৰতিমাহে ২২০ মেট্ৰিক টনকৈ কেৰাচিন তেল যোগান ধৰা হৈছে।

(ঘ) যোৱা ২০০৭-০৮ চনত নাজিৰা মহকুমাত প্ৰতিমাহে ২২০ মেট্ৰিক টনকৈ কেৰাচিন তেল যোগান ধৰা হৈছে।

(ঙ) নাজিৰা মহকুমাত ৩৮৪ জন এজেণ্টৰ জৰিয়তে কেৰাচিন তেলৰ লগতে ৰাজহুৱা বিতৰণৰ অন্যান্য সামগ্ৰীও বিতৰণ কৰা হয়। এজেণ্ট সকলৰ নামৰ তালিকা বিচৰা হৈছে।

বিষয় ঃ ৰাজীৱ গান্ধী বিদ্যুৎ আঁচনি।

ড° মনোৰঞ্জন দাসে সুধিছে ঃ

৩৪৭। মাননীয় শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ সকলো গাওঁ ৰাজীৱ গান্ধী বিদ্যুৎ আঁচনিয়ে সামৰি লোৱাৰ সফল ৰূপ কেতিয়া প্ৰতিফলিত হব?

(খ) অসমৰ অতি পিছ পৰা ভৱানীপুৰ সমষ্টিত এনে আঁচনিৰ প্ৰতিফলন ঘটিব নে?

(গ) যদি ঘটে, তেতিয়াহলে অন্তত ঃ সমষ্টিবাসী ৰাইজক আশ্বস্ত কৰিবৰ বাবে গাওঁ সমুহৰ নামৰ তালিকা বিতংভাৱে জনাব নে?

(যদি উন্নয়ন খণ্ড ভিত্তিত গাঁৱৰ নাম উল্লেখ কৰে, তেতিয়াহলে অকল ভৱানীপুৰ উন্নয়ন খণ্ডৰ গাঁৱৰ নাম উল্লেখ কৰিলে নহব, কাৰণ ভৱানীপুৰ সমষ্টি ভৱানীপুৰ, বজালী আৰু জালাহ উন্নয়ন খণ্ডৰ অংশ বিশেষক লৈ গঠিত)

শ্রীপ্রদ্যুৎ বৰদলৈ (শক্তি বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) এই পর্য্যন্ত বৈদ্যুতিকৰণ নোহোৱা আৰু বৈদ্যুতিকৰণ হোৱাৰ পাছতো প্রাকৃতিক দুর্যোগ আদিৰ ফলত বিদ্যুৎ বিচ্ছিন্ন হৈ থকা আৰু আংশিক ভাবে বৈদ্যুতিকৰণ কৰিব লগীয়া অসমৰ সমূহ গাওঁ ৰাজীৱ গান্ধী গ্রাম্য বৈদ্যুতিকৰণ আঁচনিত সামৰি লোৱা হৈছে। কেন্দ্রীয় চৰকাৰৰ অধিসূচনা মর্মে ২০০৯ চনৰ ভিতৰত অসমৰ সমূহ গাওঁ বৈদ্যুতিকৰণ কৰাৰ পৰিকল্পনা আছে।

(খ) হয়, ঘটিব।

(গ) ভৱানীপুৰ, বজালী আৰু উন্নয়ন খণ্ডৰ বিতং প্রকল্পৰ প্রতিবেদন (DPR) ত অন্তর্ভুক্ত গাওঁ সমূহৰ তালিকা ইয়াৰ লগত গাঁঠি দিয়া হ'ল। (তালিকা 'ক'ত দিয়া হ'ল)। (See Annexure-XXVII)

বিষয় ঃ প্রাদেশীকৰণ বকেয়া আৰু গুৱাহাটী উন্নয়ন।

শ্রীহিৰেণ দাসে সুধিছে ঃ

৩৪৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম মাধ্যমিক শিক্ষা পৰিষদৰ স্বীকৃতিপ্রাপ্ত হাইস্কুল আৰু জ্যেষ্ঠতাৰ ভিত্তিত প্রাথমিক বিদ্যালয় সমূহ প্রাদেশীকৰণৰ ব্যৱস্থা লবনে? যদি লয়, কেতিয়া লব? যদি নলয়, কাৰণটো কি?

(খ) অপ্রাদেশীকৃত মধ্য ইংৰাজী বিদ্যালয় আৰু প্রাথমিক বিদ্যালয় সমূহক আগবঢ়োৱা অর্থ সাহার্য্য (Financial Assistance) বন্ধ কৰি দিয়া হ'ল নেকি?

(গ) দৰং জিলাত মুঠ কিমানজন হাইস্কুলৰ সহঃ শিক্ষকে বকেয়া দর্মহা পাবলৈ বাকী আছে? মঙ্গলদৈ নগৰ বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহঃ শিক্ষক শ্রীদীপক ডেকা, শ্রীনির্মালী নাথ আৰু চতুর্থ শ্রেণীৰ শ্রীবিকনৰ বহুদিনীয়া বকেয়া দর্মহা কেতিয়া মোকলাই দিব?

(ঘ) গুৱাহাটী বিশ্ববিদ্যালয়ত অনুসূচীত জনজাতি আৰু অনুসূচীত

জাতিৰ কিমানজন শিক্ষক আৰু অন্যান্য কৰ্মচাৰী আছে? ST আৰু SC ৰ কিমান সংৰক্ষিত পদ বকেয়া হৈ আছে জনাবনে? (বিভাগ আৰু কৰ্মচাৰী পদ সহ তালিকা সদনত দিব)

(ঙ) কেন্দ্রীয় চৰকাৰৰ পৰা UGC ৰ বিধিমতে ST আৰু SC ৰ কৰ্মচাৰী নিয়োগ কৰাৰ বাবে বিশ্ববিদ্যালয় কৰ্ত্তৃপক্ষলৈ কোনো নির্দেশ জাৰি কৰাতো সত্যনে? যদি সত্য, কেতিয়া এই নির্দেশ জাৰি কৰিছে আৰু নির্দেশনাত কি আছে বিতং জনাবনে?

(চ) উক্ত নির্দেশটো বিশ্ববিদ্যালয় কৰ্ত্তৃপক্ষই কার্য্যকৰী কৰিছেনে? যদি কৰা নাই, কিয় কৰা নাই আৰু এই বিষয়ে চৰকাৰে কার্য্যকৰী ব্যৱস্থা লবনে?

শ্রীৰিপুন বৰা (শিক্ষা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) এই বিষয়ে এতিয়ালৈ কোনো সিদ্ধান্ত লোৱা হোৱা নাই।

(খ) বন্ধ কৰা হোৱা নাই।

(গ) মুঠ ৯৩ জন সহঃ শিক্ষক-শিক্ষয়িত্রীয়ে বকেয়া দৰমহা পাবলৈ বাকী আছে। চলিত বিত্তীয় বর্ষত নির্দিষ্ট শিতানত পুঁজি নথকা হেতুকে বকেয়া দৰমহা আদায় দিব পৰা হোৱা নাই। আদায় দিয়াৰ ব্যৱস্থা লোৱা হ'ব।

(ঘ) ৮ জন শিক্ষক, ৪ জন বিষয়া, ৫ জন কৰ্মচাৰী অনুসূচীত জনজাতিৰ আৰু ২ জন শিক্ষক, আৰু ৪১ জন কৰ্মচাৰী অনুসূচীত জাতিৰ আছে। এতিয়ালৈকে ১২ জন অনুসূচীত জনজাতি আৰু ৪১জন অনুসূচীত জাতিৰ শিক্ষক, ১ জন অনুসূচীত জনজাতি আৰু ১০ জন অনুসূচীত জাতিৰ বিষয়া ৭৩ জন অনুসূচীত জনজাতি আৰু ১১১ জন কৰ্মচাৰী সংৰক্ষণ বকেয়া হৈ আছে। পদ সংৰক্ষণ মুঠ পদৰ ওপৰত হয়, বিষয় ভিত্তিত নহয়।

(ঙ) বিশ্ববিদ্যালয়ৰ অনুদান আয়োগে যোৱা ২০০৭ চনৰ জুলাই মাহত নির্দেশ জাৰি কৰাটো সত্য। উক্ত নির্দেশত নিয়োগৰ ক্ষেত্রত শিক্ষক

আৰু কর্মচাৰীৰ বেলিকা ১৫% অনুসূচীত জাতি আৰু ৭.৫% শতাংশ অনুসূচীত জনজাতিৰ সংৰক্ষিত থকাৰ কথা উল্লেখ আছে।

(চ) উক্ত নির্দেশনা গুৱাহাটী বিশ্ববিদ্যালয় কর্ত্তৃপক্ষই মানি লৈছে আৰু কার্য্যকৰী ব্যৱস্থা হাতত লৈছে।

বিষয় ঃ বড়ো ছাত্ৰৰ সংখ্যা।

শ্রীকমল সিং নার্জাৰী য়ে সুধিছে ঃ

৩৪৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ বিভিন্ন চৰকাৰী মঞ্জুৰী প্রাপ্ত আৰু চৰকাৰী অনুমোদন প্রাপ্ত মহাবিদ্যালয়ত বড়ো ভাষাক মাতৃভাষা হিচাপে লৈ ছাত্র-ছাত্রীয়ে অধ্যয়ন কৰি থকা বিষয়টোত চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, কোনখন মহাবিদ্যালয়ত কিমানজনকৈ ছাত্র-ছাত্রী বড়ো ভাষাক মাতৃভাষা হিচাপে লৈ অধ্যয়ন কৰি আছে? (উত্তৰ তথ্য সহ দিব)

(গ) বড়ো ভাষাক মাতৃভাষা হিচাপে লৈ যিবোৰ মহাবিদ্যালয়ত ছাত্র-ছাত্রীয়ে অধ্যয়ন কৰি আছে সেইবোৰ মহাবিদ্যালয়ত প্রয়োজনীয় শিক্ষক নিযুক্তি দিয়া হৈছেনে?

(ঘ) যদি হোৱা নাই, কিয় হোৱা নাই? (বিতং ভাবে জনাব)

(ঙ) উক্ত মহাবিদ্যালয়ত বড়ো মাতৃভাষাৰ শিক্ষক নিযুক্তিৰ কোনো আঁচনি চৰকাৰৰ আছে নেকি? যদি আছে, কিমান দিনৰ ভিতৰত সেয়া কার্য্যকৰী কৰা হ'ব?

শ্রীৰিপুন বৰা (শিক্ষা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অৱগত।

(খ) চৰকাৰী মঞ্জুৰীপ্রাপ্ত মহাবিদ্যালয়ত পঢ়িথকা ছাত্র-ছাত্রীৰ তালিকা নিচান 'ক'ত সংলগ্ন কৰি সদনৰ মেজত পেচ্ কৰা হ'ল। (See Annexure-XXVIII) অপ্রাদেশীকৃত মহা বিদ্যালয়ৰ পৰা তথ্য বিচৰা হৈছে, ইয়াৰ প্রতিলিপি সংলগ্ন কৰি নিচান 'খ'ত সন্নিবিষ্ট

কৰি সদনৰ মেজত পেচ্ কৰা হ'ল। (See Annexure-XXIX)

(গ) চৰকাৰী মঞ্জুৰীপ্ৰাপ্ত (প্ৰাদেশীকৃত) মহাবিদ্যালয় সমূহত শিক্ষক নিযুক্তি দিয়া হৈছে। অপ্ৰাদেশীকৃত মহা বিদ্যালয়ত GB এ শিক্ষক নিযুক্তি দিছে।

(ঘ) প্ৰশ্ন নুঠে।

(ঙ) নাই।

বিষয় ঃ L.P. আৰু M.E. স্কুলৰ শিক্ষক নিযুক্তি।

ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ

৩৫০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ২০০৬ বৰ্ষতেই L.P. আৰু M.E. স্কুল বিলাকৰ শিক্ষকৰ পদৰ বাচনি প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পিছতো আজিলৈকে এই পদ সমূহৰ নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ নোহোৱাৰ কাৰণ কি?

(খ) চৰকাৰে এই নিযুক্তি প্ৰক্ৰিয়া কেতিয়ালৈকে আৰম্ভ কৰিব?

শ্ৰীৰিপুন বৰা (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) চৰকাৰৰ নীতি অনুযায়ী বিত্ত বিভাগৰ যাবতীয় অনুমোদন আৰু মাননীয় উচ্চ ন্যায়ালয়ত অ'বিবি শিক্ষকৰ চাকৰি নিয়মীয়াকৰণ সংক্ৰান্তীয় বিচাৰাধীন গোচৰৰ চুড়ান্ত মীমাংসা নোহোৱাৰ পৰিপ্ৰেক্ষিতত প্ৰাথমিক বিদ্যালয়, মধ্য ইংৰাজী বিদ্যালয় আৰু মজলীয়া বিদ্যালয়ৰ শিক্ষকৰ খালী পদত বাছনিভূক্ত প্ৰাৰ্থীক নিযুক্তি দিব পৰা হোৱা নাই।

(খ) ওপৰৰ 'ক'ত উল্লেখ কৰা হৈছে।

Sub. : Total No. of L.P. School.

Shri Sirajuddin Ajmal, asked :

351. Will the Minister of Education be pleased to state :

(a) How many Govt.'s L.P. Schools are there in Assam? (Furnish the list in detail District-wise)

(b) How many regular teachers are there in L.P. Schools in Assam? (Furnish the list in detail District-wise)

(c) How many L.P. Schools are there in Assam having single teacher? (Furnish the list with name in detail District-wise)

Shri Ripun Bora (Minister of Education) replied :

(a) There are 431 Nos L.P. Schools in Assam. District-wise break up at Annexure-"A" below. (See Annexure-XXX)

(b) There are 70,797 Nos regular working teachers in L.P. School in Assam. District-wise break up at Annexure-"B" below.

(c) There are 4,170 Nos L.P. Schools in Assam having single teacher. District-wise break up at Annexure-"B" below. (See Annexure-XXXI)

বিষয় ঃ ব্যক্তিগত বিদ্যুৎ মিটাৰ।

শ্রীৰামেশ্বৰ তেলীয়ে সুধিছে ঃ

৩৫২। মাননীয় শক্তি(বিদ্যুৎ) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) চাহ বাগিচা সমূহলৈ ব্যক্তিগত বিদ্যুৎ মিটাৰ যোগান দিয়াটো সঁচানে?

(খ) যদি হয়, এই সম্পর্কে শক্তি বিভাগৰ সৈতে চৰকাৰ আৰু মালিক পক্ষৰ কিবা আলোচনা হৈছে নেকি? Cluster Meter ব্যৱস্থাটো উঠাই দিয়া হৈছে নেকি?

(গ) কিমান টকাৰ আৰু কিমান পৰিমাণৰ বিদ্যুৎ মিটাৰ ক্ৰয় কৰা হৈছে? ইয়াৰ প্ৰত্যেকটো মিটাৰৰ ক্ৰয় মূল্য কিমান টকা?

(ঘ) উক্ত বিদ্যুৎ মিটাৰ কোনে যোগান ধৰিছে? এই মিটাৰ যোগান দিয়াৰ বাবে কেতিয়া নিবিদা আহ্বান কৰা হৈছিল?

(ঙ) এই মিটাৰ যোগান ধৰাৰ বাবে কোনো সমিতি আছে নেকি? এই মিটাৰ যোগান দিয়াৰ ঠিকা কোনে পাইছে? এতিয়ালৈকে এই মিটাৰ যোগান সম্পূৰ্ণ হ'লনে?

(চ) দুলীয়াজান সমষ্টিত কিমানখন চাহ বাগিচাই এই মিটাৰ পাব? কিমানজন গ্ৰাহকে এই মিটাৰ পালে?

শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয় সঁচা।

(খ) এই বিষয়ত বিদ্যুৎ বিভাগৰ সৈতে চৰকাৰ আৰু মালিক পক্ষৰ সৈতে আলোচনা হৈছিল। Cluster Meter ৰ ব্যৱস্থাটো উঠায় দিয়া হোৱা নাই।

(গ) কৰসহ প্ৰতিটো ৬৪৭.১৮ টকা মূল্যৰ, ১৩,৩৩০ টা মিটাৰ, মুঠ ৮৬,২৬,৯১৩.০০ টকা খৰচ কৰি কিনা হৈছিল।

(ঘ) মিটাৰ বিলাক অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে ক্ৰয় কৰি যোগান ধৰিছিল। এই মিটাৰ ক্ৰয় কৰিবৰ বাবে বেলেগে নিবিদা আহ্বান নকৰি এ, পি, ডি, আৰ, পি প্ৰকল্পৰ ১৮৮/২০০৩ নং নিবিদা মৰ্মে ক্ৰয় কৰা হৈছিল।

(ঙ) হয় আছে। এই ক্ৰয়ৰ বাবে এ, পি, ডি, আৰ, পি বিভাগৰ নিবিদা কমিটি আছে। যোগান দিয়াৰ বাবে কোনো সমিতি নাই। এই মিটাৰ M/S Allied Engineering Works Ltd. Delhi ফাৰ্ম এখনে যোগান ধৰাৰ ঠিকা পাইছিল। সমূহ মিটাৰৰ যোগান পোৱা হৈছে।

(চ) দুলীয়াজান সমষ্টিৰ মুঠ ৪খন বাগিছাই এই মিটাৰ পাব।

এতিয়ালৈকে তাৰে ৩ খন বাগিছাৰ ৫৫৪ জন বনুৱাৰ ঘৰত এই মিটাৰ লগোৱা হৈছে।

বিষয় ঃ শিক্ষা কেন্দ্ৰ প্ৰতিষ্ঠা।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

৩৫৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সৰ্বশিক্ষাৰ যোগে চৰকাৰে ৰাজহুৱা শিক্ষা অনুষ্ঠান, সহযোগী শিক্ষা কেন্দ্ৰবোৰ কেনে পদ্ধতিৰে পৰিচালনা ও প্ৰতিষ্ঠা কৰা হয়?

(খ) এনে প্ৰতিষ্ঠানসমূহ আৰম্ভ কৰোঁতে কি কি মাধ্যমৰ যোগেদি প্ৰচাৰ কৰা হয়?

শ্ৰীৰিপুন বৰা (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) **সংযোগী শিক্ষাকেন্দ্ৰ আৰু সামূহিক শিক্ষা কাৰ্যসূচী (Community Coaching Programme):** সংযোগী শিক্ষাকেন্দ্ৰ আৰু সামূহিক শিক্ষা কাৰ্যসূচী (Community Coaching Programme) সমূহ গাওঁ শিক্ষা সমিতি/চাহ বাগিছা শিক্ষা সমিতিয়ে পৰিচালনা আৰু প্ৰতিষ্ঠা কৰে। পোনতে সৰ্বশিক্ষা অভিযানে কৰা জৰীপৰ তথ্যৰ ভিত্তিত সংশ্লিষ্ট চুবুৰী/গাওঁসমূহ চিনাক্তকৰণ কৰা হয়। সংযোগী শিক্ষা কেন্দ্ৰৰ বাবে প্ৰতিটো চুবুৰীত কমেও ৫ গৰাকী ৭-১৪ বছৰ বয়সৰ বিদ্যালয়ত নপঢ়া শিশু থাকিব লাগে। সামূহিক শিক্ষা কেন্দ্ৰৰ ক্ষেত্ৰত তাতোকৈ কম শিশু হ'লেও বিবেচনা কৰা হয়। সংযোগী শিক্ষা কেন্দ্ৰ চুবুৰী বা গাওঁ ভিত্তিত স্থাপন কৰা হয়। সামূহিক শিক্ষা কেৱল গাওঁ ভিত্তিত স্থাপন কৰা হয়।

চিনাক্ত কৰা চুবুৰী/গাওঁবোৰৰ সংশ্লিষ্ট গাওঁ শিক্ষা সমিতি/চাহ বাগিছা শিক্ষা সমিতিৰ সভাপতি আৰু সদস্য সচিবসকলক লৈ জিলা স্তৰত এখন সভা অনুষ্ঠিত হয়। তাৰ পাছত প্ৰত্যেক গাওঁতে একোখনকৈ ৰাজহুৱা সভা আহ্বান কৰি তাত এই শিক্ষা সমিতি/সেই

গাঁৱৰে বিদ্যালয় পৰিচালনা সমিতি আৰু সংশ্লিষ্ট গাওঁ পঞ্চায়তৰ সভাপতিৰ দ্বাৰা গঠিত বাছনি সমিতিয়ে দুয়োবিধ কার্যসূচীৰ বাবে শিক্ষা কর্মী বাছনি কৰে। এই নির্বাচিত প্রার্থীসকলক জিলা স্তৰত ১০ দিনীয়া আবাসিক প্রশিক্ষণ প্রদান কৰা হয় আৰু তেওঁলোকে প্রশিক্ষণৰ পৰা গৈ নিজৰ নিজৰ গাওঁ শিক্ষা সমিতি/চাহ বাগিছা শিক্ষা সমিতিৰ লগ লাগি কেন্দ্রসমূহ প্রতিষ্ঠা কৰে।

কেন্দ্রসমূহ পৰিচালনা কৰোতে স্থানীয় গাঁও শিক্ষা সমিতি/চাহ বাগিছা শিক্ষা সমিতিয়ে মুখ্য ভূমিকা গ্রহণ কৰে। কেন্দ্রৰ কাম কাজ নিৰীক্ষণৰ লগতে সমিতিসমূহে শিক্ষাকর্মীক দিবলগীয়া মাহিলী মাননী ১৫০০ টকা আৰু নৈমিত্তিক খৰছৰ অনুদান ১০০ টকা সর্বশিক্ষা অভিযান মিছনৰ পৰা গ্রহণ কৰে আৰু শিক্ষাকর্মীসকলৰ মাজত বিতৰণ কৰে।

আমাৰ পঢ়াশালি ঃ অসম সর্বশিক্ষা অভিযান মিছনে অসমৰ বিদ্যালয়বিহীন এলেকাসমূহত (যিবোৰ এলেকাত ১.৫ কিলোমিটাৰ ব্যাসাদ্ধত কোনোধৰনৰ চৰকাৰী বা প্রাদেশীকৃত প্রাথমিক শিক্ষা অনুষ্ঠান নাই) ৬-১০ বছৰ বয়সৰ শিশুসকলক বিদ্যালয়মুখী কৰিবলৈ শিক্ষা নিশ্চিতকৰণ আঁচনিৰ জৰিয়তে এক বিকল্প শিক্ষা ব্যৱস্থা কৰিছে। স্থানীয় ৰাইজ তথা গাওঁ শিক্ষা সমিতিৰ প্রস্তাৱমর্মে বিদ্যালয়বিহীন বুলি চিহ্নিত এলেকাসমূহত য'ত অতি কমেও ২৫ গৰাকী বিদ্যালয় বহির্ভুত ল'ৰা-ছোৱালী থাকে (চৰ/নৈপৰীয়া, বনাঞ্চল, সীমান্তৱর্তী, পাহাৰীয়া আদি বিশেষ ধৰণৰ অঞ্চলৰ ক্ষেত্রত বিদ্যালয় বহির্ভুত ল'ৰা-ছোৱালীৰ নূন্যতম সংখ্যা ১৫ জন) এনেবোৰ এলেকাত "আমাৰ পঢ়াশালি" নামেৰে শিক্ষাকেন্দ্র প্রতিষ্ঠা কৰা হয়। স্থানীয় ৰাইজ তথা গাওঁ শিক্ষা সমিতিৰ মুখ্য সহযোগত এই কেন্দ্রত সংশ্লিষ্ট গাওঁ পঞ্চায়তৰ সভাপতি, সংশ্লিষ্ট গাওঁ শিক্ষা সমিতি/চাহ বাগিছা শিক্ষা সমিতিৰ সভাপতি, সদস্য সচিব আৰু সদস্য/সদস্যাৰে গঠিত বাছনি সমিতিৰ দ্বাৰা নির্বাচিত স্থানীয় উপযুক্ত প্রার্থীয়ে শিক্ষামিত্র হিচাপে পাঠদান কার্য পৰিচালনা কৰে। এই কেন্দ্রসমূহৰ প্রতিষ্ঠা

আৰু পৰিচালনাৰ ক্ষেত্ৰত গাওঁ শিক্ষা সমিতিৰ গুৰুত্বপূৰ্ণ ভূমিকাসমূহ হ'ল-

১। কেন্দ্ৰ প্ৰতিষ্ঠাৰ বাবে মাটিৰ ব্যৱস্থা কৰা।

২। শ্ৰেণীকাৰ্য সুনিয়াৰিকৈ পৰিচালনা কৰাৰ বাবে ভাড়া বিহীন ঘৰৰ ব্যৱস্থা কৰা।

৩। সৰ্বশিক্ষা মিছনৰ তৰফৰ পৰা কেন্দ্ৰলৈ আগবঢ়োৱা বিভিন্ন ধৰণৰ সামগ্ৰী তথা আৰ্থিক মঞ্জুৰীৰ উপযুক্ত ব্যৱহাৰ কৰা।

৪। শ্ৰেণীকাৰ্য ধাৰাবাহিকভাবে পৰিচালনা হোৱাটো নিশ্চত কৰা।

জ্যোতিকেন্দ্ৰ ঃ চহৰ অঞ্চলৰ ৭-১৪ বছৰ শিক্ষাৰ পৰা বঞ্চিত শিশুৰ বাবে 'জ্যোতিকেন্দ্ৰ' নামেৰে শিক্ষাকেন্দ্ৰ খোলা হৈছে। 'জ্যোতিকেন্দ্ৰ'ৰ স্থান আৰু শিক্ষাকৰ্ম্মীৰ বাছনি স্থানীয় ৱাৰ্ড শিক্ষা সমিতিৰ দ্বাৰা কৰা হয়। এই কেন্দ্ৰ সমূহো স্থানীয় ৱাৰ্ড শিক্ষা সমিতিৰ সহযোগত পৰিচালনা কৰা হয় ।

(খ) এই শিক্ষাকেন্দ্ৰ আৰম্ভ কৰোতে ওপৰত উল্লেখ কৰাৰ দৰে জিলা স্তৰত আৰু গাওঁ স্তৰত সভা পাতি প্ৰচাৰ কৰা হয়। সময়ে সময়ে বাতৰি কাকতত বিজ্ঞাপন প্ৰকাশ কৰা হয়। ৰেডিঅ' অনুষ্ঠানৰ যোগেদিও প্ৰচাৰ কৰা হয়। জিলা পৰ্য্যায়ৰ শিক্ষা নিশ্চিতকৰণ আঁচনি সমিতিৰ সভাপতি (জিলা উপায়ুক্ত)ৰ তত্বাৱধানত "আমাৰ পঢ়াশালি" প্ৰতিষ্ঠা সন্দৰ্ভত জাননী জাৰি কৰা হয়। এনে শিক্ষাকেন্দ্ৰসমূহ আৰম্ভ কৰাৰ আগতে ৰাইজ তথা অভিভাৱক-অভিভাৱিকাৰ সজাগতাৰ স্বাৰ্থত শিক্ষা নিশ্চিতকৰণ আঁচনি সন্দৰ্ভত নানা ধৰণৰ সজাগতা সভা আয়োজন কৰা হয়। শিক্ষামিত্ৰ নিৰ্বাচনৰ বাবেও স্থানীয়ভাৱে প্ৰাৰ্থী বিচাৰি বিজ্ঞাপন দিয়া হয়।

জ্যোতিকেন্দ্ৰ খোলাৰ বাবে ৭-১৪ বছৰ বয়সৰ বিদ্যালয় বহিৰ্ভূত শিশু থকা ৱাৰ্ডসমূহৰ ৱাৰ্ড শিক্ষা সমিতিলৈ জিলা মিছন সমন্বয়কে

জাননী জাৰি কৰে আৰু ৰাৰ্ড শিক্ষা সমিতিয়ে নিজ এলেকাত প্ৰচাৰ কৰে।

বিষয় ঃ শ্ৰমিকৰ বিদ্যুৎ যোগান।

শ্ৰীৰাজু চাহুয়ে সুধিছে ঃ

৩৫৪। মাননীয় শক্তি (বিদ্যুৎ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ বহু চাহ বাগিচাৰ শ্ৰমিকৰ ঘৰত আজি পৰ্য্যন্ত বিজুলী যোগান সম্পূৰ্ণ হোৱা নাই তথা ব্যক্তিগত মিটাৰবোৰ ব্যৱস্থা লোৱা হোৱা নাই, এই সম্পৰ্কে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, তেন্তে এই সুবিধা সমূহ পূৰণ কৰাৰ বাবে চৰকাৰৰ কেনেধৰণৰ পৰিকল্পনা আছে জনাবনে?

(গ) ইয়াক কেতিয়ালৈ সম্পূৰ্ণ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব জনাবনে?

(ঘ) চাবুৰা সমষ্টিৰ অন্তৰ্গত চাহ বাগিচা সমূহৰ শ্ৰমিকৰ বাসগৃহত এনে ব্যৱস্থা সম্পূৰ্ণ কৰাৰ বাবে চৰকাৰে কেনে ব্যৱস্থা গ্ৰহণ কৰিছে জনাবনে?

শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (শক্তি বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অৱগত। ব্যক্তিগত বৈদ্যুতিক মিটাৰ সংযোগ আঁচনিৰ কাম অব্যাহত আছে।

(খ) ইতিমধ্যে চৰকাৰৰ নিৰ্দ্দেশ আৰু বিত্তীয় সাহাৰ্য্যত অসমৰ বহু বাগিছাৰ শ্ৰমিকৰ ঘৰত বিজুলী যোগানৰ বাবে মিটাৰ সংস্থাপনৰ কাম চলি আছে। এই কাম চৰকাৰ পৰিকল্পনা অনুযায়ীয়েই কৰা হৈছে আৰু চৰকাৰৰ অনুদানৰ ভিত্তিতেই সম্পন্ন কৰা হব।

(গ) চাহ বাগিছাৰ শ্ৰমিকৰ বাসগৃহত বিজুলী যোগান ধৰা কাম চাহ বাগিছাৰ কৰ্তৃপক্ষৰ আবেদন মৰ্মে কৰি থকা হৈছে। বিজুলী যোগান ধৰা কাম শেষ কৰাৰ সময় আবেদনকাৰীৰ আবেদনৰ ওপৰত নিৰ্ভৰ কৰিব।

(ঘ) চাবুৱা সমষ্টিৰ অন্তর্গত দিনজান আৰু পানীতোলা চাহ বাগিচাৰ শ্রমিকৰ বাসগৃহত মিটাৰ সংযোজনৰ কাম চলি আছে।

বিষয় ঃ পৰিবহণ অর্থ সাহার্য্য।

শ্রীপ্রশান্ত ফুকনে সুধিছে ঃ

৩৫৫। মাননীয় উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত থকা কি কি উদ্যোগক পৰিবহণ অর্থ সাহায্য দিয়া হয়?

(খ) ডিব্রুগড় জিলাত যোৱা পাঁচ বছৰত কিমানটা প্রতিস্থানক কিমান পৰিমাণৰ ধন পৰিবহণ সাহায্য হিচাবে দিয়া হ'ল? (তালিকা সদনৰ মেজত দাখিল কৰিব)

(গ) কয়লা আৰু ঘেহুঁ উদ্যোগত যোৱা ৫ বছৰত কিমান টকা ৰাজ সাহায্য (পৰিবহণৰ বাবে) দিয়া হৈছে? (তথ্য বেলেগে বেলেগে দাখিল কৰিব)

শ্রীপ্রদ্যুৎ বৰদলৈ (উদ্যোগ আৰু বাণ্যিজ্য বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) চাহ উদ্যোগ, তেল শোধনাগাৰ আৰু শক্তি উদ্যোগৰ বাহিৰে আন সকলো উদ্যোগকে পৰিবহণ ৰাজ সাহায্য দিয়া হয়।

(খ) ডিব্রুগড় জিলাত যোৱা ৫ বছৰত সর্বমুঠ ৬ (ছয়)টা উদ্যোগ গোটে পৰিবহণ সাহায্য পাইছে। পৰিবহণ ৰাজসাহায্যৰ পৰিমাণ হ'ল- ৭,০৯,২৪,৯৮১/- টকা (তালিকা সদনৰ মজিয়াত দাখিল কৰা হ'ল- পৰিশিষ্ট 'ক') (See Annexure-XXXII)

(গ) কয়লা আৰু ঘেঁহুভিত্তিক উদ্যোগবোৰে যোৱা ৫ বছৰত পোৱা পৰিবহণ ৰাজসাহায্যৰ পৰিমাণ এনে ধৰণৰ ঃ

কয়লা ভিত্তিক উদ্যোগ- ৭৪,২৫,২৯,২৮৬.০০ টকা

ঘেহুঁ ভিত্তিক উদ্যোগ - ৮,৯০,৩৭,৯০২.০০ টকা

(তথ্যদাখিল কৰা হ'ল- পৰিশিষ্ট 'খ' (See Annexure-XXXIII)

বিষয় ঃ মোকোলাই দিয়া ধনৰ পৰিমাণ।

শ্রীহাফিজ বছিৰ আহমেদে সুধিছে ঃ

৩৫৬। মাননীয় সংখ্যালঘু কল্যাণ ও উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০৬-০৭ আৰু ২০০৭-০৮ বিত্তীয় বৰ্ষত চৰ উন্নয়ন বিভাগত মুঠ কিমান টকা ধাৰ্য্য কৰা হৈছে? তাৰে কিমান টকা এতিয়ালৈকে মোকলাই দিয়া হৈছে?

(খ) বিলাসীপাৰা চৰ উন্নয়ন প্রকল্পত চলিত বিত্তীয় বৰ্ষত কিমান টকা আবণ্টন দিয়া হৈছে আৰু এতিয়ালৈ কি কি আঁচনি ৰূপায়নত কিমান টকা ধাৰ্য্য আৰু ব্যয় কৰা হ'ল? (হিতাধিকাৰীৰ নাম সহ বিতং তথ্য সদনত দাখিল কৰিব)

ডাঃ নজৰুল ইচলাম (সংখ্যালঘু কল্যাণ ও উন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০৬-০৭ আৰু ২০০৭-০৮ বিত্তীয় বৰ্ষত চৰ উন্নয়ণ বিভাগত মুঠ ধাৰ্য্য কৰা টকাৰ হিচাব তলত দিয়া হ'ল।

চন	ধাৰ্য্য	খৰচ
২০০৬-০৭	২১০.০০ লাখ	২০১.৩৪ লাখ
২০০৭-০৮	১০৪০.০০ লাখ	১৯৯.৬৪ লাখ

(খ) বিলাসীপাৰা চৰ উন্নয়ন প্রকল্পৰ নামত টকা আৱণ্টন দিয়া নহয়। ৰূপায়ণ কৰা আঁচনি ব্যায়ৰ হিচাব ২০০৭-০৮ চনৰ পৰিশিষ্ট 'ক' ত আৰু হিতাধিকাৰীৰ নামৰ তালিকা পৰিশিষ্ট 'খ' ক্রমিক নং ১ ৰ পৰা ১৭০ লৈ সংলগ্ন কৰি দিয়া হ'ল।

বিষয় ঃ কস্তুৰবা গান্ধী বালিকা বিদ্যালয় স্থাপন ।

শ্রীআব্দুল খালেকে সুধিছে ঃ

৩৫৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) কেন্দ্রীয় মানৱ সম্পদ উন্নয়ন মন্ত্রনালয়ে ৰাজ্যখনত স্থাপন কৰিবলৈ সিদ্ধান্ত লোৱা ১৫ খন কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ৰ দুখন বিদ্যালয় মুছলমান অধ্যুষিত এলেকাৰ বাবে নির্দ্দিষ্ট কৰি দিয়াৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, এই বিদ্যালয় দুখন চৰকাৰে ক'ত স্থাপন কৰিবলৈ সিদ্ধান্ত গ্রহণ কৰিছে?

(গ) বৰপেটা জিলাৰ ৰূপসী উন্নয়ন খণ্ড এলেকাতো চৰকাৰে তেনে এখন বিদ্যালয় স্থাপন কৰিবনে?

শ্রীৰিপুন বৰা (শিক্ষা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অৱগত নহয়।

(খ) প্রশ্ন নুঠে।

(গ) বিষয়টো পৰীক্ষা কৰি চোৱা হব।

বিষয় ঃ সামগ্রী যোগান।

শ্রীৰছুল হকে সুধিছে ঃ

৩৫৮। মাননীয় খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাৰ অন্তর্গত ধুবুৰী সমষ্টিত BPL-APL ৰ বাবে মাহিলী মুঠ কিমান পৰিমানৰ চাউল, চেনী, আটা আৰু কেৰাচিন তেল যোগান ধৰে? (বিতং তথ্য দাখিল কৰিব)

(খ) নিয়ম অনুযায়ী সঠিক পৰিমানৰ সামগ্রী সমূহ যোগান ধৰা হৈছেনে? যদি হৈছে তেন্তে ধুবুৰী অঞ্চলৰ ৰাইজে উক্ত সামগ্রী সমূহ সঠিক ভাবে নাপায় কিয়?

(গ) সমবায় সমিতি সমূহে চাউল, চেনী, আটা আদি গুদামৰ পৰা

নুঠালেও FCI ত উক্ত সামগ্রী সমূহ উঠাই নিয়াৰ কার্য্য দেখুৱাৰ কাৰণ কি?

(ঘ) ধুবুৰী কলা বজাৰত ৰাইজে কেৰাচিন তেল প্রতি লিটাৰত ৩০ ৰ পৰা ৪০ টকাকৈ ক্রয় কৰিবলগীয়া হোৱাৰ কাৰণ কি?

(ঘ) কেৰাচিন তেলৰ এই নাটনি দুৰ কৰাৰ বাবে চৰকাৰে বিহিত ব্যৱস্থা লবনে?

(চ) ধুবুৰী সমষ্টিত প্রতিমাহে মুঠ কিমান (লিটাৰ) কেৰাচিন তেল যোগান ধৰা হয়।

ডাঃ নজৰুল ইছলাম (খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ধুবুৰী জিলাৰ অন্তর্গত ধুবুৰী সমষ্টিৰ মাহেকীয়া চাউল, চেনি, আটা আৰু কেৰাচিন তেলৰ যোগানৰ পৰিমান তলত দাখিল কৰা হ'ল ঃ

১। চাউল - এ, পি, এল = ১৫৩০.৫০ কুইণ্টল।
বি, পি, এল = ২৭৪৬.৮৯ কুইণ্টল।
অন্তোদয়া = ১৮০০.০০ কুইণ্টল।

২। চেনী, = ১৮৯৩.০৩ কুইণ্টল

৩। আটা, = ৩০৮৮.০০ কুইণ্টল

৪। কেৰাচিন তেল = ৩২৭০৫১ লিটাৰ

(খ) নিয়ম অনুযায়ী সামগ্রীসমূহ সঠিকভাৱে আৱণ্টন দি থকা হৈছে আৰু কোনো অঞ্চলত আৱণ্টিত সামগ্রীৰ বিতৰণৰ ক্ষেত্রত অভিযোগ তথা খেলি-মেলি পালে বিহীত ব্যৱস্থা লোৱা হয়।

(গ) এনে ধৰনৰ কোনো তথ্য পোৱা হোৱা নাই। ভাৰতীয় খাদ্য নিগমৰ পৰা খাদ্য সামগ্রী উঠাবলৈ হলে দ্রাফট যোগে খাদ্য সামগ্রীৰ মূল্য

জমা দিয়াৰ পাছতহে FCI যে খাদ্য সামগ্ৰীৰ যোগান দৰে। গতিকে খাদ্য সামগ্ৰী নুঠালেও খাদ্য সামগ্ৰী উঠাই নিয়াৰ কাৰ্য্য দেখুৱাৰ কোনো কাৰণ নাই।

(ঘ) ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত আৱণ্টিত কেৰাচিন তেল চৰকাৰৰ নির্ধাৰিত মূল্যত বিক্ৰী হৈ আছে। কোনো অনুজ্ঞাপত্রধাৰী ব্যৱসায়ীয়ে ৩০/৪০ টকা দামত তেল বিক্ৰী কৰাৰ তথ্য পোৱা নাই।

(ঙ) বর্ত্তমান কেন্দ্রীয় চৰকাৰৰ পৰা আৱণ্টন পোৱা কেৰাচিন তেন ২০০১ চনৰ লোকপিয়লৰ জনসংখ্যা অনুযায়ী সমান ভাৱে সকলো মহকুমাতে আৱণ্টন দিয়া হৈ আছে। অৱশ্যে এই তেল পর্য্যাপ্ত নহয়। কেন্দ্রীয় চৰকাৰৰ পৰা কেৰাচিন তেলৰ আৱণ্টন বর্দ্ধিত কৰিলে সকলো মহকুমাতে তেলৰ আৱণ্টন বঢ়াই দিব পৰা হব।

(চ) ধুবুৰী সমষ্টিত প্রতিমাহে মুঠ ৩,২৭,০৫১ লিটাৰ কেৰাচিন তেল যোগান ধৰা হয়।

বিষয় ঃ বৈদেশিক বিনিয়োগ।

শ্রীঅনন্ত ডেকাই সুধিছে ঃ

৩৫৯। মাননীয় উদ্যোগ ও বাণিজ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত মুঠ প্রত্যক্ষ বৈদেশিক বিনিয়োগৰ পৰিমাণ কিমান?

(খ) কোন কোন খণ্ডত এই প্রত্যক্ষ বৈদেশিক বিনিয়োগ নিয়োজিত হৈ আছে?

(গ) বিগত পাঁচটা বছৰত বৈদেশিক বিনিয়োগ ৰাজ্যখনত বৃদ্ধি পাইছেনে হ্রাস পাইছে?

শ্রীপ্রদ্যুৎ বৰদলৈ (উদ্যোগ ও বাণিজ্য বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) শূন্য।

(খ) প্রশ্ন নুঠে।

(গ) প্রশ্ন নুঠে।

বিষয় ঃ পদ মঞ্জুৰী।

শ্রীআব্দুল আজিজে সুধিছে ঃ

৩৬০। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ মাদ্রাছা শিক্ষাৰ উপ-সঞ্চালকৰ কার্য্যালয়টো অসম মাদ্রাছা শিক্ষাৰ সঞ্চালকালয়লৈ উন্নিত কৰাৰ কথা সঁচানে?

(খ) যদি সঁচা, তেন্তে সঞ্চালকৰ পদটি চৰকাৰে মঞ্জুৰ কৰিছেনে?

(গ) যদি কৰা নাই, কিয় কৰা নাই?

(ঘ) উক্ত পদটি মঞ্জুৰ নকৰাকৈ মাদ্রাছা শিক্ষাৰ সঞ্চালকালয় স্থাপন কৰি ধর্মীয় সংখ্যালঘু সম্প্রদায়ক প্রৰোচনা কৰি থকা হোৱা নাইনে?

শ্রীৰিপুন বৰা (শিক্ষা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) সচাঁ নহয়।

(খ) প্রশ্ন নুঠে।

(গ) সঞ্চালকৰ পদটো মঞ্জুৰ কৰা বিষয়টো চৰকাৰে পৰীক্ষা কৰি আছে।

(ঘ) প্রৰোচনা কৰাৰ প্রশ্ন নুঠে।

বিষয় ঃ ছমৰীয়া গাওঁ পঞ্চায়ত সমবায় সমিতি।

শ্রীজ্যোতি প্রসাদ দাসে সুধিছে ঃ

৩৬১। মাননীয় খাদ্য অসামৰিক যোগান আৰু উপভোক্তা পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বকো বিধান সভা সমষ্টিত থকা ছমৰীয়া গাওঁপঞ্চায়ত সমবায় সমিতিখন বর্ত্তমান এজেণ্ট সন্থাই চলাই থকাত বহুতো দুর্নীতিৰ সৃষ্টি হৈছে। APL, BPL আৰু AAY চাউলৰ যোগান

হিতাধিকাৰী সকলৰ মাজত কমকৈ যোগান ধৰা হৈছে, আৰু নিয়মীয়াকৈ যোগান ধৰা হোৱা নাই ? তদন্ত সাপেক্ষে উচিত ব্যৱস্থা গ্ৰহণ কৰি সদনত জনাবনে ?

(খ) বকো বিধানসভা সমষ্টিৰ BPL, APL আৰু AAY হিতাধিকাৰী সকলৰ নামৰ তালিকা সদনত জনাবনে ?

ডাঃ নজৰুল ইছলাম (খাদ্য অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ছমৰীয়া সত্ৰ গাওঁ পঞ্চায়ত সমবায় সমিতিৰ ৰাজহুৱা বিতৰণৰ সামগ্ৰীৰ ব্যৱসায়ীক অনুজ্ঞাপত্ৰ খন নিলম্বিত হোৱাৰ পিছত সমবায় খনৰ এজেণ্ট সকলৰ চৰকাৰী পঞ্জীয়নভুক্ত সস্থাৰ জৰিয়তে পোনপটীয়া ভাৱে মাহেকীয়া আৱণ্টনৰ সামগ্ৰী খাদ্য নিগমৰ পৰা সংগ্ৰহ আৰু বিতৰণৰ বিষয় সন্দৰ্ভত কোনো দূৰ্নীতিৰ অভিযোগ বৰ্ত্তমানলৈকে পোৱা হোৱা নাই। হিতাধিকাৰী সকলৰ পৰা সামগ্ৰী নিয়মীয়াকৈ নোপোৱাৰ কোনো নিৰ্দ্দিষ্ট অভিযোগ পালে আৰু তদন্ত সাপেক্ষে অভিযোগ প্ৰাথমিক ভাৱে প্ৰমানিত হলে, অভিযুক্ত ব্যক্তিৰ বিৰুদ্ধে অত্যাৱশ্যকীয় সামগ্ৰী আইন, ১৯৫৫ 'ৰ' অধীনত ন্যায়িক আদালতত গোচৰ ৰুজু কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হব। তদুপৰি তেনে এজেণ্টৰ অনুজ্ঞাপত্ৰ নিলম্বিত কৰন/নাকচ কৰাৰ বাবেও বিভাগীয় গোচৰ প্ৰচলিত আইন অনুসৰি আৰম্ভ কৰা হব পাৰে।

(খ) বকো বিধান সভা সমষ্টি এলেকাত বসবাস কৰা মুঠ ১২,৫৪৭ টা বি, পি, এল, ২৯,৪৩০ টা এ, পি, এল আৰু ৬,৫৫০ টা এ, এ, ওৰাই সৰ্ব্বমুঠ ৪৮,৫২৭ হিতাধিকাৰী পৰিয়ালৰ নামৰ তালিকা বিচৰা হৈছে।

বিষয় ঃ কাৰিকৰী শিক্ষানষ্ঠান।

ডাঃ মনোৰঞ্জন দাসে সুধিছে ঃ

৩৬২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ শিক্ষিত যুৱক সকলক কাৰিকৰী শিক্ষা দিবৰ বাবে অসমত কেনে ধৰণৰ কিমান খন কাৰিকৰী শিক্ষানুষ্ঠান আছে। (বিতং ভাবে জনাব)

(খ) অসমৰ ক্ৰমবৰ্ধমান শিক্ষিত যুৱক সকলক কাৰিকৰী শিক্ষা দিবৰ বাবে এই কেইখন কাৰিকৰী শিক্ষানুষ্ঠান যথেষ্ট হয়নে?

(গ) যদিঁ হয়, অসমৰ পৰা কাৰিকৰী শিক্ষা লাভ কৰিবলৈ বছৰি বহু সংখ্যক ছাত্ৰ-ছাত্ৰী বহির্গমন হোৱাৰ কাৰণ কি?

(ঘ) বৰ্হিগমন ৰোধ কৰিবৰ বাবে অসমত কাৰিকৰী শিক্ষানুষ্ঠান স্থাপনৰ কিবা অভিলাসী আঁচনি চৰকাৰে লৈছেনে?

(ঙ) যদি লৈছে, এনে আঁচনিয়ে একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনা চুড়ান্ত ৰূপদানৰ সময়ত অন্তর্ভুক্ত হবনে?

শ্ৰীৰিপুন বৰা (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ শিক্ষিত যুৱক সকলক কাৰিকৰী শিক্ষা দিবৰ বাবে এতিয়ালৈকে তলত উল্লেখ কৰা কাৰিকৰী শিক্ষা অনুষ্ঠান সমূহ আছে।

১। অভিযান্ত্রিক মহাবিদ্যালয় দুখন। এখন গুৱাহাটীত আৰু আনখন যোৰহাটত।

২। বৰ্ত্তমানলৈকে অসমতে ১০ খন পলিটেকনিক অনুষ্ঠান আছে। এই অনুষ্ঠান সমুহ হ'ল- অসম অভিযান্ত্রিক প্ৰতিষ্ঠান, গুৱাহাটী, অসম টেক্সটাইল প্ৰতিষ্ঠান, গুৱাহাটী, ছোৱালী পলিটেকনিক, গুৱাহাটী, বঙ্গাইগাঁও পলিটেকনিক, বঙ্গাইগাঁও, শিলচৰ পলিটেকনিক, শিলচৰ, নগাওঁ পলিটেকনিক, নগাওঁ, প্ৰিন্স অৰ ওৱেলচ ইনষ্টিটিউট, যোৰহাট, ডিব্ৰুগড় পলিটেক্নিক, ডিব্ৰুগড়, আৱাসিক ছোৱালীৰ পলিটেকনিক, গোলাঘাট আৰু ডিফু পলিটেকনিক, ডিফু।

৩। ইয়াৰ উপৰিও শিৱসাগৰ আৰু গোৱালপাৰাত দুখন নিম্ন কাৰিকৰী

বিদ্যালয় (J.T.S.) আছে।

(খ) যথেষ্ট নহয়।

(গ) প্রশ্ন নুঠে।

(ঘ) অসম চৰকাৰে বর্হিগমন ৰোধ কৰিবৰ বাবে অসমত তৃতীয় খন অভিযান্ত্রিক মহাবিদ্যালয় স্থাপনৰ সিদ্ধান্ত গ্রহণ কৰিছে। ইয়াৰ উপৰিও বর্ত্তমানে চলি থকা কাৰিকৰী শিক্ষানুষ্ঠান সমূহত ২০০৭ চনৰ পৰা কার্য্যকৰী হোৱাকৈ Intake Capacity তলত উল্লেখ কৰা হিচাবে বৃদ্ধি কৰা হৈছে।

(১) অভিযান্ত্রিক মহাবিদ্যালয়ত আগৰ ৫১০ খন আসনৰ সংখ্যা বৃদ্ধি কৰি ৫৯০ খন কৰা হৈছে।

(২) পলিটেকনিক সমূহত আগৰ ১,২৭০ খন আসনৰ সংখ্যা বৃদ্ধি কৰি ১,৪৪৫ খন কৰা হৈছে।

(ঙ) একাদশ পঞ্চবার্ষিক পৰিকল্পনাত কেন্দ্রীয় চৰকাৰৰ সহযোগিতাত নতুন পলিটেকনিক স্থাপন কৰাৰ বাবে চেষ্টা কৰা হৈছে।

Point of Order

★ শ্রীচন্দ্রমোহন পাটোৱাৰী ঃ চাৰ পইণ্ট অৱ অর্ডাৰ।

★ শ্রীভৰত চন্দ্র নৰহ ঃ (সংসদীয় পৰিক্রমা মন্ত্রী) পাটোৱাৰী ডাঙৰীয়াই পইণ্ট অৱ অর্ডাৰ আনিব নালাগে কাৰণ, Under Rules of procedure and Conduct of Business in Assam Legislative Assembly "A Point of order shall relate to the interpretation or enforcement of these rules or such Articles of the Constitution as regulate the business of the House and shall raise a question which is whthin the cognizance of the Speaker"

"A point of order may be raised in relation the

business before the House at the moment : Provided that the Speaker may permit a member to raise a point of order during the interval between the termination of one item of business and the commencement of another if it relates to maintenence of order in or arrangement of business before the House. ৰুলটো যদি ভঙ্গ কৰে কেনেকুৱা হব। এতিয়া ৫৪ নং ধাৰা চলি আছে, গতিকে পইণ্ট অৱ অর্ডাৰ আনিব নোৱাৰে। জিৰো আৱাৰত পইণ্ট অৱ অর্ডাৰ আনিব লাগে।

(সদনত বহু সদস্যই একেলগে কয় কিন্তু কাৰো কথা শুনা নাযায়।) আপোনালোকে কৈছে। আমাক কিয় কব নিদিয়ে। আমাক কবলৈ দিয়ক। যদি প্ৰপাৰ ৰুল মতে নাহে তেতিয়া হ'লে আমি। (সদনত আকৌ গণ্ডগোল)

★ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ চৰকাৰ ব্যর্থ হৈছে।

★ শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ চৰকাৰ ব্যর্থ হৈছে বুলি নকয় কিয়?

★ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ ৰক্ষণা-বেক্ষণ দায়িত্ব চৰকাৰৰ নাই নেকি?

Discussion on Zero Hour Matter

মাননীয় অধ্যক্ষ ঃ তলত উল্লেখ কৰা মাননীয় সদস্যৰ পৰা সর্বমুঠ ১০ খন শূন্য কালীন জাননী প্ৰাপ্তি হৈছে।

১। শ্ৰীআব্দুল খালেক।

২। শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা।

৩। শ্ৰীগিৰিন্দ্ৰ কুমাৰ বৰুৱা।

৪। শ্ৰীদ্রুপদ বৰগোহাঁই।

৫। শ্ৰীকৰেন্দ্ৰ বসুমতাৰী।

* speech not corrected

৬। শ্রীপদ্ম হাজৰিকা, শ্রীযোচেফ টপ্পো।

৭। শ্রীৰামেশ্বৰ তেলী।

৮। মঃ মহিবুল হ'ক।

৯। মঃ মহিবুল হ'ক।

১০। মঃ মহিবুল হ'ক।

উক্ত জাননীৰ পৰা নিয়মানুসৰি মই ৩খন শুন্যকালীন ঘণ্টাৰ জাননী উপস্থাপন কৰিবলৈ অনুমতি প্রদান কৰিলোঁ।

১। এতিয়া মই, মাননীয় সদস্য শ্রী আব্দুল খালেক ডাঙৰীয়াক ইং ০৮/০৩/২০০৮ তাৰিখৰ "অসমীয়া খবৰ কাকতত প্রকাশিত" অসমৰ সত্র সংস্কৃতিক অৱহেলা কৰিছে ৰাজ্য চৰকাৰে উন্নয়নৰ পূঁজি পোৱা নাই মইন বড়ি সত্রই" শীর্ষক বিষয়টো উপস্থাপন কৰিবলৈ অনুৰোধ কৰিলোঁ।

★ শ্রীআব্দুল খালেক ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা আঠ তাৰিখৰ "অসমৰ সত্র সংস্কৃতিক অৱহেলা কৰিছে ৰাজ্য চৰকাৰে উন্নয়ন পুঁজি পোৱা নাই মইনবড়ী সত্রই" এই শর্ষক বাতৰিটোৰ ওপৰত মই কব বিছাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, অন্যান্য সত্রৰ লগতে মইনবড়ি সত্রৰ উন্নয়ণৰ কাৰণে কাম কৰা হৈছে। তাত তথা কথিত অসমীয়া মানুহ কম আছে। (বহু কেইজন সদস্যই চিঞৰি চিঞৰি কথা কোৱাত সদনত গণ্ডগোল হয় আৰু একো শুনা নাযায়।)

বহুতো সদস্যই কথাটো উঠাই লবলৈ একেমুখে চিঞৰে)

★ শ্রীদ্রুপদ বৰগোহাঁই ঃ তথা কথিত শব্দটো তুলি লব লাগে।

মাননীয় অধ্যক্ষ ঃ এই শব্দটো উঠাই লব লাগে।

★ শ্রীচন্দ্রমোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, এইখন বিধান সভাত অসমীয়া মানুহক তথাকথিত বুলি ..... (আকৌ গণ্ডগোল)

★ Speech not corrected

★ শ্রীআব্দুল খালেক ঃ মই উদ্র কৰিছো। (আকৌ গণ্ডগোল)

★ ড° হিমন্ত বিশ্বশর্মা ঃ (মন্ত্রী) মাননীয় অধ্যক্ষ তেখেত ধর্মীয় সংখ্যা লঘু হৈ সত্রীয়া সংস্কৃতিৰ কাম কৰি আছে। তেখেতৰ কথাত আপোনালোকে কিয় ইমান চিঞৰ বাখৰ কৰিছে।

★ শ্রীগিৰীন্দ্র কুমাৰ বৰুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি ছাত্র নহয়।

★ ড° হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, ইমান চিঞৰিছে কিয়? (গন্দগোল)

★ শ্রীৰকিবুল হুছেইন (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, সদনৰ যি পৰম্পৰা আছে সেইটো নাইকীয়া হৈছে। (সদনত হুলস্থুল)

★ ড° হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, এই কথাবিলাক ৰেকর্ড হৈ আছে।

(সদনত গন্দগোল চলি থাকে)

অধ্যক্ষ মহোদয়, মোৰ ফালে আঙুলি দেখুৱাই কোৱাটো মই সহ্য নকৰো। (সদনত হুলস্থুল লাগি থাকে)

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য সকল, মই এই ক্ষেত্রত এটা ৰুলিং দিব বিচাৰিছো। মাননীয় সদস্য সকলে এই পৱিত্র সদনত তেখেত সকলৰ বক্তব্য ৰাখিলে সংযত হৈ ৰাখিব লাগে। স্কুলৰ হেড মাস্তৰে কৈছে, আমি শুনিছো আমি ছাত্র নহয়, এই বিলাক কব নেলাগে। মোৰ ফালে হাত ডাঙি কৈছে পানীওলাইছে বুলি কৈছে। সদনত আঙুলি জোকাৰি, আঙুলি টোৱাই কব নেলাগে। কিবা কবলৈ আছে- কৈ যাওঁক। গতিকে মই মাননীয় সদস্য সকলক হাতযোৰ কৰি কৈছো এই বিলাক যাতে নকৰে। (মাইকৰ ষ্টেড দেখুৱাই) এই বিলাক ভঙা হৈছিল। সেইটো যাতে নহয়।

★ ড° হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যই শব্দটো উঠাই লৈছে। সংখ্যালঘু মাননীয় সদস্যই মহাপুৰুষ শ্রীমন্ত শঙ্কৰদেৱৰ কথা কবলৈ গৈছে, তাত চিঞৰিব কিয়।

★ Speech not corrected

মাননীয় অধ্যক্ষ ঃ এই ক্ষেত্রত মই ৰুলিং দিছো।

★ শ্রীআব্দুল খালেক ঃ মাননীয় অধ্যক্ষ মহোদয়, ২০০৫ চনত মইনবাৰী সত্র বানপানীয়ে উটুৱাই লৈ যায়। তাৰ পিচত সৰভোগৰ সন্তবৰী গাওঁত এই সত্র স্থাপন কৰা হয়। অসমৰ সত্র সংস্কৃতিয়ে যিখিনি কৰিব লাগিছিল সেইখিনি কৰা নাই। হাদিৰাচকী ব্রহ্মপুত্রৰ বুকুত জাহ গৈছে। তাত ফলৰা, চতলা আছে, মানৰ বিৰুদ্ধে যুদ্ধ হৈছিল, সেই বিলাকৰ কাৰণে মই গর্বিত। মই হিন্দুৰ কাৰণে, অসমীয়া ভাষাৰ কাৰণে, অসমী আইৰ কাৰণে চিন্তা কৰো।

অধ্যক্ষ মহোদয়, মই মাননীয় সাংস্কৃতিক বিভাগৰ মন্ত্রী মহোদয়ক মইনবৰী সত্রখন সংৰক্ষণ আৰু উন্নয়নৰ বাবে চৰকাৰী সাহার্য দিয়াৰ বাবে অনুৰোধ জনালো। ইয়াৰোপৰি ঘিলাধাৰী সত্রত মহাপুৰুষ শ্রীমন্ত শংকৰদেৱে ১০ মাহ আছিল। ঘিলাধাৰী সত্রৰ উন্নয়ন আৰু সংৰক্ষণৰ বাবেও মই মাননীয় মন্ত্রী মহোদয়ক অনুৰোধ জনালো। ইয়াৰোপৰি বৰপেটা জিলাত থকা নাৰায়ণ দাস আতা সত্র, জনীয়া সত্র, কহৰা সত্র আদি যিকেইখন সত্র আছে সেই সত্র কেইখনৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰৰ পৰা সাহার্য দিয়াৰ বাবে মই আপোনাৰ জৰিয়তে মন্ত্রী মহোদয়ক অনুৰোধ জনালো।

শ্রীগৌতম বৰা (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, আজি শূন্যকালীন ঘণ্টাত মাননীয় বিধায়ক আব্দুল খালেক ডাঙৰীয়াই 'অসমীয়া খবৰ' কাকতত, ৮ মার্চ, ২০০৮ তাৰিখে প্রকাশিত অসমৰ সত্র সংস্কৃতিক অৱহেলা কৰিছে ৰাজ্য চৰকাৰে। উন্নয়নৰ পুঁজি পোৱা নাই মইনবড়ি সত্রই' শীর্ষক বাতৰিটো ৰাজ্য চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। এনে এটা গুৰুত্বপূর্ণ বিষয় আজি সদনৰ দৃষ্টিগোচৰ কৰাৰ বাবে মই তেখেতক ধন্যবাদ দিব বিচৰিছো। মহাপুৰুষ শ্রীমন্ত শংকৰদেৱে আজিৰ পৰা চাৰে পাচশ বছৰ আগেয়ে বৈষ্ণৱ ধর্ম প্রচাৰ কৰি জাতি ধর্ম নির্বিশেষে সকলোকে একতাৰ ডোলেৰে বান্ধি ৰখাৰ বাবে চেষ্টা কৰিছিল। আজি সেই

★ Speech not corrected

সমন্বয়ৰ নিদৰ্শন হিচাপে ধৰ্মীয় সংখ্যালঘুৰ এজন বিধায়ক হিচাপে খালেক ডাঙৰীয়াইসত্ৰ সমূহ সংৰক্ষণৰ বাবে বিষয়টো ৰাজ্য চৰকাৰৰ দৃষ্টিগোচৰ কৰাৰ বাবেও আমি তেখেতক ধন্যবাদ জনাইছো। গুৰুজনাই আমাক শিকাইছিল ধৈর্য্য, সহিষ্ণুতা আমি ৰাখিব লাগে। তেখেতে আমাক সমন্বয় স্থাপনৰ বাবে শিকাইছিল। কিন্তু আমি সেইবোৰ আজি কৰিব পাৰিছো নে? আব্দুল খালেক ডাঙৰীয়াই কিবা এটা ভূল কৰিছিল, কিন্তু তেখেতে ক্ষমা খুজিছে। বিৰোধী দলৰ দলপতি ডাঙৰীয়াইও সিদিনা এটা ভূল শব্দ কৈছিল। কিন্তু সেইটো আমি ধৰা নাছিলো। অসমৰ সত্ৰ সমুহৰ উন্নয়ন তথা সংৰক্ষণ সম্পৰ্কত ৰাজ্য চৰকাৰে নিতান্তই সজাগ আৰু এই ক্ষেত্ৰত দৃঢ় পদক্ষেপো চৰকাৰে গ্ৰহণ কৰিছে। চৰকাৰে ঘোষণা কৰা অনুযায়ী অসমৰ সত্ৰসমুহলৈ বিশ লাখকৈ টকাৰ সাহায্য আগবঢ়োৱাৰ ব্যৱস্থা হাতত লোৱা হৈছিল। এই ব্যৱস্থা অনুযায়ী অসমৰ প্ৰতি জিলাৰ উপায়ুক্ত সকলৰ পৰা জিলাভিত্তিত বৰ্ত্তি থকা সত্ৰ সমুহৰ পৰা সত্ৰ উন্নতিকল্পে প্ৰাককলন প্ৰস্তুত কৰি আবেদনো পোৱা হৈছিল। কিন্তু কার্য্যক্ষেত্ৰত এই দিশত আগবাঢ়ি সত্ৰসমুহৰ উন্নয়ন সূচাৰুৰূপে নিয়ন্ত্ৰণ কৰিবলৈ প্ৰত্নতত্ব সঞ্চালকালয়ৰ যোগেদি কার্য্যব্যৱস্থা লোৱাৰ সিদ্ধান্ত লোৱা হয়। এই সিদ্ধান্ত অনুযায়ী জেষ্ঠ্য প্ৰশাসনিক বিষয়া শ্ৰীচন্দ্ৰকান্ত দাসৰ অধ্যক্ষতাত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ আয়ুক্তক আহ্বায়ক, বিত্ত বিভাগৰ আয়ুক্ত শ্ৰীশ্ৰীবৰপেটা সত্ৰৰ সত্ৰাধিকাৰ নতুন কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ দিনজয় সত্ৰৰ সত্ৰাধিকাৰ, কপাহতলি সত্ৰৰ সত্ৰাধিকাৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সঞ্চালক প্ৰত্নতত্ব সঞ্চালকায়ৰ সঞ্চালক আৰু অসম সত্ৰ মহাসভাৰ সভাপতি ও সচিবক সদস্যৰূপে লৈ এখন সত্ৰ সংৰক্ষণ সমিতি গঠন কৰা হয়। তাৰোপৰি ডঃ কেশৱানন্দ গোস্বামী, ডঃ প্ৰদীপ জ্যোতি মহন্ত, ডঃ নৰেণ কলিতা আৰু ডঃ হেমেন্দ্ৰ নাথ দত্তক লৈ এখন জৰুৰীকালীন কার্য্যনির্বাহক সমিতি (Task Foece) গঠন কৰা হয়। অসমৰ সত্ৰ সমুহৰ উন্নয়নৰ সকলো দিশ চালিজাৰি চাই ব্যৱস্থা লবৰ বাবে উক্ত

সংৰক্ষণ সমিতিক দায়িত্ব অর্পণ কৰা হয়। ৰাজহ ও

বর্ত্তমান অসম সত্র সংৰক্ষণ সমিতিৰ পৰামর্শ মতে ১৩৫ খন সত্রৰ প্রাককলন প্রস্তুত কৰি প্রথম পর্য্যায়ৰ কাম আৰম্ভ কৰি কেন্দ্রীয় চৰকাৰৰ সাংস্কৃতিক বিভাগক ধন আৱণ্টন দিবলৈ জমা দিয়া হৈছে। তাৰোপৰি ৰাজ্য চৰকাৰে ৬৪ খন সত্রক মুঠ ৪ কোটি টকাৰে উন্নয়ন আৰু সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰিছে। উক্ত সমিতিৰ পৰামর্শ আদি লৈ ১৩৫ খন সত্রক প্রথম পর্য্যায়ত জৰীপ কৰি সেইবোৰৰ সংৰক্ষণ তথা উন্নয়নৰ বাবে মুঠ ৯৬.৫৯ কোটি টকাৰ আঁচনি ৰাজ্য চৰকাৰে কেন্দ্রীয় চৰকাৰক জমা দিছে।

উল্লেখিত মইনবড়ি সত্রৰো উন্নয়নৰ সম্পর্কত একেই কমিটিৰ পৰামর্শ লৈ চৰকাৰে এটা আঁচনি প্রস্তুত কৰি উলিয়াইছে। মইনবড়ি সত্রৰ কীর্তনঘৰ নির্মানৰ বাবে এটি প্রাককলন ইতিমধ্যেই প্রস্তুত কৰি ৩ লাখ ৩৭ হাজাৰ ৩১৯ টকা ধার্য্য কৰিছে। পূর্বে এই ধন সাংস্কৃতিক সঞ্চালকালয়ৰ শিতানত ৰখা হৈছিল। কিন্তু, সম্প্রতি প্রত্ন তত্ব সঞ্চালকালয়ৰ যোগেদি এই আঁচনিটো ৰূপায়ণ কৰিবলৈ লোৱাৰ সিদ্ধান্ত লোৱাত ধনখিনি সাংস্কৃতিক সঞ্চালকালয়ৰ পৰা প্রত্নতত্ব সঞ্চালকালয়লৈ হস্তান্তৰ কৰাৰ অনুমতি বিচাৰি বিত্ত বিভাগৰ লগত যোগাযোগ কৰা হৈছে। বিত্ত বিভাগৰ পৰা সোনকালেই অনুমতি আশা কৰা গৈছে আৰু তাৰ পাছতেই এই প্রাক্কলন মতে মইনবড়ি সত্রৰ উন্নয়নৰ এই আঁচনি ৰূপায়ন কৰা হব। উল্লেখযোগ্য যে ৰাজ্যচৰকাৰৰ নিজা পুঁজিৰে এই আঁচনি ৰূপায়ণ কৰা হ'ব।

ইয়াৰোপৰি মইনবড়ি সত্রৰ উন্নয়নৰ বাবে পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ পৰা ১০ লাখ টকা দিয়া হব।

শ্রীৰকিবুল হুছেইন (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, এইখিনিৰ লগতে মইও এটা কথা কব বিচাৰিছো। আমাৰ পর্যটন বিভাগৰ পৰাও মাননীয় মূখ্য মন্ত্রীৰ নির্দ্দেশক্রমে বৰপেটা সত্রৰ দুই ফালে দুখন তোৰণ দিয়াৰ বাবে ১৫

লাখ টকা আৱণ্টন দিয়াৰ কথা ঘোষণা কৰা হ'ল।

মাননীয় অধ্যক্ষ ঃ এতিয়া মই মাননীয় সদস্য শ্রীকৰেন্দ্র বসুমতাৰী ডাঙৰীয়াক ইং ১২-৩-২০০৮ তাৰিখৰ 'অসমীয়া খবৰ' বাতৰি কাকতত প্রকাশিত "ৰৌতাত সাহায্যৰ পৰা বঞ্চিত ধুমুহাত ক্ষতিগ্রস্ত লোক" শীর্ষক বিষয়াটো উৎথাপন কৰিবলৈ অনুৰোধ জনালো।

শ্রীকৰেন্দ্র বসুতাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১২ মার্চ তাৰিখে 'অসমীয়া খবৰ' কাকতত এটা অতি বিশেষ গুৰুত্বপূর্ণ বাতৰি প্রকাশ পাইছিল। সেইটো হৈছে 'ৰৌতাত সাহায্যৰ পৰা বঞ্চিত ধুমুহাত ক্ষতিগ্রস্ত লোক'। যোৱা ২০০৭ চনত বা মাৰলীত ৰৌতাত বহুতো লোক ক্ষতিগ্রস্ত হৈছিল। মই লগে লগে নিজে ৰাতি পর্য্যন্ত ১১/১২ বজালৈকে গোটেই দিনটো চৰজমিন তদন্ত কৰিছিলো। মণ্ডল/কাননগো সকলোকো লগত লৈ উক্ত ক্ষতিগ্রস্ত গাঁও সমূহলৈ গৈছিলো। সেই মর্মে আজি মই পবিত্র সদনত এই বিষয়টো উপস্থাপন কৰিছোঁ। ক্ষতিগ্রস্ত লোক সকলক আর্থিক সাহার্য্য দিয়া আৰু পুনৰ সংস্থাপনৰ বাবে বিগত সদনত ৰাজহ বিভাগৰ জ্যেষ্ঠ মন্ত্রী বর্মন ডাঙৰীয়াক অনুৰোধ জনোৱা হৈছিল আৰু তেখেতেও তেতিয়াই ক্ষতিগ্রস্ত লোক সকলক সদনৰ মজিয়াত আর্থিক সাহায্য দিয়াৰ বাবে বাৰুকৈ প্রতিশ্রুতি দিছিল। সেই মর্মে চৰকাৰে ৫২ লাখ টকা ওদালগুৰিৰ উপায়ুক্তলৈ পঠিয়াই দিয়া হৈছিল। ইতিমধ্যে সেই টকা বিতৰণ কৰি দিয়া হ'ল বুলি মই গম পাইছো। এই টকাখিনি উপায়ুক্তৰ জৰিয়তে ৰাজহ বিভাগে মিটিং পাতি ৰাজহুৱাভাৱে বিতৰণ কৰাৰ বাবে মই মন্ত্রী মহোদয়ক অনুৰোধ কৰিছিলো। কিন্তু সেইটো নহ'ল। যাৰ কাৰণে আজি বিতৰণ প্রক্রিয়াত খেলিমেলি হৈছে। ৬ খন গাৱঁৰ ৫৫ ঘৰ মানুহ ক্ষতিগ্রস্ত হৈছিল। ইয়াৰ ভিতৰত ৪৯ ঘৰ মানুহে ক্ষতিপুৰণ পাইছে। বাকী ৬ ঘৰ মানুহে এতিয়াও পোৱা নাই। সেয়েহে ইয়াৰ বাবে মই মন্ত্রী মহোদয়ক অনুৰোধ জনাইছিলো যে সংশ্লিষ্ট

★ Speech not corrected

জিলাৰ উপায়ুক্তৰ জৰিয়তে ক্ষতিগ্ৰস্ত লোকৰ তালিকা ৰাজহ বিভাগলৈ পঠিয়াব লাগে। কিন্তু তালিকাত নাম নোহোৱা মানুহেও ক্ষতিপূৰণ পাইছে। গতিকে আগন্তুক এক সপ্তাহৰ ভিতৰত উপায়ুক্তৰ পৰা অৰিজিনেল তালিকাখন আনি পুনৰ পৰীক্ষা কৰি চোৱাৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। উপধ্যক্ষা মহোদয়া, ক্ষতিগ্ৰস্ত পৰিয়ালৰ সম্পৰ্কত আজি মই কব বিচাৰিছোঁ। মোৰ তাত মাজবাট ৰাজহ চক্ৰ আছে। তাত কিন্তু ৰাজহুৱা অভিযোগ মৰ্মে লাট মণ্ডলে খেলি মেলি কৰিছে। ছয় খন গাৱঁৰ ৫৫ টা পৰিয়াল বৰ্গ ক্ষতিগ্ৰস্ত হৈছে। সেই সৰ্বমুঠ ক্ষতিগ্ৰস্ত পৰিয়ালৰ পৰা মাত্ৰ ৪৯ টাই পাইছে। বাকী ছয় টা পৰিয়ালে পোৱা নাই। সেয়েহে আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো। এই তালিকা তদন্ত কৰিব লাগে। ওদালগুৰি জিলাৰ উপায়ুক্তৰ পৰা ক্ষতিগ্ৰস্ত লোক সকলৰ এখন অৰিজিনেল লিষ্ট আনি চাব লাগে। বানপানীত ক্ষতিগ্ৰস্ত সকলৰ নাম মণ্ডল কাননগু সকলে ক্ষেত্ৰ পৰ্য্যায়ত চৰ জমিন, তদন্ত কৰি তথা ক্ষতিগ্ৰস্ত পৰিয়ালৰ নামৰ তালিকা উপায়ুক্তলৈ প্ৰস্তাৰ আকাৰে পঠায়। তাৰ পিছত ৰাজহ বিভাগৰ আয়ুক্ত পৰ্যায়লৈ আহে। এই ক্ষতিগ্ৰস্তৰ অৰিজিনেল লিষ্টখন দুই নম্বৰী কৰা হৈছে। এইটো কেনেকৈ হ'ল? গতিকে অতি শীঘ্ৰে এসপ্তাহৰ ভিতৰত ওদালগুৰি জিলাৰ উপায়ুক্তৰ জৰিয়তে প্ৰস্তাৰ আনিব লাগে আৰু কোনে কোনে পালে কোনে নাপালে পুনৰ তদন্ত কৰিব লাগে। লাট মণ্ডলে হেনো এই ক্ষেত্ৰত ক্ষতিগ্ৰস্ত লোক সকলক বিপথে পৰিচালিত আহিছে। ৰৌতা এখন সমষ্টি এই সমষ্টিটো বিটিচিৰ অন্তৰ্গত। ইয়াৰ কিছু অংশ দলগাওঁ ৰাজহ চক্ৰটোও আছে। দলগাওঁৰ মাননীয় বিধায়কো ইয়াত উপস্থিত আছে। যি সকল প্ৰকৃত ক্ষতিগ্ৰস্ত লোক তেওঁলোকে ক্ষতিপুৰণ পাব লাগে। গতিকে এই সন্দৰ্ভত মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। অৱশেষত এই বিষয়ত আনতিপলমে প্ৰতিবেদন দাখিল কৰিবলৈ মাননীয় মন্ত্ৰী মহোদয়ক মই টানি অনুৰোধ জনালোঁ।

(মাননীয় অধ্যক্ষই আসন এৰে আৰু মাননীয়া উপাধক্ষ্য ডাঙৰিয়ানীয়ে আসন গ্রহণ কৰে)

★ ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ মন্ত্রী) ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, মাননীয় বিধায়ক মহোদয়ে লিষ্টখনৰ খেলিমেলি সম্পর্কত যিটো অভিযোগ উত্থাপন কৰিছে জিলা উপায়ুক্তক জনাইছিলো। তেখেতে কোনো আপত্তি নাই বুলি কৈছে। তথাপিও মাননীয় সদস্য গৰাকী স্থানীয় বিধায়ক হিচাবে যথেষ্ট কথা জানে আৰু ৰাইজৰ লগতো সম্পর্ক আছে। তেখেতৰ সমষ্টিৰ লগতে ঢেকীয়া জুলি সমষ্টিৰো লিষ্ট আছে, সেই অৰিজিনেল লিষ্ট গোটেইখিনি এসপ্তাহ নহয়, পোন্ধৰদিন মানৰ ভিতৰত আনিম। তাৰ পিছত কি কি দিছে, কি কি দিয়া নাই চাবৰ বাবে মাতিম। আমাৰ ইয়াত ৰাজহ বিভাগৰ সচিব থাকিব আৰু অন্য জড়িত লোক সকল থাকিব। তেখেত সকলক মই নিজে লিষ্টখন দেখুৱাম তাৰ পিছতে ব্যৱস্থা লোৱা হব।

মাননীয়া উপাধ্যক্ষা ঃ এতিয়া ১১-৩-০৮ তাৰিখৰ দৈনিক অগ্রদূত কাকতত প্রকাশিত "ৰূপকোঁৱৰৰ মহান অনুস্থানৰ প্রতি উপহাস প্রদর্শনত ক্ষুদ্ধ শোনিতপুৰৰ ৰাইজ" শীর্ষক বাতৰিৰ সম্পর্কত শ্রী পদ্ম হাজৰিকা আৰু যোচেফ তপ্পো ডাঙৰীয়াই কব।

★ শ্রীপদ্ম হাজৰিকা ঃ যোৱা ১১-৩-০৮ তাৰিখৰ দৈনিক অগ্রদূত কাকতত প্রকাশিত "ৰূপকোঁৱৰৰ মহান অনুস্থানৰ প্রতি উপহাস প্রদর্শন ক্ষুদ্ধ শোনিতপুৰৰ ৰাইজ" সকিয়নি সম্পর্কত অসম চৰকাৰৰ ফালৰ পৰা হস্তক্ষেপ বিচাৰিছো। এনে ধৰনাই সংস্কৃতি প্রেমী ৰাইজৰ মনত বিৰূপ প্রভাৱ পেলায়। এনে ঘটনা যাতে ভৱিষ্যতে সংঘটিত নহয়, তাৰ বাবে দৃষ্টান্ত মূলক শাস্তিৰ ব্যৱস্থা লব লাগে। জ্যোতিপ্রসাদ আগৰৱলা পৰিয়ালে যি উদ্দেশ্যে এই অনুস্থান টো আগবঢ়াইছিল, সেই উদেশ্য সাধন হোৱা নাই। জ্যোতি ভাৰতীয়ে অসমৰ সাংস্কৃতিক সঞ্চালকালয়ৰ নির্দ্দেশত যুগ নির্মাতা ৰূপকোঁৱৰ জ্যোতি প্রসাদ, কলাগুৰু বিষ্ণুপ্রসাদ ৰাভা, নটসূর্য্য ফণী শর্মা, শোনিতকোঁৱৰ গজেন বৰুৱাৰ মহান সৃষ্টিৰাজিৰ ক্ষেত্রত কেনে গবেষনামূলক চিন্তা আৰু কর্মৰ আঁচনি

☆ Speech not corrected

ৰূপায়ন কৰিলে তাৰ সন্তোষজনক খতিয়ান দাঙি ধৰিব নোৱাৰা জ্যোতি ভাৰতীক নাৰী দিৱসৰ দিনা এটা তথাকথিত সামাজিক- সাংস্কৃতিক অনুস্থানৰ হাতত তুলি দি জুৱাৰ স্থলীলৈ পর্য্যৱষিত কৰাৰ ব্যতৰিয়ে মর্মাহত কৰিছে হাতত তুলি দি জুৱাৰ স্থলীলৈ পর্য্যৱষিত কৰাৰ বাতৰিয়ে মর্মাহত কৰিছে সাংস্কৃতিক নগৰীখনৰ শিল্প সংস্কৃতিৰ প্রতি শ্রদ্ধাশীল প্রতিজনকে। এই অনুস্থানটোৱে পৰিবেশ ৰক্ষা কৰি সমাজত এটা আদর্শ দেখুৱাই গৈছিল। এই অনুস্থানটোৰ দেশ প্রেম জাতি প্রেম জড়িত হৈ আছে। এই অনুস্থানত এটা সাংঘাতিক ঘটনা অনুস্থিত হৈছে। ইয়াত জুৱাৰ আজ্ঞা চলিছে। উল্লেখ্য যে জ্যোতি ভাৰতীৰ প্রাঙ্গন ভাড়ালৈ লৈ নবচেতনা নামৰ অনুষ্ঠানটিয়ে ন মার্চত নাৰী দিৱস আৰু ফাগুন উৎসৱৰ উদ্‌যাপনৰ নামত ডাইচ, হাউচি আদিৰ পোহৰ মেলি ৰূপকোঁৱৰৰ মহান সংস্কৃতিৰ প্রতি উপহাস প্রদর্শন কৰা ঘটনাই ক্ষুদ্ধ কৰি তুলিছে শোনিতপুৰৰ ৰাইজক। সংস্কৃতিৰ নামত নাৰী সমাজে অপবাদ আনিছে। এই ক্ষেত্রত অসমৰ ৰাইজ অসন্তুষ্ট ৰূপকোঁৱৰৰ গৃহটো সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগিব। যাতে কোনো ধৰণৰ ঘটনা সংঘতিত নহয়। অসমীয়া জাতিৰ কাৰণে অসমীয়া সংস্কৃতি চিৰ যুগমীয়া কৰি ৰাখিব লাগিব। অসমীয়া জনসাধাৰণৰ কাৰণে সদায়ে তেখেতৰ সৃষ্টি গ্রহণযোগ্য হৈ থাকিব। অসমৰ বিভিন্ন জনগোষ্ঠী একত্রিত কৰি শংকৰদেৱৰ লেখনীৰ দৃষ্টিৰে জ্যোতিপ্রসাদে ব্রহ্মপুত্র, ৰৰাকৰ জনসাধাৰণ আৰু পাহাৰ ভৈয়ামক একত্রিত কৰিছিল। তেনে ধৰণে অসম খন আগুৱাই গৈছিল।

মই শোনিতপুৰৰ বিধায়ক হিচাপে নহয় এজন সাধাৰণ মানুহ হিচাপে আবেদন জনাইছোঁ যাতে এনেধৰণৰ ঘটনা পুনৰবাৰ সংঘটিত নহয় তাৰ বাবে সবল পদক্ষেপ গ্রহণ কৰিব লাগে। ইয়াকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয়া উপাধ্যক্ষা ঃ এতিয়া মাননীয় সদস্য, শ্রী যোচেফ তপ্প।

শ্রীযোছেফ টপ্প ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, এই বিষয়ৰ ওপৰত মোক আজি কবলৈ দিয়াৰ কাৰণে মই আপোনাক ধন্যবাদ জনাইছো। এই সম্পৰ্কত মন্ত্রী মহোদয়ে জাতি গঠনৰ কথা কৈছে। ৰূপকোঁৱৰ জ্যোতিপ্রসাদ আগৰৱালাৰ যি 'পকীত' জাতিৰ পিতা মহাত্মা গান্ধীয়ে দুবাৰকৈ পদার্পন কৰিছে, জৱাহৰলাল নেহৰুৱে পদার্পন কৰিছে, সত্রৰ গোঁসাই আনি জ্যোতিয়ে কীর্ত্তন পুথি অসমীয়াত ছপা কৰিছিল, সেই "পকী"ৰ ঐতিহ্য, সংস্কৃতি আজি ধংসৰ সন্মুখীণ হৈছে। ইয়াৰ ইতিহাস আজি ধংস কৰি দিছে। এইটো আমাৰ চেণ্টিমেণ্টৰ কথা। জাতিৰ পিতাৰ খৰম আজি গুজৰাটত কিমান আদৰকৈ ৰাখিছে। আমাৰ ইয়াত কি হৈছে জ্যোতি প্রসাদ আগৰৱালাৰ দৰে এজন ব্যক্তিৰ স্মৃতি আজি "পকী" ধংসৰ মুখলৈ আগবাঢ়ি গৈছে। ইয়াতকৈ দুখ আৰু পৰিতাপৰ কথা কি হব পাৰে? মাননীয়া উপাধ্যক্ষা মহোদয়া, গতিকে মই ভাবো যে মন্ত্রী মহোদয়ে এই ক্ষেত্রত ব্যৱস্থা ললে, গোটেই শোনিতপুৰীয়া ৰাইজৰ লগতে অসমৰ ৰাইজেও সন্তুষ্ট হব। এই ক্ষেত্রত ব্যৱস্থা লবলৈ মই মন্ত্রী মহোদয়ক আহ্বান জনাইছো।

শ্রীগৌতম বৰা (মন্ত্রী) ঃ মাননীয় উপাধ্যক্ষা মহোদয়া, আজি সদনৰ শূন্যকালীন ঘণ্টাত আমাৰ মাননীয় সদস্য শ্রী পদ্ম হাজৰীকা আৰু যোছেফ টপ্প ডাঙৰীয়াই যিটো কথা উৎথাপন কৰিছে, 'দৈনিক অগ্রদূত কাকতত যোৱা ১২ মার্চ তাৰিখে প্রকাশিত ৰূপকোৱঁৰ জ্যোতিপ্রসাদ আগৰৱালাৰ 'পকী' সম্পৰ্কত, উক্ত বাতৰিটো আমাৰ দৃষ্টিগোচৰ হৈছে। মাননীয়া উপাধ্যক্ষা মহোদয়া, ৰূপকোঁৱৰ জ্যোতিপ্রসাদ আগৰৱালাৰ ঘৰটো যিটো পকী নাম দিয়া হৈছে, তাত এটা ৰংগমঞ্চ তৈয়াৰ কৰা হৈছিল যাতে ইয়াত বিভিন্ন কৃষ্টিৰ বিকাশ হয়। ৰাভা কৃষ্টি, শংকৰী কৃষ্টি আদি সকলোৰে বিকাশৰ বাবে এই ৰংগমঞ্চ তৈয়াৰ কৰা হৈছিল। সেইটো সময়ে সময়ে বিভিন্ন অনুস্থানে তেওঁলোকৰ কার্য্য ক্রমৰ কাৰণে ব্যৱহাৰ কৰে। যিটো নাৰী দিৱস যোৱা ৯ মার্চত পাতিবৰ বাবে এই ৰংগমঞ্চ খন লৈছিল। এই বাতৰিটো দৃষ্টিগোচৰ হোৱাৰ লগে লগে মই জিলা উপায়ুক্তক তদন্ত কৰি প্রতিবেদন দাখিল কৰিবলৈ

কৈছো। জ্যোতি ভাৰতী, পকীৰ ৰংগমঞ্চত কি ধৰণৰ অনুস্থান পাতিব পাৰিব। সেই বিষয়ে আগতে নির্দিষ্ট নীতি নির্দেশনা নাছিল। কিন্তু এতিয়া এইটো কৰা হৈছে । ইতিমধ্যে নির্দেশনা জাৰী কৰা হৈছে। ৰংঙ্গমঞ্চ কোনোবা অনুস্থানে লব খুজিলে জিলা উপায়ুক্তৰ পৰা অনুমতি লৈ সেইটো লব লাগিব। যিবিলাক নীতি নির্দেশনা আছে সেইবোৰ চাই এই অনুমতি দিব। সিদিনা এটা নাৰী সস্থাই নাৰী দিৱসৰ লগতে ফল্গু উৎসৱো পাতিম বুলি এইটো লৈছিলে। বাতৰি কাকতৰ মতে কিছুমান অনুস্থানে কৃষ্টিৰ নামত অসামাজিক কার্য্যকলাপ চলাই আছে। চৰকাৰে এই বিষয়ত চকু দিব লাগে। মই আজি আপোনালোকক আশ্বাস দিব বিছাৰো যে অকল পকীয়েই নহয়, অসমৰ কোনো ৰংমঞ্চতে যাতে এনেকুৱা বিজতৰীয়া সংস্কৃতিৰ প্রদর্শন নহয়, তাৰ বাবে সচেষ্ট থাকিম আৰু ব্যৱস্থা লম।

মাননীয়া উপাধ্যক্ষা ঃ এতিয়া যোৱাকালি শূন্যকালীন সময়ত মাননীয় বিধায়ক শ্রী অনন্ত ডেকাই উৎত্থাপন কৰা বিষয়ৰ ওপৰত বিভাগীয় মন্ত্রী ড° হিমন্ত বিশ্ব শর্মাই উত্তৰ দিব।

★ ড° হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, মাননীয় সদস্য শ্রীঅনন্ত ডেকা ডাঙৰীয়াই যোৱাকালি শুন্যকালীন ঘণ্টাত যিটো বিষয় উৎত্থাপন কৰিছে, তাৰ বাবে মই তেখেতক ধন্যবাদ দিছো। এই বিষয়ে বাতৰিত ওলাইছে। ইলোৱা বিজ্ঞান মঞ্চ নামৰ এটি অনুস্থান আছে। তেওঁলোক এটা স্বেচ্ছাসেৱী অনুস্থান। কিছুমান ব্যক্তিয়ে মৃত্যুৰ পিছত তেওঁলোকৰ দেহবোৰ বিভিন্ন চিকিৎসা ক্ষেত্রত লগোৱাৰ বাবে শ্রদ্ধাৰে দান দি থৈ যায়। এই ইলোৱা মঞ্চই এই কামবিলাক কৰি আছে। এই মঞ্চৰ উদ্যোগত এতিয়ালৈকে গুৱাহাটী মেডিকেল কলেজত নটা মৃত দেহ আৰু অসম মেডিকেল কলেজত এটা মৃত দেহ এনাটমী বিভাগত দিয়া হৈছে। মাননীয়া উপাধ্যক্ষা মহোদয়, মই অতি দুখিত যে যিবিলাক মৃতদেহ মৰনোত্তৰ ভাবে সংগ্রহ কৰা হয়, সেই মৃতদেহ বিলাক ঘৰৰ পৰা চিকিৎসালয়লৈ আনোতে লগা

★ Speech not corrected

খৰচ মৃতকৰ পৰিয়ালে গ্ৰহণ কৰিব লাগে। এই কথাতো সত্য। মই নিজেই লজ্জিত হৈছো। এই বিষয়ে মই আগতে গ'ম পোৱা নাছিলো। মোৰ বিভাগত এইটো ঘটি থকা কাৰণে মই দুখিত। এই বিষয়ত মই ব্যৱস্থা লম। ভৱিষ্যতে যাতে এইটো নহয়। অহাযোৱা খৰচ মেডিকেল কলেজে গ্ৰহণ কৰা ব্যৱস্থা কৰিম। এইটো যাতে ভৱিষ্যতে ৰিপিট নহয় তাৰ বাবে মই মাননীয় সদস্যৰ লগতে সকলোকে কথা দিলো। মাননীয়া উপধ্যক্ষা মহোদয়া, মৃতকে মৰোনোত্তৰ ভাৱে দেহ দান কৰিলে এখন ইচ্ছা পত্ৰ দিয়ে। এইখন পঞ্জীয়ন কৰিব লাগে। ইয়াৰ বাবে চাৰি-পাঁচ হাজাৰ টকা খৰচ হয়। মই ৰাজহ বিভাগক অনুৰোধ কৰিম যাতে এইটো তেওঁলোকে ৰেহাই দিয়ে। যেতিয়ালৈকে ৰাজহ বিভাগে উইদ্ৰ নকৰে বা কৰিব নোৱাৰে আমাৰ মেডিকেল কলেজে এইটো বহন কৰাৰ ব্যৱস্থা কৰিম। যিটো চৰকাৰক অসন্মান কৰা হৈছে বুলি কৈছে কথাটো হয়। এইটো ঠিক কৰিম মই কথা দিলো। দ্বিতীয়তে অস্ত্ৰোপ্ৰচাৰৰ ক্ষেত্ৰত মানুহৰ অংগ ত্ৰাঞ্চপ্লেণ্ট কৰাৰ ক্ষেত্ৰত আমাৰ অলপ সময় লাগিব। লিভাৰ আদি ত্ৰাঞ্চপ্লেণ্ট কৰাটো আমাৰ ইয়াত সম্ভৱ নহয়। দিল্লী আদিত এতিয়া হয়। এইবিলাকৰ ক্ষেত্ৰত হাইলেভেল মেডিকেল কেয়াৰ লব লাগিব। আমাৰ ইয়াত কিড্‌নী আৰু চকুৰ কৰ্ণিয়া আদিৰ ত্ৰাঞ্চপ্লেণ্ট হয়। আমাৰ শঙ্কৰ নেত্ৰালয়ত হৈছে, আমাৰ দুয়োখন মেডিকেল কলেজত ২০ টা কৰ্ণিয়া সংগ্ৰহ কৰা হৈছে। বাকী অংগ প্ৰতংগ বিলাকৰ ক্ষেত্ৰত ত্ৰাঞ্চপ্লেণ্টেশ্বনৰ ব্যৱস্থা আমাৰ মেডিকেল কলেজত কৰাৰ বাবে ভৱিষ্যতে নিশ্চয় চিন্তা কৰা হব।

★ শ্ৰীঅনন্ত ডেকা ঃ মাননীয় উপধ্যক্ষা মহোদয়া, জিলাই জিলাই ব্লাড বেংঙ্কৰ ব্যৱস্থা কৰিব নেকি।

★ ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, আমাৰ প্ৰায় বিলাক জিলাতে ব্লাড বেংক আছে। প্ৰায় ২৫ খন জিলাত ব্লাড বেংক আছে। এতিয়া আৰু কেইখনমান জিলাত ব্লাড বেংক খুলিবলৈ লোৱা হৈছে। গতিকে আমাৰ ৰক্ত সংৰক্ষণত অসুবিধা নহয়।

★ Speech not corrected

CALL ATTENTION NOTICE

মাননীয়া উপাধ্যক্ষা ঃ এতিয়া কার্য্যসূচী নং ২।

মাননীয় সদস্য শ্রীভূপেন কুমাৰ বৰা। শ্রীভূপেন কুমাৰ বৰাই অসম বিধান সভাৰ প্রক্রিয়া আৰু কার্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ২০০৮ চনৰ ২ মার্চ তাৰিখৰ 'দৈনিক জনমভূমি' কাকতত প্রকাশিত "অনশনত বহিব বেতনবিহীন শিক্ষক"। শীর্ষক বাতৰিটোৰ প্রতি শিক্ষা মন্ত্রীৰ মনোযোগ আকর্ষণ কৰিব।

☆ শ্রীভূপেন কুমাৰ বৰা ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, অসম বিধানসভাৰ প্রক্রিয়া আৰু কার্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত কৰা বাতৰিটোৰ প্রতি মই মাননীয় শিক্ষা মন্ত্রীৰ দৃষ্টি আকর্ষণ কৰিছো। মাননীয়া উপাধ্যক্ষা মহোদয়া, বিহপুৰীয়া বিধানসভা সমষ্টিৰ ১৫১ জন শিক্ষকে য়োৱা ৩ মার্চ তাৰিখে দিশপুৰ লাষ্টগেটত ৪৭ ঘণ্টা অনশন কৰিছে। তেখেতসকলে দিশপুৰত ধর্না দিবলৈ আহিছিল। মই বিধায়ক হিচাৰে তেখেত সকলৰ লগত কথা পাতি তেখেত সকলক আশ্বাস দিছিলো যে তেখেত সকলৰ বিষয়টো মই বিধানসভাত আলোচনা কৰিম। আপোনালোকে আন্দোলন প্রত্যাহাৰ কৰিব লাগে। এই বিষয়টো লৈ মই মাননীয় শিক্ষামন্ত্রী মহোদয়ৰ লগত আলোচনা কৰিছিলো। কিন্তু সেই আলোচনা কালত শিক্ষামন্ত্রীৰ পৰা যি ধৰনে আশা কৰিছিলো, সেই ধৰনে উত্তৰ নাপালো। মাননীয়া উপাধ্যক্ষা মহোদয়া, আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্রী মহোদয়ক দুটা কথা শুধিব বিচাৰিছো যে আমাৰ ১৯৯৬ চনত কংগ্রেছ চৰকাৰৰ দিনত লক্ষীমপুৰত যি সকল শিক্ষক নিযুক্তি দিয়া হৈছিল। একেজন স্কুল পৰিদর্শকে এই নিযুক্তিপত্রত চহী কৰিছিল। তাৰ মাজৰে বহুতে আজি দৰমহা পাই আছে। ১২ বছৰ ধৰি ১৫১ জন শিক্ষকে শিক্ষাদান কৰি আহিছে। কিন্তু তাৰে কিছুমান শিক্ষকে দৰমহা পোৱা নাই। আমাৰ মাননীয় শিক্ষামন্ত্রী ডাঙৰীয়াই এটা কথা কৈছে য়ে হাইকর্টৰ কিছুমান নিয়ম আছে। আইন আমি চেৰাই যাব নোৱাৰো। আজি শিক্ষক সকলৰ

☆ Speech not corrected

ঘৰৰ অৱস্থা কি হৈছে। আজি ১২ বছৰ ধৰি শিক্ষিত যুৱক সকলে স্কুলত শিক্ষাদান কৰি আহিছে। আজি কিছুমান ঠাইত এজন শিক্ষকে স্কুল এখন চলাই আছে। আজি শিক্ষক সকলে স্কুল এৰিলে ঘৰ নচলে। মাননীয় শিক্ষামন্ত্রী মহোদয় এজন শিক্ষকৰ সন্তান। তেখেতে নিশ্চয় বিষয়টো সহানুভূতিৰে বিবেচনা কৰিব। আজি ৬০০ জন ছাত্র-ছাত্রীয়ে যি জন শিক্ষকক চাৰ বুলি সম্বোধন কৰিছে, কিন্তু তেখেতৰ ঘৰুৱা অৱস্থা কি? তেখেতৰ মানসিক অৱস্থা কি সেইটো কোনেও নাজানে। আজি আমাৰ মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াৰ তেখেতৰ নেতৃত্বত ৰাজ্যখনৰ অর্থনৈতিক অৱস্থা বহুখিনি উন্নতি হৈছে। আজি আমাৰ ১৬১ খন কলেজক ৫ লাখকৈ টকা দিব পাৰিছো। আজি অন্যান্য অভিলাষী আঁচনি লৈ থকা হৈছে। মোৰ সমষ্টিত নতুনকৈ শিক্ষামন্ত্রী ডাঙৰীয়াই ২৬ লাখ টকা দিছে। ৫ খন হায়াৰ চেকেণ্ডাৰীক ৫ লাখকৈ দিছে। আজি আমাৰ সতি-সন্তান সকল প্রাইভেট স্কুললৈ গৈছে। কাৰণ, আজি শিক্ষক সকলৰ মানসিক অৱস্থা ভাল নহয়। মাননীয়া উপাধ্যক্ষা মহোদয়া, মই মাননীয় মন্ত্রী মহোদয়ক অনুৰোধ জনাইছো তেখেতে যেন ১৫১ জন শিক্ষকৰ কথাটো সহানুভূতি সহকাৰে বিবেচনা কৰে। মাননীয় মন্ত্রী মহোদয়ে যদি তেওঁলোকৰ চাকৰি নিয়মীয়া কৰিব নোৱাৰে তেনেহলে এই শিক্ষক সকলক নিৱনুৱা ভাত্তা দিয়াৰ ব্যৱস্থা কৰিবলৈ মই মাননীয় মন্ত্রী মহোদয়ক অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰনি মাৰিলো।

★ শ্রীৰিপুন বৰা (শিক্ষা মন্ত্রী) ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, মাননীয় সদস্য ভূপেন কুমাৰ বৰা ডাঙৰীয়াই বিধানসভাৰ কার্য্যক্রমনিকা নিয়মাৱলীৰ ৫৪ নং আইনৰ অধীনত যি বিষয়টো উত্থাপন কৰিছে, সেই বিষয়টো মানৱীয়তাৰ দৃষ্টি ভংগীৰ পৰা যথেষ্ঠ সংবেদনশীল বিষয়। এইটো অকল তেওঁৰ সমষ্টিতেই নহয়। এনেকুৱা এনেকুৱা ধৰনৰ সমস্যা গোটেই লক্ষীমপুৰ জিলাখনতেই আছে। নাৰায়ণপুৰত আছে, বিহপুৰিয়াত আছে। নাঁওবৈচা বিধানসভা সমষ্টিত এনেকুৱা শিক্ষক

★ Speech not corrected

আছে। ধেমাজী জিলাত আছে। শিৱসাগৰ জিলাত আছে। অন্যান্য জিলা সমূহতো আছে। মাননীয়া উপাধ্যক্ষা মহোদয়া ১৯৯৬ চনত যেতিয়া শিক্ষক নিয়ুক্তি হৈছিল তেতিয়া লক্ষীমপুৰ আৰু বিহপুৰীয়া সমষ্টিত যিজন ডি, আই আছিল শ্রী এন, আৰ, ৰহমান, তেখেতে যিখিনি শিক্ষক নিযুক্তি দিছিল, শিক্ষক নিযুক্তি দিওঁতে তেখেতে যিমান খিনি আৱণ্টিত পদ আছে, তাতকৈ বেছি শিক্ষক তাত নিযুক্তি দিছিল। মাননীয় সদস্য ভূপেন বৰা ডাঙৰীয়াই যিটো কথা কৈছে, এই ১৫১ জন শিক্ষকৰ কথাটো, শিক্ষক সকলক নিযুক্তি দিয়াৰ পিছত কথাটো ধৰা পৰিল যেতিয়া শিক্ষক সকলৰ নিয়মীয়া কৰাৰ সময় আহিল, এডজাষ্ট কৰাৰ সময় আহিল তেতিয়া এই বিলাক কথা ওলাই পৰে। তাৰ পিচত আমাৰ চৰকাৰৰ ফালৰ পৰা তদন্ত ঘোষণা কৰিলো। বিত্ত বিভাগৰ ফালৰ পৰাও তদন্ত ঘোষণা কৰিলে। লক্ষীমপুৰৰ অতিৰিক্ত উপায়ুক্তক তদন্ত কৰিবলৈ দিয়া হৈছিল। বিত্তবিভাগক এই তদন্তৰ প্রতিবেদন দাখিল কৰিছে কিন্তু বিত্ত বিভাগে এতিয়ালৈকে কোনো কার্য্য-ব্যৱস্থা হাতত লোৱা নাই। এতিয়া বিষয়টো মীমাংসা নোহোৱা কাৰণে শিক্ষক সকলক দৰমহা দিব পৰা নাই। সেই শিক্ষক খিনিক যিহেতু একজিচিটিং পোষ্টত নিযুক্তি দিয়া হৈছিল সেই কাৰণে বাজেটত তেওঁলোকৰ কাৰণে দৰমহা নাই। পৰবর্ত্তী পর্য্যায়ত বহুতো নিযুক্তি পত্র বাতিল কৰা হৈছে যদিও তেওঁলোকে সেই শিক্ষা অনুষ্ঠান সমূহত শিক্ষকতা কৰিয়েই আছে। ধেমাজী, জোনাই, লক্ষীমপুৰ, বিহপুৰীয়া আৰু শিৱসাগৰত এনেকুৱা যিখিনি শিক্ষক আছে আমি সেই গোটেই খিনি শিক্ষকৰ কথাটো একেলগে পর্য্যালোচনা কৰি আছো। সেই কথাটো পর্য্যালোচনা কৰি আমি সুস্থ সিদ্ধান্ত এটা লবৰ কাৰণে চিন্তা কৰি আছো। কিন্তু বিত্ত বিভাগে কি ব্যৱস্থা লয় তাৰ ফলাফলৰ ওপৰতহে নির্ভৰ কৰিব। তদন্তৰ প্রতিবেদন তেখেত সকলে সোনকালে শিক্ষা বিভাগক জনালে আমি ব্যৱস্থা লব পাৰিম। মই ভাবো, মাননীয় সদস্য গৰাকী এই উত্তৰ খিনিত সন্তুষ্ট হব।

MATTER UNDER RULE 301

Madam Deputy Speaker : Now, Item No. 3. Shri Nurul Hussain to draw the attention of the Minister, Health & Family Welfare by raising the matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Lehislative Assembly to the News item appearing in the "Asomiya Khabar" dated the 5th March, 2008 under the caption "নৱজাতকৰ মৃত্যুক লৈ উত্তপ্ত হাজো, চিকিৎসালয় লণ্ডভণ্ড"।

★ শ্রীনুৰুল হুচেইন ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, অসম বিধান সভাৰ প্রক্রিয়া আৰু কার্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত ২০০৮ চনৰ ৫ মার্চ তৰিখৰ 'অসমীয়া খবৰ' কাকতত প্রকাশিত "নৱজাতকৰ মৃত্যুক লৈ উত্তপ্ত হাজো, চিকিৎসালয় লণ্ডভণ্ড" শীর্ষক বাতৰিটো মই মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রীৰ দৃষ্টি আকর্ষণ কৰিলো। কথাটো হৈছে হাজো প্রাথমিক স্বাস্থ্য কেন্দ্রত ৪ টা নৱ জাতকৰ মৃত্যু হৈছিল। তাৰে এটা অনুসূচীত জাতি আৰু ৩ টা অসমীয়া মুছলমান নৱ জাতকৰ মৃত্যু হৈছিল। মোৰ নিজৰ গাৱঁৰ এগৰাকী মহিলাৰ নৱ জাতক এটাৰো মৃত্যু হৈছিল। তাৰ আগতেও আমাৰ সেই অঞ্চলৰ হস্পিতালত এনেকুৱা ধৰণৰ ঘটনা ঘটিছিল। সেই হস্পিতাল খন থানা খনৰ ওচৰতেই আছে। তৎ স্বত্বেও এনেকুৱা ধৰণৰ ঘটনা ঘটি আছে। এইটো কেনেকুৱা ধৰণে নাইকীয়া কৰিব পাৰি সেইটো চিন্তা চর্চ্চা কৰিব লাগে আৰু আমাৰ মাননীয় মন্ত্রী মহোদয়ে কার্য্য ব্যৱস্থা লব লাগে। অৱশ্যে, আমাৰ মাননীয় মন্ত্রী মহোদয়ে কিছু ব্যৱস্থা হাতত লৈছে। আগতে আমাৰ ৰাইজে চিকিৎসা বিজ্ঞান বিশ্বাস নকৰিছিল। কিন্তু আমাৰ আশা কর্মী সকলৰ প্রচেষ্টাত এতিয়া আমাৰ ৰাইজে চিকিৎসা বিজ্ঞানক বিশ্বাস কৰিছে আৰু তেওঁলোকে কবিৰাজ, মৌলবী আদিৰ ওচৰলৈ নগৈ বিজ্ঞান চিকিৎসাৰ কাৰণে ঢাপলি

★ Speech not corrected

মেলিছে। যদি এই চিকিৎসালয় বিলাকত ৰাইজে সুচিকিৎসা নাপায় তেতিয়া তেওঁলোকৰ মনত হতাশাৰ ভাব আহিব আৰু চিকিৎসালয় বিলাকৰ প্ৰতি আকৰ্ষণ কমি যাব। এসময়ত ফ্লোৰেঞ্চ নাইটিংগেলে মানুহক কেনেদৰে শুশ্ৰুষা কৰিছিল সেই কথা আমি সকলোৱে জানো। গতিকে নার্চ সকলে সদায় ফ্লোৰেঞ্চ নাইটিংগেলক অনুসৰণ কৰি সেৱা আগবঢ়াব লাগে। আমাৰ মাননীয় ডাঃ হীৰেণ গোহাঁয়ে নার্চ সকলক হত্যাকাৰিণী নে কি বুলি সমালোচনা কৰিছে। গতিকে এই কথাটো মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। ইয়াৰ উপৰিও আমাৰ সেই অঞ্চলত ৩০ খন বিচনাযুক্ত হস্পিতালৰ উপৰিও ৬ খন বিচনাযুক্ত হস্পিতালো আছে। ৰামদিয়া হস্পিতালতো ইয়াৰ আগতে এজন লোকৰ মৃত্যু হৈছিল। তেতিয়া সেই হস্পিতাল খনৰ ডাক্টৰ জন অন্তর্ধান হৈছিল। এনেকুৱা ধৰণৰ ঘটনা ভৱিষ্যতে যাতে নহয় আৰু যি পদ্ধতি অবলম্বন কৰিলে এনেকুৱা ঘটনা ঘটাৰ পৰা ৰোধ কৰিব পাৰি তেনেকুৱা পদ্ধতি অবলম্বন কৰিব লাগে। চিকিৎসালয়ত মানুহৰ জীৱন দান দিয়ে। গতিকে চিকিৎসালয়ত যোৱাৰ কাৰণে ৰাইজ যাতে আগ্ৰহী হয়, ৰাইজৰ আকৰ্ষণ যাতে বাঢ়ে তাৰ কাৰণে ব্যৱস্থা কৰিব লাগে। বিশেষকৈ আমাৰ ডাক্টৰ সকলে, নার্চ সকলে ফ্লোৰেঞ্চ নাইটিংগেলৰ আদর্শ গ্ৰহণ কৰিব লাগে। আগতেও সেই অঞ্চলৰ ৰাইজে চিকিৎসালয়ৰ বিল্ডিং ভাঙিছিল। সেই ঘটনা ঘটাৰ বহুত পিচতহে তাত পুলিচ তাত উপস্থিত হৈছিল। হাজো চিকিৎসালয়ৰ এনেকুৱা ধৰণৰ কেইবাটাও ঘটনাই বাতৰিৰ শিৰোনামা দখল কৰিছে। এই যিটো ঘটনা ঘটিছে তাত যি গৰাকী নার্চ জড়িত আছিল তেখেতৰ ওপৰত ব্যৱস্থা লব লাগে আৰু যি গৰাকী ডাক্টৰ তাত থাকিও নাহিল তেঁওৰ ওপৰতো তদন্ত কৰি ব্যৱস্থা লব লাগে। ৩ তাৰিখে ঘটনা ঘটিছিল আৰু ২৬ তাৰিখে আমি ডাক্টৰ সকলক মাতি আনি এখন সভা পাতিছিলো। তাত ১১ গৰাকী ডাক্তৰৰ ভিতৰত ১০ গৰাকী ডাক্টৰ উপস্থিত আছিল। তেওঁলোকে মৰম শ্ৰদ্ধা আৰু

ভাল ধৰণে যাতে ৰোগীক শুশ্ৰুষা কৰে সভাত সেই কথাটো কোৱা হৈছিল। ডাক্টৰ সকলক ৩০ হাজাৰ টকাকৈ দৰমহা দিয়া হৈছে। একে দিনাই ৪ টা নৱ জাতকৰ মৃত্যু হৈছে এই কথাটো মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো আৰু ইয়াৰ যথাযত উত্তৰ পাম বুলি আশা কৰিলো।

★ ড° হিমন্ত বিশ্ব শৰ্মা ঃ (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী) ঃ মাননীয় উপাধ্যক্ষা মহোদয়া, যোৱা ৫ মাৰ্চ তাৰিখে 'অসমীয়া খবৰ' কাকতত প্ৰকাশিত "নৱ জাতকৰ মৃত্যুক লৈ উত্তপ্ত হাজো, চিকিৎসালয় লণ্ড-ভণ্ড" শীৰ্ষক বাতৰিটো মোৰ দৃষ্টিগোচৰ হৈছে। ৪ টা নৱ জাতকৰ মৃত্যু হোৱা বাতৰিটো মই দুপৰীয়া ৩ টা মান বজাত গুৱাহাটীৰ পৰা প্ৰকাশ কৰা এটা চেটেলাইট চেনেলত পাওঁ। সেই বাতৰিটো পোৱাৰ লগে লগে মই যুটীয়া স্বাস্থ্য সঞ্চালক আৰু কামৰূপৰ উপায়ুক্তক হস্পিতাললৈ পঠিয়াই দিও আৰু তদন্ত কৰিবলৈ কওঁ। আচলতে ৪ টা সন্তানৰ মৃত্যু হৈছে যদিও দুটা গৰ্ভস্থ অৱস্থাতেই মৃত্যু হৈছিল। গৰ্ভতে মৃত হৈ থকাৰ কাৰণে সেই দুটা সন্তান মৃত অৱস্থাত প্ৰসৱ কৰিছিল। গৰ্ভতে মৃত অৱস্থাত থকা সন্তান সকলক চিকিৎসকে জীয়াই তুলিব নোৱাৰে। চিকিৎসালয়ত তেনেকুৱা ঘটনা হৈ থাকে। সিদিনা খন বেডলাক আছিল যে এদিনতেই দুটা মৃত সন্তান প্ৰসৱ কৰিলে। এখন হস্পিতালত কেতিয়াবা এমাহৰ মূৰত এটা মৃত সন্তান প্ৰসৱ কৰে আৰু কেতিয়াবা ৬ মাহৰ মূৰতো এটা মৃত সন্তান প্ৰসৱ কৰে। বাকী যি দুটা সন্তানৰ মৃত্যু হৈছিল সেই দুটা সন্তানৰ ক্ষেত্ৰত অলপ কমপ্লিকেচী আছিল আৰু যি গৰাকী চাইল্ড স্পেচিয়েলিষ্ট তাত আছিল তেখেতক মাতি আনিব লাগিছিল। কিন্তু তেখেতক মাতি নানিলে। তেখেতক মাতি নিনিয়াৰ ফলত আৰু প্ৰকৃত চিকিৎসা নোপোৱাৰ কাৰণে সন্তান দুটাৰ মৃত্যু হ'ল।

যি দুটা সন্তানৰ মৃত্যু হৈছে তাৰে এটা সন্তানৰ মাতৃৰ কেচটোত

★ Speech not corrected

আগৰ পৰাই কমপ্লিকেচি আছিল। তথাপি হয়তো কৰ্ত্তব্যত থকা নার্চ গৰাকীয়ে শিশু বিশেষজ্ঞক মাতি আনিব পাৰিলেহেঁতেন মাতি অনা হলে শিশু গৰাকী চিকিৎসাৰ পৰা বঞ্চিত নহ'লহেঁতেন। কিন্তু নার্চ গৰাকীৰ এই গাফিলটিৰ কাৰণে তেওঁক কামৰ পৰা অব্যাহতি দিয়া হৈছে। তেওঁ হৈছে শ্রীমতী জুনু কলিতা, তাৰ পিছত এ এন এম জুনু গগৈক তেওঁৰ কিবা গাফিলতি আছে নে নাই চাবৰ কাৰণে কাৰণ দর্শোৱাৰ জাননী জাৰি কৰা হৈছে । বোধকৰো তেওঁকো নিলম্বিত কৰা হব। তাৰ যিজন চিকিৎসক ডাঃ মিঃ কলিতা, তেওঁৰো দর্মহা বন্ধ কৰি ৰখা হৈছে তেওঁৰ চিকিৎসাত কিবা ভূল আছে নেকি যুটীয়া সঞ্চালকক অনুসন্ধান কৰিব দিয়া হৈছে। আৰু কাৰোবাৰ কিবা হেমাহী আছে নেকি গোটেই কথাখিনি আমি গুৰুত্ব সহকাৰে লৈ অনুসন্ধান কৰিব দিছো। হাজোৰ যিখন প্রাথমিক চিকিৎসালয় সেইখনত কিছুমান অসুবিধাও আছে, তাত এটা আল্ট্রা চাউণ্ড মেচিন নাই। আল্ট্রা চাউণ্ড মেচিনটো থকা হলে মাতৃৰ গর্ভতে সন্তানটোৰ স্থিতি ডাক্তৰে চাব পাৰিলেহেঁতেন আৰু চিজাৰিন কৰিবলগীয়া হলে মেডিকেললৈ পঠিয়াব পাৰিলেহেঁতেন আৰু হয়তো সন্তানটো বাচিলহেঁতেন। মই এতিয়া এন-আৰ-এইচ-এমৰ যোগেদি তাত এটা আল্ট্রা চাউণ্ড মেচিন ক্রয় কৰিব দিছো। তাত যিটো চিলেণ্ডাৰ আছে তাত আকৌ অক্সিজেন নাই অর্থাৎ ভৰোৱা নাই। সেই ডাক্তৰখানাখনৰ কাৰণে আৱণ্টিত ৫/৬ লাখ টকা জমা আছে আৰু সেইখন হস্পিতেলৰ পৰিচালনা সমিতিৰ সভাপতি আমাৰ বিধায়ক নুৰুল হুচেইন ডাঙৰীয়া। গতিকে চিলিণ্ডাৰত কিয় অক্সিজেন নাই ডাক্তৰক ধৰিব পাৰে সৰুসুৰা কথাবিলাক ধৰিলেহে তেওঁলোক সাবধান হব। আমি প্রশাসনিকভাবে যিবিলাক কাম কৰিব লাগে সেইখিনি কৰিছো আপোনালোকৰো সহায় লাগিব। ইতিমধ্যে মই হাজো হস্পিটলখনক এফ-আৰ- ইউলৈ উন্নিত কৰিবলৈ ব্যৱস্থা লৈছো। এইটো হলে তাতেই মহিলা সকলক চিজাৰিন বা অপাৰেচন কৰিব পৰা যাব তেতিয়া শিশুৰে হওক বা অন্য মাতৃয়ে হওক ইয়াতে

চিকিৎসাৰ বহুত সুবিধা পাব। প্ৰশাসনিকভাবে বা লোজিকেলী আমাৰ যিবিলাক কৰনীয় আমি কৰিছো ভৱিষ্যতে যাতে এনে নহয় তাৰ ব্যৱস্থাও কৰিম। স্পষ্টিকৰণ হিচাৱে এইখিনি দাঙি ধৰিলো।

GENERAL DISCUSSION ON THE BUDGET

মাননীয়া উপাধ্যক্ষা ঃ এতিয়া বাজেটৰ ওপৰত সাধাৰণ আলোচনা, মাননীয় সদস্য শ্ৰীৰাণা গোস্বামীয়ে কব।

শ্ৰীৰাণা গোস্বামী ঃ মাননীয় উপাধ্যক্ষা মহোদযা, যোৱা ১০ মাৰ্চ তাৰিখে অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বিত্ত বিভাগৰ দায়ীত্বত থকা হিচাবে সদনত ২০০৮-২০০৯ চনৰ বাজেট দাঙি ধৰিছে। বৰ্ত্তমান সময়ত এইখন এখন উত্তম বাজেট বুলি মই ইয়াক অভিহিত কৰিছো। আমি সকলোৱে জানো যে সদনত যি বাজেটেই উৎথাপন কৰা হয় কেন্দ্ৰীয় বাজেট বা ৰাজ্যিক বাজেট আমি সদায় দেখিছো সেই বাজেটক বিৰোধী পক্ষই দুটা কথা কয় যে কৰ কাটলৰ প্ৰশ্ন নাথাকিলে নিৰ্বাচনমুখী বাজেট আৰু কৰ কাটল থাকিলে জনবিৰোধী বাজেট বুলি তেখেত সকলে আখ্য দিয়ে। কিন্তু মই পুনৰবাৰ কৈছো এইখন হৈছে বৰ্ত্তমান সময়ত এখন উত্তম বাজেট। এই নিৰ্বাচনমুখী বা জনবিৰোধী বাজেট এই শব্দ দুটা আমি আজি বুলি নহয় মই বিধায়ক নোহোৱাৰ আগৰ পৰাই বাতৰি কাকত বা ইলেট্ৰনিক মেডিয়াৰ দ্বাৰা শুনি আহিছো। ২০০৭-০৮ চনত যেতিয়া মুখ্য মন্ত্ৰী মহোদয়ে বাজেট উৎথাপন কৰিছিল তেতিয়াও সেইখন বাজেট নিৰ্বাচন মুখী বাজেট বুলি কোৱা হৈছিল এই বছৰৰ বাজেটখনকো নিৰ্বাচনমুখী বাজেট আখ্যা দিছে অর্থাৎ উত্তম বাজেট মানেই নিৰ্বাচন আহি থাকিব লাগিব।

(সদনত কোৰামৰ সংকেটধ্বনী বাজি উঠে)

(কেৰামৰ পিছত)

উপাধ্যক্ষা মহোদয়া, আমি এইটো বাঞ্চা কৰো চৰকাৰ যিয়ে

নাথাকক কিয় নির্বাচন আহি থকা ভাল। কাৰণ তেতিয়া ভাল বাজেট হব আৰু জনসাধাৰণৰ কাম হব। এই বাজেটখনৰ ওপৰত শাসক বিৰোধী দুয়োপক্ষই বক্তৃতা ৰাখিছে । যোৱা ৭ টা বছৰ মাননীয় শ্রীতৰুন গগৈ ডাঙৰীয়াৰ নেতৃত্বৰ চৰকাৰ চলি আছে। মই ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত বক্তৃতা ৰাখোতেও কৈছিলো আৰু এই কথাটো সদায় কব লাগিব উন্নয়নৰ যিডাল কাড় সেই কাড়ডাল ২০০১ চনলৈ নিম্নগামী আছিল। বিভিন্ন আয়ৰ যোগেদি সেই কাড়ডাল সেই চনৰ পৰা বিত্তীয় ক্ষেত্রতে হওক বা অন্য ক্ষেত্রতে হওক নামি অহা নাই বৰঞ্চ দিনক দিনে ওপৰলৈ উঠি গৈ আছে অর্থাৎ ইতিবাচক দিশটো সদায় পাই আহিছো। মানুহৰ আশা আকাংঙ্খা স্বাভাবিকতে বহুত বেছি, আশা কৰা মতে পূৰণ নহলেও শ্রীতৰুন গগৈ ডাঙৰীয়াৰ নেতৃত্বত অসমখন বহুত আগবাঢ়ি গৈ আছে। অসমৰ জনসাধাৰনৰ স্বার্থত বাজেটখন মূলতঃ এখন ইতিবাচক ৰাজেট বুলি কব লাগিব। বিত্তীয় পৰিচালনা কৰাৰ ক্ষেত্রত এটা সময়ত যি বিশৃঙ্খলতা দেখা দিছিল আমাৰ মুখ্য মন্ত্রী ডাঙৰীয়াৰ নেতৃত্বত বিত্তীয় পৰিস্থিতি বিত্তীয় আয়োগৰ ধন বা পৰিকল্পনাৰ ধন কিন্তু অসমত বহুত বিনিয়োগ কৰা হৈছে।

মাননীয় উপাধ্যক্ষা মহোদয়া, মাননীয় ৰাজ্যপালৰ ভাষনৰ ওপৰত ধন্যবাদ সূচক প্রস্তাৱৰ কওতে এই কথাটো কৈছিলো। আমি এইটো স্বীকাৰ কৰিব লাগিব। পূর্বতে আমাৰ ৰাজ্যখনৰ অর্থনৈতিক অৱস্থাৰ জুৰুলা হোৱাৰ কাৰণে শিক্ষক, কর্ম্মচাৰী সকলৰ আৰু অন্যান্য বিভাগৰ কর্ম্মচাৰী সকলে মাহিলী দৰমহা সময় মতে নোপোৱাৰ কাৰণে কর্মচাৰী সকল ভাগি পৰিছিল। অসমে নিম্ন দিশলৈ গতি কৰিছিল। ক্রমান্বয়ে সকলোৰে সহযোগত আমি ওপৰলৈ যাব পাৰিছো। আজিৰ তাৰিখত আমাৰ অসমত জনমূৰি আয় আশাকৰামতে যিমান হব লাগিছিল সিমান হব পৰা নাই। আজিৰ তাৰিখত ২০০০-২০০১ বছৰৰ জনমূৰি আয় চাঁও সেই তুলনাত বাঢ়িছে। অনাগত দিনত আৰু বাঢ়িব

পাৰে। অসমক উন্নত কৰিবৰ কাৰণে অসম চৰকাৰে বিভিন্ন ক্ষেত্ৰত, বিভিন্ন বেংক এ, ডি, পি, বিভিন্ন সংস্থাৰ পৰা ঋণ লৈছে। এই ঋণ বিলাক ৰাজ্যখনৰ কাম কাজ বিলাক কৰিবৰ কাৰণে। আজি অসম চৰকাৰক বিভিন্ন সংস্থাই ঋণ দিছে। যাতায়ত, প্ৰযুক্তি, বিদ্যুৎ আদি উন্নয়ন সাধন কৰিবৰ কাৰণে ঋণ আগবঢ়াইছে। আমি সকলোৱে জানো, সকলো সংস্থাই সকলোকে ঋণ নিদিয়ে। যি সকলে ঋণৰ ধন উপযুক্ত ভাৱে ব্যৱহাৰ কৰিব জানে আৰু ৰিকভাৰি কৰিব পাৰে সেই সকলকহে ঋণ দিয়ে। অসমৰ পৰা ঋণ ৰিকভাৰি হয়তো কম হব পাৰে ভৱিষ্যতে বৃদ্ধি কৰাৰ প্ৰয়োজন। প্ৰতিখন ৰাজ্যতে ঋণ লৈছে নিজৰ নিজৰ ৰাজ্য বিলাকত উন্নতিৰ কাম কৰিছে। ইয়াৰ কাৰণে অসম চৰকাৰক বিশেষকৈ মাননীয় মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াক ধন্যবাদ জনাইছো। তেখেতৰ নেতৃত্বত ধংস হৈ যোৱা অৰ্থনীতি ক্ষেত্ৰত সমতা স্থাপন কৰিবলৈ চেষ্টা কৰিছে। ভালেকেইজন বিৰোধী পক্ষৰ মাননীয় সদস্যই তেখেত সকলৰ ভাষণত কৈছে যে নিবনুৱাৰ কাৰণে আমাৰ বাজেটত কোনো বিশেষ ব্যৱস্থাৰ উল্লেখ নাই। মই ভাল পাইছো এটা কথাৰ কাৰণে তেখেত সকলৰ মূখত নিবনুৱা শব্দটো ওলোৱাৰ কাৰণে, সেইয়া ঘৰিয়ালৰ চকুপানীহে। AGP চৰকাৰেই কেন্দ্ৰৰ বিজেপি চৰকাৰৰ লগত ৯ বছৰৰ কাৰণে এম ও ইউ কৰি অসমৰ লাখ লাখ নিবনুৱাই চাকৰি পাব নোৱাৰা কৰিবৰ কাৰণে নিয়ুক্তি বন্ধ কৰিছিল। আজি তেখেত সকলৰ মনত পৰিছে নিবনুৱাৰ কথা।

মাননীয়া উপাধ্যক্ষা মহোদয়া, আজি স্বাস্থ্য বিভাগত নিযুক্তি মেলা পাতিব পৰা হ'ল। তেখেতসকলে হয়তো ভয় খাই ঘৰিয়ালৰ চকুলো টুকিছে। ভেট হ্ৰাস কৰি ২ লাখ টকাৰ পৰা ৪ লাখ টকালৈ সীমিত কৰা হৈছে। ক্ষুদ্ৰ ব্যৱসায়ী সকলক সকাহ দিবৰ কাৰণে এইটো কৰা হৈছে। আমাৰ শিক্ষিত নিবনুৱা সকল ব্যৱসায়ৰ প্ৰতি আকৰ্ষিত হয়। মৰাপাটৰ পৰা তৈয়াৰী সামগ্ৰীৰ ওপৰত ভেট হ্ৰাস কৰি ১২

শতাংশ ৰ পৰা কমাই অনা হৈছে। যাতে তেওঁলোকেও সৰু সৰু ব্যৱসায় বিলাক কৰিব পাৰে। কিয়নো অসমৰ বাহিৰত এখন ভাল বজাৰ আছে। অসমৰ সামগ্ৰী বিলাকৰ ভাল চাহিদা আছে। সেই কাৰণে ভেট হ্ৰাস কৰা হৈছে। আজিৰ তাৰিখত সকলোৱে জানে ১১ লাখ ১৭ হাজাৰৰ অধিক নিবনুৱাক চৰকাৰে চাকৰি দি সংস্থাপিত কৰা সম্ভৱ নহয়। আত্ম সহায়ক গোট বিলাকৰ কাৰণে এই পদক্ষেপ লোৱা হৈছে। যাতে এই ব্যৱসায়-বাণিজ্যৰ দ্বাৰা নিবনুৱা সকলৰ সমস্যা দুৰ কৰিব পাৰি। অসমত এনৰেগা আচনিৰ অধীনত শ্ৰমিক সকলে পাই থকা পূৰ্বৰ ৭৭ টকাৰ পৰা ১০০ টকালৈ বৃদ্ধি কৰা হৈছে। এইবাৰৰ বাজেটত এইটো ব্যৱস্থা কৰা হ'ল। এই বিলাক জানো নিবনুৱা সমস্যা সমাধান কৰাৰ দিশ নহয়।

মাননীয় উপাধ্যক্ষা মহোদয়া, আজি অত্যাৱশ্যকীয় সামগ্ৰীৰ ওপৰত ভেট ৰেহাই দিয়া হৈছে। অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য হ্ৰাস পাব। তাৰ কাৰণে মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ শলাগ লৈছো। এই ক্ষেত্ৰত জন প্ৰতিনিধি হিচাপে আমাৰ প্ৰত্যেকৰে কৰণীয় আছে। অত্যাৱশ্যকীয় সামগ্ৰীৰ ওপৰত ভেট হ্ৰাস কৰাৰ ফলস্বৰূপে ইয়াৰ ভাল ফল জনসাধাৰণে পাইছে নে নাই জিলা প্ৰাশাসনক চোৱাচিতা কৰিবলৈ দায়িত্ব দিয়া হৈছে। আমাৰ সকলোৰে দায়িত্ব আছে। এইবাৰ বাজেটত প্ৰথম বাৰৰ কাৰণে মহিলা সকলৰ কাৰণে 'জেণ্ডাৰ' বাজেট কৰা হ'ল। এইটো এটা উল্লেখযোগ্য পদক্ষেপ। এই সংক্ৰান্তত ১২ টা বিভাগত ১২ খন নতুন বাজেট কৰা হব বুলি কৈছে। মহিলা সকলক বাদ দি ৰাজ্যখনৰ উন্নতি হব নোৱাৰে সেইটো প্ৰত্যেক গৰাকীয়ে দাণ্ডি ধৰিছে। মাননীয় সদস্যা বিথিকা দেৱেও তেখেতৰ ভাষণত দাণ্ডি ধৰিছে। কোনখন চৰকাৰে মহিলা সকলৰ সবলীকৰণৰ কাৰণে কৰিলে। ২০০১ চনত মাননীয় তৰুণ গগৈ ডাঙৰীয়াই দায়িত্ব লোৱাৰ পিচত প্ৰথম বাৰৰ বাবে এইটো হ'ল। অসমৰ বিভিন্ন অঞ্চলৰ গাঁৱত বসবাস কৰা মহিলাসকল, চৰ অঞ্চলৰ মহিলা সকল, চাহ বাগিছাৰ মহিলা

সকলে বেংকলৈ আহিব পৰা হ'ল। গাঁৱৰ পৰা নগৰ মুখী হৈছে। গাঁৱৰ ঘৰৰ খুটাত ফুটা কৰি পইচা জমা কৰা মহিলাসকলে আজি বেংকত পইচা সঞ্চয় কৰিব পৰা হ'ল।

মাননীয় উপাধ্যক্ষা মহোদয়া, আজি অসমৰ মহিলা সকলে সৰ্ব ভাৰতীয় উদ্যোগ মেলাত অংশ গ্ৰহণ কৰিব পৰা হ'ল। দিল্লীৰ প্ৰগতি মৈদানত বাণিজ্য মেলাত ভাগ লৈছে তাত সামগ্ৰী বিক্ৰী কৰিছে। বহুতো এই ক্ষেত্ৰত আগবাঢ়ি আহিছে। এই জোৱাৰ কোনে আনিছে, নিশ্চয় মাননীয় মুখ্য মন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াৰ নেতৃত্বত থকা চৰকাৰখনে। কাৰণ ইটোৰ পিচত হোৱা সিটো নিৰ্বাচনে ইয়াৰ প্ৰমাণ কৰিছে। শিক্ষা বিভাগত, স্বাস্থ্য বিভাগত পইচা দিয়া হৈছে উন্নয়নমূলক কাম কৰিবৰ কাৰণে সেই বিষয়ে মই কবলৈ নাযাও।

শিক্ষাৰ ক্ষেত্ৰত আমি কিমান চকু দিছো। যোৱা বছৰলৈকে ছাত্ৰ-ছাত্ৰীসকলে মেট্ৰিক, হায়াৰ চেকেণ্ডাৰী শিক্ষান্ত পৰীক্ষা দিয়াৰ পিচত ছাত্ৰ-ছাত্ৰীসকলে মনে ভবা বিষয় লব নোৱাৰি বাহিৰলৈ যাব লগা হৈছে। মেডিকেল কলেজ, ইঞ্জিনীয়াৰিং কলেজৰ সীমিত আসনত স্থান নাপাই বাহিৰলৈ যাব লগা হৈছে। অসমৰ পৰা প্ৰতি বছৰে মাক-দেউতাকৰ কষ্টৰ ধন ভাঙি উচ্চ শিক্ষাৰ বাবে ৫ হেজাৰৰ পৰা ২০ হেজাৰ ল'ৰা-ছোৱালী বাহিৰলৈ যাব লগা হৈছে। এইদৰে অসমৰ পৰা শশ কোটি টকা প্ৰতি বছৰে বাহিৰলৈ ওলায় গৈ আছে। আজি অসমত মুক্ত বিশ্ব বিদ্যালয় স্থাপন কৰাৰ বাবে প্ৰস্তাৱ কৰা হৈছে। বহুতো প্ৰাইভেট পাৰ্টিয়ে শিক্ষানুষ্ঠান পাতিবৰ কাৰণে প্ৰস্তাৱ দিছে। মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই ৩ খন মেডিকেল কলেজ কৰাৰ প্ৰস্তাৱ দিছে। আগৰ চৰকাৰৰ সময়ত সদনত বিৰোধী দলৰ মাননীয় সদস্য এজনে এই প্ৰসঙ্গত কৈছিল থকা মেডিকেল কলেজখনে ঠিক কৰিব পৰা নাই নতুন কলেজ কি কৰিব লাগে। এইটো কেনেকুৱা কথা। যোৰহাট, তেজপুৰ, বৰপেটাত ৩ খন মেডিকেল কলেজ স্থাপন

কৰাৰ প্ৰস্তাৱ লোৱাৰ কাৰণে মই মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। আৰু হওক, যদি গোলাঘাট, ধুবুৰী, নগাঁৱত একোখনকৈ হয় হওক। আমি ধন্যবাদ জনাম। কোকৰাঝাৰত এখন ইঞ্জিনীয়াৰিং কলেজ স্থাপন কৰিবলৈ প্ৰস্তাৱ লৈছে।

মাননীয় উপাধ্যক্ষা মহোদয়া, পাৰ্বত্য এলেকাত এখন নাচিং মহাবিদ্যালয়, ধুবুৰীত এখন কৃষি মহাবিদ্যালয়ৰ পতাৰ কাৰণে প্লেন লোৱা হৈছে। আজি আমাৰ হাজাৰ হাজাৰ ল'ৰা-ছোৱালী শিক্ষাৰ কাৰণে বাহিৰত যাব লগা হৈছে। এই ল'ৰা-ছোৱালী বিলাক আমাৰ সম্পদ। এই যুৱক-যুৱতী সকল অসমৰ সম্পদ। উপাধ্যক্ষা মহোদয়া, এই অসমৰ সম্পদ ল'ৰা-ছোৱালীবোৰ পঢ়িবলৈ বাহিৰত যাব লগা হৈছে। বহুতো ল'ৰা-ছোৱালী বাহিৰৰ পৰা ঘূৰি নাহি তাতেই চাকৰি বাকৰি কৰি সংস্থাপিত হব লগা হৈছে। অসম ৰাজ্যৰ কাৰণে এইটো এটা দুখৰ বিষয়। ভাৰতবৰ্ষৰ অন্যান্য ঠাইত গৈ শিক্ষা লাভ কৰিব লগা হৈছে। আমাৰ বহুতো অভিভাৱকে তাৰ কাৰণে বহুতো কষ্ট ভোগ কৰিব লগা হৈছে। বাঙ্গালোৰ, দিল্লী আদি বিভিন্ন ঠাইত গৈ পঢ়িবলৈ হলে হয়তো ভাল পাৰচেণ্টেজ পাব লাগিব নহলে শকত ধনৰ টোপোলা দিব লাগিব ডোনেচন হিচাবে। গতিকে মহোদয় মধ্যবিত্ত শ্ৰেণীৰ ছাত্ৰ এজনৰ যদি পাৰচেণ্টেজ কম হয় তেওঁলোকে কেনেকৈ পাচঁ লাখ, বিশ লাখ টকা কেনেকৈ দিব আমি সেই কথা এতিয়া চিন্তা কৰিছো। মহাৰাষ্ট্ৰ, কৰ্ণাটক আদি ৰাজ্যৰ গাৱঁৰ মাজে মাজে বিশাল ধাননি পথাৰ কুহিয়াৰ পথাৰ তাৰ মাজে মাজে ব্যক্তিগত খণ্ডত একোখনকৈ মহাবিদ্যালয় গঢ়ি উঠিছে সেই ঠাই বোৰত। উপাধ্যক্ষা মহোদয়া, ১৯৮৫ চনত ডাইৰেক্ট ইউনিভাৰচিটিৰ পৰা আহি এ, জি, পি, চৰকাৰে চৰকাৰ গঠন কৰিছিল। গতিকে তেওঁলোকে এই অসমৰ ল'ৰা-ছোৱালীৰ কাৰণে চিন্তা কৰিব লাগিছিল। এই ছাত্ৰ সকলৰ কাৰণে কিয় অকনো চিন্তা তেওঁলোকে নকৰিলে সেইটোহে সাঁথৰ হৈ ৰ'ল। মাননীয় উপাধ্যক্ষা মহোদয়া, আজি আমাৰ তৰুণ গগৈ চৰকাৰৰ দিনত

শিল্পৰ ক্ষেত্ৰত সৰ্বসাধাৰণ মানুহ উল্লেখনীয় ভাৱে উপকৃত হৈছে। আজি কৃষিৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে বিশেষ অনুদান আগবঢ়াইছে। আজি অসমত ফুলৰ চাহিদা বাঢ়ি গৈছে। আমাৰ ৰাজ্য চৰকাৰে ফুল উৎপাদন, উদ্যান শষ্য আদিৰ বাবে ধন আৱণ্টন দিছে ২০০৬-০৭ ত ১৪ কোটি টকা আৰু ২৬.৮০ কোটি টকা দিয়া হৈছে। কৃষিক অগ্ৰাধিকাৰ দিয়া হৈছে। নিৱনুৱা সকলক ফুলৰ খেতিৰ প্ৰতি আকৰ্ষিত কৰাৰ কাৰণে যত্ন কৰা হৈছে। অতিকৈ ভিতৰুৱা গাওঁ অঞ্চল য'ত যাতায়তৰ ব্যৱস্থা নাই সেই অঞ্চল সমূহতো যাতায়তৰ ব্যৱস্থা কৰা হৈছে। আগেয়ে গাওঁ অঞ্চলত কিয় চহৰ অঞ্চলতো ৰাষ্টা ঘাটৰ অৱস্থা শোচনীয় আছিল। কাঠৰ দলং বিলাকত যাতে দুৰ্ঘটনা সংঘটিত নহয় তাৰ কাৰণে ৭১৭৩ কিলোমিটাৰ ৰাষ্টাত পথ আৰু দলং নিৰ্মানত অত্যাধিক গুৰুত্ব দিয়া হৈছে সেইমৰ্মে ৭৪০ খন কাঠৰ দলং পকী কৰণৰ কৰাৰ ব্যৱস্থা হাতত লোৱা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ অনুদানত আৰু ৰেলেগে মুখ্যমন্ত্ৰীৰ পকী পথ যোজনাৰ অধীনত যোৱা সময় ছোৱাত আৰু অহা ২০০৮-০৯ ভিতৰত ৪২১ কিলোমিটাৰ পথত নতুন কৈ বনোৱাৰ আঁচনি লোৱা হৈছে। যোৱা সাত টা বছৰত গাওঁ, চহৰ আনকি ভিতৰুৱা অঞ্চল সমূহৰ উপৰিও নেচনেল হাইওৱেত পূৰ্বৰ তুলনাত অধিক উন্নত কৰিছে। কংগ্ৰেছ চৰকাৰে ২০০০-২০০১ ২৪.৫০ কৌটি টকা পুৰনা কাঠৰ দলংনিৰ্মানৰ কাৰণে। মাননীয় উপাধ্যক্ষা মহোদয়া, আমাৰ অসমত বহুতো পুৰণি ঘৰ-দুৱাৰ আছে এই পুৰণি ঘৰ দুৱাৰবোৰ ৰক্ষনাবেক্ষণ কৰিবলৈ আমাৰ চৰকাৰে মেৰামতিৰ কাম আৰম্ভ কৰিব লাগে। উপাধ্যক্ষা মহোদয়া, আমাৰ যোৰহাটত এটা ৰঙা কোৰ্ট বিল্ডিং আছে বৃটিছে সাজি থৈ যোৱা ১০০ বছৰ হ'ল। আজিৰ পৰা তিনি বছৰ আগতে। লণ্ডনৰ পৰা এখন চিঠি আহিছে মই চিঠিখন যোৰহাটৰ পৰা আহোতে লৈ অহা নহল। তেওঁলোকে লিখিছে যে এই ঘৰটো ১০০ বছৰ হ'ল। গতিকে এতিয়া এইটোৰ ৰক্ষনা-বেক্ষণৰ দায়িত্ব আপোনালোকৰ দায়িত্ব। বৃট্রিছ যোৱাৰ

ইমান বছৰ পিছতো তেওঁলোকে আমালৈ চিঠি লিখিছে। সেই চিঠিখন পাই আমাৰ মূখ্যমন্ত্রী মহোদয়ে ততাতয়াকৈ ৯৮.০০ (আঠানব্বৈ) লাখ টকা দিছে এইটো মেৰামতিৰ কাৰণে।

মাননীয়া উপাধ্যক্ষা মহোদয়া, উদাহৰণ স্বৰূপে যদি গতানুগতিক ভাবে চৰকাৰ চলি থাকে, তেতিয়া হলে ৰাজ্যখনৰ কেতিয়াও উন্নয়নৰ দিশলৈ আগ বাঢ়ি যাব নোৱাৰিব। অসমত উদ্যোগিক খণ্ডত যথেষ্ট কৰিবলগীয়া কাম আছে. যোৱা এ.জি.পি. চৰকাৰৰ দিনত উদ্যোগখণ্ডৰ সামান্য পৰিমাণেৰে নিম্ন পর্য্যায়লৈ গৈছিল। উদ্যোগিক খণ্ডত বহুত অসুবিধা আছে। আগতে শক্তিৰ অসুবিধা আছিল। উদ্যোগপতি সকলে ভাবুকিৰ সন্মুখীন হৈছিল। যাৰ ফলত তেওঁলোকে অসমলৈ আহিব পৰা নাছিল। বহুত উদ্যোগপতিয়ে অসমৰ পৰা গুছি গৈ শিলিগুৰি আদিত উদ্যোগ স্থাপন কৰিছিল। বর্ত্তমান অসম চৰকাৰে উদ্যোগিক নীতি ঘোষণা কৰিছে। এতিয়া বিভিন্ন ধৰণৰ উদ্যোগপতি অসমলৈ আহিব ধৰিছে। ইয়াৰ ফলত অসমত বিভিন্ন উদ্যোগ গঢ়ি উঠিছে। চৰকাৰৰ যদি উদ্যোগ নীতি সঠিক হয় তেতিয়া হলে অসমে বহুত আগবাঢ়ি যাব পাৰিব।

উপাধ্যক্ষা মহোদয়া, আমাৰ জনগোষ্ঠী সকলৰ কথা যদি কবলৈ যাওঁ ছয়খন স্বায়ত্ব শাসিত পৰিষদ আছে। তেওঁলোকক বাজেটৰ ধন দিয়া হৈছে, মই সেইটো কবলৈ নেযাও। অসমত ছয়টা জনগোষ্ঠী মিছিং মটক, টিৰা, আহোম, কোছ ৰাজবংশী, ৰাভা আদি আছে। তেওঁলোকে জনজাতিকৰণৰ বাবে দাবী উৎখাপন কৰি আছে। এই দাবী তেওঁলোকৰ বহুদিনীয়া দাবী, বছৰ বছৰ ধৰি এই দাবী কৰি আহিছে। প্রয়াত মুখ্য মন্ত্রী হিতেশ্বৰ শইকীয়াৰ পিচতে শ্রীতৰুণ গগৈ ডাঙৰীয়াই এই দাবী কেন্দ্রীয় চৰকাৰলৈ প্রেৰণ কৰিছে। এই ক্ষেত্রত আমি আশাবাদী, কেন্দ্রীয় চৰকাৰে কৰণীয়খিনি কৰিব। ইয়াৰ বাবে বর্ত্তমান ১২ কোটি টকা সুকীয়াকৈ ৰখা হৈছে। অলপ আগতে আমাৰ মাননীয় এজন সদস্যই কৈছে যে ধান পকে মানে টুনীৰ মৰণ। কিন্তু

মাননীয় মুখ্য মন্ত্রী ডাঙৰীয়াৰ সদইচ্ছা থকাৰ কাৰণে এই ১২ কোটি টকা ধার্য্য কৰা হৈছে। এইটো মাননীয় মুখ্য মন্ত্রী মহোদয়ৰ উল্লেখনীয় বুলি কব বিচাৰিছো। মাননীয় সদস্য টেলী ডাঙৰীয়াই চাহ নিগমৰ কথা উল্লেখ কৰিছে। এই কথাটো কৰলৈ গলে অসম গন পৰিষদৰ দিনতে ২০০০ চনত কালি পূজা, দুর্গা পূজাৰ সময়ত চাহ বনুৱা সকলে বোনাচ পোৱা নাছিল। সেই সময়ত চাহ বাগিছা, কলঘৰ বন্ধ হৈ গৈছিল। এইটো দুর্ভাগ্যজনক কথা। সেই সময়ত চাহ নিগমৰ সভাপতি আছিল অসম গন পৰিষদৰ এজন বিধায়ক। চাহ বাগিছা বন্ধ হ'ল, চাহ বনুৱাই বোনাচ নাপালে কিন্তু তেখেতে সেইসময়ত ৰাচিয়ালৈ গৈছিল, বিলাট ভ্রমণ কৰিছিল। এতিয়া তেওঁলোকৰ ৪২ টকা হাজিৰা দিয়া হৈছে শ্রমিক সকলেওঁ সহযোগ কৰিছে। সেই বিলাক ৰিভাইড কৰিবলৈ চেষ্টা কৰা হৈছে। আগতে আমি ৰাতিপুৱা ছয় বজাত আৰু ১২ বজাত কল ঘৰৰ ঘণ্টা বজোৱা শুনিছিলো। এতিয়া আকৌ সেই ঘণ্টা বাজিবলৈ লৈছে। এইবাৰ মই পঞ্চায়ত নির্বাচনত চাহ জনগোষ্ঠীৰ সমষ্টিলৈ গৈছিল। মোক এটা সংগঠনে তালৈ যোৱাটো বাধা দিছিল। তেতিয়া এচাম চাহ জনগোষ্ঠীৰ লোকে কৈছিল- আমাদেৰ ৰাণাদাকে কে বাগানে ধুকটে নাই দিছে বুলি আগ বাঢ়ি আহিছিল। আজি চাহ নিগমৰ অধীনত কাম কৰা লোক সকলৰ বহুত অসুবিধা আছে। আমাৰ টি প্লেনটেশ্চন এক্ট আছে। ব্যক্তিগত খণ্ডৰ বাগিছা সমূহক বহুত সুবিধা দিব লাগে, সেই নিয়ম মানি চলা নাই। মাননীয় মন্ত্রী আৰু মুখ্য মন্ত্রী মহোদয়ে আগতীয়াকৈ আলোচনা কৰিছে। চাহ বনুৱা সকলৰ বাবে আগতীয়াকৈ বোনাচ ঘোষনা কৰিছে। ১২ শতাংশ, ১৪ শতাংশ তাৰ বাবে ব্যক্তিগত খণ্ডৰ বাগিছা বিলাকৰ উচ্চ হাৰত বোনাচ দিবলৈ বাধ্য হৈছে।

মাননীয়া উপাধ্যক্ষা মহোদয়া, সেই সময়ত আমাৰ টি কৰপোৰেচনৰ অধীনৰ বাগিছা বিলাক লোকচানত চলি আছিল।

তথাপিও আমাৰ চৰকাৰে সেই বাগিছাৰ বনুৱা শ্ৰমিক সকলৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি বোনাচ ঘোষণা কৰিছিল। টি প্লেনটেচন আইন অনুসৰি বগিছাত বোনাচ দিবলৈ হলে ৮.৩৩ টকাৰ কম বোনাচ দিব নোৱাৰে। কিন্তু আমাৰ চৰকাৰে টি কৰপোৰেচনৰ বাগিছা সমূহত ১২ শতাংশ বোনাচ ঘোষণা কৰি দিলে। যিসকল বাগিছাই আগতে ৯/১০ শতাংশ বোনাচ দিম বুলি ভাবি আছিল তেওঁলোকৰ হাহাকাৰ লাগি গ'ল। আমাৰ মন্ত্ৰী পৃথিৰী মাঝি আৰু প্ৰদ্যুৎ বৰদলৈ ডাঙৰীয়াই ২০ শতাংশ লৈকে কোনো কোনো বাগিছাত দিয়াৰ কথা ঘোষণা কৰিছিল। তিনিচুকীয়াত দিয়া হৈছে। মোৰ লক্ষীমপুৰত বন্ধু এজন আছে, তেওঁ লক্ষীমপুৰত থকা বাগিছাতো ২০ শতাংশ বোনাচ দিয়া হৈছে।

উপাধ্যক্ষা মহোদয়া, এতিয়া মই আইন শৃংখলাৰ বিষয়ে দূষাৰ কম। আইন শংখলা ভাল হৈছে। আইন শৃংখলা ভাল হব লাগে আৰু অসমখনলৈ শান্তি আহিব লাগে। সময়ে সময়ে কিছুমান ঘটনা ঘটি থাকে তাৰ বাবে আমি দুখ পাও। আজি বহুদিন আগৰ কথা এটা মোৰ মনত পৰিছে। আপোনালোকৰো নিশ্চয় কথাটো মনত আছে। আমাৰ ব্যৱসায়ী বিলাকৰ সাধাৰণতে দুটা ৰুম থাকে। এটা আগপিনে আৰু আনটো পিচপিনে। ভিতৰত থকা ৰুমটোত ব্যৱসায়ীৰ হিচাপ নিকাচ কৰাৰ বাবে ৰঙা খাটা এখন লৈ মুনীমজী বহি থাকে। আগফালৰ ৰুমটোত মালিক বহি থাকে। কিন্তু তেতিয়া এজিপি চৰকাৰৰ দিনত এনেকুৱা হল যে মালিক পিচফালে গল আৰু মুনীমজী আগফালে আহিল। দুখন মটৰ চাইকেল লৈ যদি কোনোবাই মালিকক বিচাৰি আহে তেতিয়া আগফালে থকা মুনীমজীয়ে মালিক নাই বুলি কয়। কিন্তু এতিয়া সেই দিন নাই। সেই সময়ত আপোনালোকে জানে যোৰহাটত প্ৰাক্তন মন্ত্ৰী দীননাথ ৰাজখোৱাৰ পুত্ৰক যোৰহাটৰ টাউনৰ মাজমজিয়াত হত্যা কৰা হৈছিল। গতিকে এই কথাবিলাক আমি চাব লাগে। উপাধ্যক্ষা মহোদয়া, এতিয়া মোৰ গৃহ বিভাগৰ ওপৰত এটা

পৰামৰ্শ আছে। ফায়াৰ চাৰ্ভিচৰ ক্ষেত্ৰত আমি দেখিবলৈ পাইছো যে যেতিয়া ওখ ওখ বিল্ডীঙৰ ওপৰত জুই লাগে তেতিয়া তলৰ পৰা পানী মাৰিলেও নাযায়। বিভাগৰ হাতত হাইড্ৰলিক প্লেটফৰ্ম নথকাৰ বাবে ওপৰত জুই লাগিলে নুমাব নোৱাৰে। গতিকে এই ক্ষেত্ৰত বিশেষ ব্যৱস্থা লোৱাৰ বাবে মই মাননীয় মুখ্য মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। উপাধ্যক্ষা মহোদয়া, মই আৰু বেছি দীঘলীয়া কৰিব নিবিচাৰো। আমাৰ এই বাজেটখন ভাল হৈছে। বুলি বিভিন্ন অৰ্থনীতিবিদে তেওঁলোকৰ মতামত আগবঢ়াইছে। অসমৰ জনসাধাৰণৰ স্বাৰ্থত এই বাজেটখন এখন উত্তম বাজেট বুলি ব্যক্ত কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Madam Deputy Speaker : Shri Jiten Gogoi.

★ শ্ৰীজীতেন গগৈ ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, মাননীয় অসম বিধান সভাৰ মন্ত্ৰীবৰ্গ, বিৰোধী দলৰ দলপতি তথা সদস্য সকলক মই শ্ৰদ্ধা জনাইছো। মাননীয় অসমৰ মুখ্য মন্ত্ৰী মহোদয়ে যিখন বাজেট দাখিল কৰিছে সেইখনৰ মই সপক্ষেও নাই আৰু বিপক্ষেও নাই। এইখন এখন গতানুগতিক বাজেট। এই বাজেটখন কাৰ্য্যকৰী কৰাটোহে আচল কথা। কাৰণ মই সপক্ষেও নাই আৰু বিপক্ষেও নাই। ইতিমধ্যে শাসক বিৰোধী উভয় পক্ষই এই বাজেটৰ ওপৰত আলোচনা কৰিছে। মোৰ ফালৰ পৰা মাত্ৰ মই দুটামান পৰামৰ্শহে দিব বিচাৰিছো। এমপ্লইমেণ্ট জেনেৰেটিং স্কীম আৰু নিবনুৱা সমস্যা সমাধান কৰাৰ বাবে এই বাজেটখনত বিশেষ গুৰুত্ব দিয়াৰ প্ৰয়োজন আছে। আমাৰ বিধায়ক ৰাণা গোস্বামী ডাঙৰীয়াই ইতিমধ্য বহুখিনি কথা কৈ গৈছে। আজি আইন শৃংখলা ভাল হৈছে বুলি কোৱা হৈছে। আইন শৃংখলা নিয়ন্ত্ৰণ কৰিবলৈ হলে অসমত বিভিন্ন সময়ত যিসকল উগ্ৰপন্থী মূলসুঁতিলৈ ঘূৰি আহিছে সেইসকলক প্ৰথমতে সংস্থাপন কৰিব লাগে। আপোনালোকে কৈ আছে যে আইন শৃংখলা ভাল হৈছে। ইয়াৰ বাবে

★ Speech not corrected

বিভিন্ন কার্য্যপন্থাও লোৱা হৈছে। কিন্তু তথাপিও বোমা ফুটিয়েই আছে। আজিও ফুটিছে। এই সমস্যা সমাধান কৰিবলৈ অকল পুলিচ ফোর্চ বা পাৰা মিলিটাৰীৰ জৰিয়তে নহব। ইয়াৰ কাৰণে বিশেষ ব্যৱস্থা লোৱাৰ প্রয়োজন। এমপ্লয়মেণ্ট জেনেৰেটিং স্কীম যিমানেই নলওক কিয় নিবনুৱাৰ সংখ্যা দিনক দিনে বাঢ়িয়েই আছে। আইন শৃংখলা ভাল কৰিবলৈ হলে উগ্রপন্থী সংগঠনৰ পৰা মূল সূঁতিলৈ ঘূৰি অহা সকলক লৈ এটা বেটেলিয়ন গঠন কৰিব লাগিব। আজি আলফাকে ধৰি উগ্রপন্থী সংগঠনৰ পৰা মূল সুঁতিলৈ ঘূৰি অহা বেছি সংখ্যকে এতিয়াও বিভিন্ন কূটাঘাটমূলক কামত জড়িত হৈ আছে। এই সকলক লৈ যদি এই বেটেলিয়নটো গঠন কৰা হয়, তেতিয়াহলে আইন শৃংখলাও ৰক্ষা হব আৰু নিবনুৱা সমস্যাও সমাধান হব। ইয়াৰ বাবে মই চৰকাৰক অনুৰোধ জনালো।

উপাধ্যক্ষা মহোদয়া, দ্বিতীয়তে, আজি কাৰিকৰী শিক্ষা সকলোতকৈ ডাঙৰ। কাৰিকৰী শিক্ষা লৈ কর্মসংস্থান নিজে নিজে লব পাৰে। আজি বিভিন্ন মেডিকেল কলেজ, নার্চিং হোম আদি ব্যক্তিগত খণ্ডত খোলাৰ কথা কোৱা হৈছে। কিন্তু এইটোৰ কাৰণে আমি কৈছো যে কাৰিকৰী শিক্ষা ডাঙৰ কথা।

মাননীয়া উপাধ্যক্ষা মহোদয়া, আজি যদি এটা ঘৰ বনাব বিচাৰে তেনেহ'লে ইয়াত স্থানীয় মিস্ত্রী নাপায়। পকা মিস্ত্রী, কাঠৰ আৰু লোহাৰ মিস্ত্রী বাহিৰৰ পৰা আনিব লগীয়া হয়। অসমত কোনোবাই মার্বল, টাইলচ লগাবলৈ বিচাৰিলে মিস্ত্রী পোৱা নাযায়। ইয়াত কাৰিকৰী প্রতিস্থান গঢ়ি তুলিব পাৰি। উচ্চ শিক্ষিত, শিক্ষিত আৰু অর্দ্ধ শিক্ষিত নিবনুৱা সকলক কেনেধৰণে আমি স্বনির্ভৰশীল কৰি গঢ়ি তুলিব পাৰো তাৰ প্রয়াস কৰাটো দৰকাৰ। যাতে স্থানীয় এই নিবনুৱা সকলক নিয়োজিত কৰিব পৰা যায়। বিশেষকৈ প্রত্যেক খন জিলাতে একোখনকৈ কাৰিকৰী প্রতিস্থান গঢ়ি তুলিব লাগে। এই কথা কেইটা

বাজেটত সন্নিৱিষ্ট কৰিব লাগে। ইয়াত মোৰ আপত্তি নাই।

মাননীয়া উপাধ্যক্ষা ঃ এতিয়া বিধায়ক মহিবুল হকে কব।

শ্রীমহিবুল হক ঃ উপাধ্যক্ষা মহোদয়া, বিত্তমন্ত্রী হিচাবে মাননীয় মুখ্যমন্ত্রী চাহাবে যি বাজেট সদনত উত্থাপন কৰিছে সচাঁকৈ অকল জনমুখী বাজেটেই নহয়, সর্বকালৰ প্রগতিশীল বাজেট হিচাবে পৰিগণিত হৈছে। মাননীয় বিৰোধী পক্ষৰ সদস্য সকলে প্রকৃতার্থত সমালোচনা কৰিলেও ব্যর্থ হৈছে। মই সদনৰ মূল্যবান সময় নষ্ট কৰিব খোজা নাই। মাত্র কেইটামান যুক্তি দাঙি ধৰিব বিছাৰিছো। এই বাজেট খন জনমুখী আৰু প্রগতিশীল বাজেট তাকে প্রতিপন্ন কৰিবলৈ চেষ্টা কৰিছো। যোৱা কেইদিনমান আগতে ইন্দিয়া টুডে নেশ্যনেল মেগাজিনৰ যোৱা ১৪ চেপ্তেম্বৰ সংখ্যাত ভাৰতবর্ষৰ সম্পর্কত এটা প্রতিবেদন ওলাইছিল। গোটেই ভাৰতবর্ষকে এটা সমীক্ষা কৰিছিল যে ৰাজ্য বিলাকে বিভিন্ন চেক্তৰত কেনেকৈ আগবাঢ়ি গৈছে তাকে দেখুৱাইছে। তাত আমাৰ ৰাজ্যখন ফাষ্টষ্টেষ্ট ৰাজ্য হিচাপে চিহ্নিত কৰা কৈছে। ইয়াৰ দ্বাৰা প্রমাণিত হৈছে যে মুখ্যমন্ত্রী তৰুণ গগৈ নেতৃত্বাধীন চৰকাৰে যোৱা দুবছৰেই নহয় ২০০১ চনৰ পৰাই দায়িত্ব লোৱাৰ পাছত বিভিন্ন দিশত প্রগতি লাভ কৰিছে। কেইদিনমান আগতে দিল্লীত কেন্দ্রীয় চৰকাৰৰ পৰিকল্পনাআয়োগে যি সভা অনুস্থিত হৈছিল সেই সভাত আমাৰ বিত্ত বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্রীক স্বাগতম জনাইছিল। মুখ্যমন্ত্রীয়ে আমাৰ ৰাজ্যখনক শক্তিশালী আৰু প্রগিতিশীল কৰি তোলাৰ লগতে বিত্তীয় শৃংখলা আনি দিছে। আমাৰ চৰকাৰ খনৰ আইন শংখলা আৰু এন আৰ এইচ্ মিছনৰ কথা আলোচনা কৰিছে। তাৰ বাবে মই ধন্যবাদ জনাইছো।

(মাননীয়া উপাধ্যক্ষা মহোদয়াই আসন এৰি দিয়ে আৰু মাননীয় অধ্যক্ষই আসন গ্রহণ কৰে।)

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এই আঁচনি গোটেই ভাৰততে

চলি আছে। ইয়াৰ কাৰণে কোটি কোটি টকা দিয়া হৈছে। আজি এই পবিত্ৰ সদনত মই ডাঙি ধৰিব খুজিছো, এন, আৰ, এইচ, এমৰ আঁচনি ৰূপায়নৰ ক্ষেত্ৰত গোটেই ভাৰতবৰ্ষৰ ভিতৰত অসম চতুৰ্থ স্থানত আছে। কেন্দ্ৰীয় চৰকাৰে দিয়া টকা আমাৰ সংব্যৱহাৰ কৰা হৈছে। এই টকা সৎ ব্যৱহাৰ কৰাৰ কাৰণে আজি ৰাজ্যখন ভাৰতৰ ভিতৰতে চতুৰ্থ স্থানত আছে। এইটো আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ কৃত্বিত্ব আৰু আমাৰ গৌৰৱ। আৰু এটা কথা মই ডাঙি ধৰিব খুজিছো অধ্যক্ষ মহোদয়, কিছুদিন আগতে কেন্দ্ৰীয় প্ৰামোন্নয়ন মন্ত্ৰী আহিছিল আমাৰ পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ কিছুমান আঁচনি চোৱাৰ কাৰণে। তেওঁ আমাৰ পঞ্চায়ত মন্ত্ৰীৰ লগত বঙ্গাইগাওঁ, কোকৰাঝাৰ আদি ভ্ৰমণ কৰিছিল। এই আঁচনিবিলাক চাই তেখেত অভিভূত হৈছিল। মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় পঞ্চায়ত মন্ত্ৰীয়ে কৈছিল অসমত এই কেন্দ্ৰীয় আঁচনিৰ পূঁজি ইমান ধুনীয়াকৈ খৰছ কৰা হৈছে এই কথা মই পাৰ্লিয়ামেণ্টতো কম। ইয়াৰ কাৰণে আমাৰ তৰুণ গগৈ চৰকাৰে ধন্যবাদৰ পাত্ৰ। এই কথাই প্ৰমাণ কৰে যে আমাৰ ৰাজ্যখনে কিমান যত্ন সহকাৰে পূজিঁৰ সৎ ব্যৱহাৰ কৰি আছে। আৰু আমাৰ ৰাজ্যখন প্ৰগতিৰ পথলৈ আগুৱাই নিছে। মাননীয় অধ্যক্ষ মহোদয়, বিত্তীয় শৃংখলাৰ ক্ষেত্ৰত আমাৰ চৰকাৰ ব্যৰ্থ হৈছে বুলি বিৰোধীয়ে কৈছে। আমাৰ বাজেটত নতুন কথা এটা আমাৰ দৃষ্টিগোচৰ হৈছে। তাৰ কাৰণে মুখ্যমন্ত্ৰী মহোদয় ধন্যবাদৰ পাত্ৰ। আমাৰ বিশ্ববেংকেই হওক বা এচিয়ান বেংকেই হওক আমাৰ বিভিন্ন ঠাইৰ পৰা ঋণ লৈ ৰাজ্যৰ উন্নয়নৰ কাৰণে কাম কৰি আছে। আগতেও কৰা হৈছিল। আজি এইবোৰ কেনেকৈ মাৰিব আমাৰ বিৰোধী বিধায়ক সকলে সমালোচনা কৰিছে। কিন্তু এই বাজেট খনত দেখিছো মুখ্যমন্ত্ৰীয়ে সেই সমস্যাৰ সমাধানৰ বাবে "চিংকিং ফাণ্ডৰ" ব্যৱস্থা কৰিছে। এই ঋণৰ টকাবোৰ চিংকিং ফাণ্ডৰ টকাৰে সময়ে সময়ে মাৰি থকা হব। এই বাজেটত আৰু এটা কথা লক্ষ্য কৰিছো আমাৰ ইফ্ৰাষ্টাকচাৰ

ফাইনেনচিয়েল অথৰিটি গঠন কৰিছে। সময়ে সময়ে বিভিন্ন উৎসৰ পৰা ঋণ লৈ মেজৰ প্ৰজেক্ট হাতত লোৱা হৈছে। কেতিয়াবা ধনৰ অভাৱত বা অন্য কাৰণত এই প্ৰজেক্ট বোৰ সময় মতে নহয়। লেপ্স হৈ যায়। মুখ্যমন্ত্ৰী মহোদয়ে তাৰ ব্যৱস্থা কৰিছে। ১০৫ কোটি টকাৰে প্ৰজেক্ট কৰিছে। তেখেতে দূৰদৰ্শী মনোভাৱ ৰাখিছে। এই আঁচনি ৫০০ শ কোটি টকালৈ বৃদ্ধি কৰিব। ৫০ কোটিৰ ওপৰৰ প্ৰজে ক্ট হলে টকাৰ অভাৱত শেষ কৰিব নোৱাৰিলে এই অথৰিটিৰ পৰা টকা লৈ আমি শেষ কৰিব পাৰিম। এইটো এটা ভাল চিন্তা। আমি এই বাজেটৰ যোগেদি মুখ্যমন্ত্ৰী মহোদয় দূৰদৰ্শী চিন্তা দেখিবলৈ পাইছো। আজি আমাৰ একাদশ পাঁচবছৰীয়া পৰিকল্পনাত ২৩,২২৫৪ কোটি টকা ধৰা হৈছে। ২০০৮-০৯ ত বৃদ্ধি কৰা হৈছে শতকৰা ৩২ ভাগ বৃদ্ধি হৈছে। আগতে প্লেনৰ টকা দৰ্মহা দিয়াতে খৰছ কৰিছিল। উন্নয়নত খৰছ কৰা নাছিল। কিন্তু মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত এতিয়া প্লেনৰ টকা উন্নয়নতে খৰছ কৰিছে।

মাননীয়া অধ্যক্ষ মহোদয়, আজি পৰিকল্পনা পুঁজিৰ ৯৯.৭৫ শতাংশ ৰাজ্যখনে উন্নয়নৰ ক্ষেত্ৰত খৰছ কৰিবলৈ সক্ষম হৈছে। এইটো আমাৰ বিত্তীয় অৱস্থা টনকিয়াল হোৱা কাৰণে সম্ভৱ হৈছে। মাননীয় অধ্যক্ষ মহোদয়, এ,এফ,চি, এই বিভাগটো মাজতে বহুত দুৰ্বল হৈ গৈছিল। মাননীয় মূখ্যমন্ত্ৰী ডাঙৰীয়াই ৭৫ কোটি টকা অৰ্থ-সাহাৰ্য্য এই কৰ্পৰেশ্যনটোক দিছে। চলিত বছৰত এইবাৰ বাজেটত আৰু ৫ কোটি টকা বৃদ্ধি কৰি দিছে। মাননীয় অধ্যক্ষ মহোদয়, আজি আত্ম-সহায়ক গোট সমুহে যাতে কোনো সুদ নিদিয়াকৈ আত্ম-সহায়ক গোটসমূহ চলাব পাৰে তাৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। আত্ম-সহায়ক গোট সমুহৰ কাৰণে ১০ কোটি টকাকৈ এইবাৰ বাজেটত ধৰা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, এই বাজেট খনত আমি দেখিবলৈ পাইছো বিত্তীয় শৃংখলাটো ইমান ধুনীয়াকৈ এৰেঞ্জমেণ্ট হৈছে। মাননীয়

অধ্যক্ষ মহোদয়, আজি আমাৰ অভাৰ ড্রাফ্ট বন্ধ হৈছে। এটা সময়ত আমাৰ চৰকাৰী কৰ্ম্মচাৰী সকলৰ দৰমহাৰ ক্ষেত্ৰত কোনো নিশ্চয়তা নাছিল। কিন্তু আজি সেই সমস্যাৰ দূৰ হৈছে। মহাৰাষ্ট্ৰ, উত্তৰপ্ৰদেশ আদি ঠাইত আজি ডেৰ বছৰ দুবছৰৰ পৰা দৰমহা দিব পৰা নাই। আমাৰ ইয়াত কৰ্মচাৰী সকলৰ বিভিন্ন ধৰনে সুবিধা দিয়া হৈছে। দৰমহাৰ কাৰণে কোনো ধৰণৰ চিন্তা কৰাৰ প্ৰয়োজন নাই।

মাননীয় অধ্যক্ষ ঃ আপুনি অলপ চমুৱাই কওঁক।

শ্ৰীমহিবুল হক ঃ মাননীয় অধ্যক্ষ মহোদয়, মই চমুকৈ কম। মাননীয় অধ্যক্ষ মহোদয়, মই আৰু এটা গুৰুত্বপূৰ্ণ দিশ ইয়াত উৎথাপন কৰিব খুজিছো। সেইটো হ'ল আইন-শৃংখলাৰ কথা। আজি আইন শৃংখলাৰ ক্ষেত্ৰত মাননীয় বিৰোধী দলৰ সদস্য সকলে বাৰে বাৰে একেটা কথা কৈ থাকে, উগ্ৰপন্থী সংগঠনৰ কথা কৈ আছে। বোমা বিস্ফোৰনৰ কথা কৈ আছে। আজি উগ্ৰপন্থীৰ সমস্যাৰে সিচৰিত হৈ আছে। ভাৰত বৰ্ষৰ বাহিৰতো সন্ত্ৰাসবাদ হৈ আছে। যোৱা ১১ মাৰ্চ তাৰিখে পাকিস্থানত কি হৈছে। তিনি তলা বিল্ডিঙৰ ওপৰত বোমা বিস্ফোৰণ কৰা হৈছে। এটা সময়ত একেলগে তিনি জাগাত বোমা বিস্ফোৰণ হৈছে। ২৫ জন মানুহ একেলগে মৃত্যুৰ মুখত পৰিছে। আজি ইৰাকৰ গৰ্ভনৰক কিডনেপ কৰা হৈছে। আজি পাকিস্থানৰ পূৰ্বৰ প্ৰধানমন্ত্ৰী বেনাৰ্জীৰ ভূটোক হত্যা কৰা হ'ল। মাননীয় অধ্যক্ষ মহোদয়, আইন শৃংখলাৰ ক্ষেত্ৰত আজি আমাৰ ইয়াত যথেষ্ট উন্নতি হৈছে। আজি ৩৩ নেচনেল গেমছ ইয়াত অনুষ্ঠিত হৈছে। ইণ্ডিয়া-পাকিস্থানৰ ক্ৰিকেট খেল ইয়াত অনুষ্ঠিত হৈছে। বহু দূৰ-দূৰনিৰ পৰা খেল চাবলৈ ইয়ালৈ মানুহ আহিছে। মাননীয় অধ্যক্ষ মহোদয়, আজি আইন শৃংখলাৰ উন্নতি হোৱা কাৰণে এইটো সম্ভৱ হৈছে। এই কথাবিলাকে প্ৰমাণ কৰিছে যে আমাৰ ৰাজ্যখনত আজি আইন শৃংখলাৰ যথেষ্ঠ উন্নতি হৈছে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰ এনেই বহি থকা নাই। আজি

ইতিমধ্যে আমাৰ ৫/৬ টা উগ্রপন্থী সংগঠন মূল সূঁতিৰ লগত মিলি গৈছে। মাননীয় অধ্যক্ষ মহোদয়, এইবাৰ বাজেটখনত আইন-শৃংখলাৰ ওপৰত যথেষ্ঠ গুৰুত্ব দিয়া দেখা গৈছে। আজি এ, পি, বি, এনবেটেলিয়নৰ কাৰণে ব্যৱস্থা লোৱা হৈছে। আমাৰ মুখ্যমন্ত্রী ডাঙৰীয়াৰ নেতৃত্বত আইন শৃংখলাৰ উন্নতিৰ ক্ষেত্রত সফল হৈছে বুলি আমি নিশ্চয় কব লাগিব। সকলোবোৰ দিশৰ প্রতি লক্ষ্য ৰাখি এই বাজেটখন এখন জনমুখী বাজেট বুলি ক ব পাৰি। মাননীয় অধ্যক্ষ মহোদয়, এই কথাখিনি কবই লাগিব, এটা সময় আহিব নতুন প্রজন্মই তৰুণ গগৈ ডাঙৰীয়াক 'আৰকিটেক অৱ আসাম' বুলি অভিহিত কৰিব।

★ মওলানা আতাউর রহমান মাঝারভূইয়া ঃ মাননীয় অধ্যক্ষ মহাশয়, বাজেটের উপর আলোচনায় সরকারকে ধন্যবাদ দেওয়ার সুযোগ দেননি। আসলে অসুন্দর একটা বস্তুকে চমকদার আবরণ লাগিয়ে সুন্দর হিসাবে দেখানোর একটা চেষ্টা করা হয়েছে।

অধ্যক্ষ মহোদয়, স্থির, মূল্যের নিরিখে আসামে Per-capita ঘরুয়া উৎপাদনের পরিমান ২০০৬-০৭ সনে ১৫,৬২৩ টাকার স্থলে ২০০৭-০৮ সনে ১৫,৬২৪ টাকা দেখানো হয়েছে। অর্থাৎ বৃদ্ধির হার ৬.৪১। আর্থিক ভাবে জর্জরিত শ্রমিক লোক সমূহের আয় নিশ্চয় এর থেকে অনেক কম হবে। অসমের শ্রমিক শ্রেণীর ক্ষেত্রে উপভোক্তা মূল্যসূচী ৬.০৬ শতাংশ বৃদ্ধি হওয়া পরিলক্ষিত হয়েছে। গতিকে শ্রমিক শ্রেণীর লোক আর্থিক দিক দিয়ে জর্জরিত।

অধ্যক্ষ মহাশয়, এই বাজেটে দেখানো হয়েছে আগামী বিত্তীয় বর্ষে ঘাটতির পরিমান ৪৫৮.৫০ কোটি টাকা। এবং ঘাটতির Opening Balance দেখানো হয়েছে ২৩৬০.৭০ লক্ষ টাকা। সর্ব্বমোট ঘাটতির পরিমান ২৮১৯.১৩ কোটি টকা। অথচ এই ঘাটতি পূরনের কোন সংস্থান বাজেটে উল্লেখ নাই।

অধ্যক্ষ মহোদয়, ২০০৭-০৮ সনের বাজেট ঘাটতি দেখানো

★ Speech not corrected

হয়েছিল ২৪৬৯.৮৭ কোটি টাকা। পরবর্তীতে সংসোধিত বাজেটে সেই ঘাটতি ৫৬৬.৬৫ কোটি টাকা দেখানো হয়েছিল। অথচ এই বৎসর ঘাটতির Opening Balance ২৩৬০.৭০ কোটি টাকা দেখানো হয়েছে। সুতরাং এর দ্বারা স্পষ্টতই প্রতীয়মান হয় যে গত বৎসরের বাজেটে আবণ্টিত অনেক টাকা পূজির অভাবে দেওয়া সম্ভব হয়নি। চলতি বাজেটে ও এরূপ অবস্থা হওয়ার সম্ভাবনা প্রবল।

অধ্যক্ষ মহাশয়, কৃষির ক্ষেত্রে অসম অধিক নির্ভরশীল। রাজ্যের ৭০ শতাংশে লোক প্রত্যক্ষভাবে এবং ১৫ শতাংশ পরোক্ষভাবে কৃষির উপর নির্ভরশীল। রাষ্ট্রীয় উৎপাদনের ২০ শতাংশ কৃষি খণ্ড থেকে আসে। আসামের ক্ষেত্রে কৃষি খণ্ড থেকে রাষ্ট্রীয় উৎপাদনের ৪০ % আসে। অথচ বাজেটে গত বৎসরের চেয়ে মাত্র ১.২০% বৃদ্ধি পেয়েছে। পূজি বৃদ্ধির জন্য বিবেচনা করা হয়েছে। গত বৎসরের বন্যায় ক্ষতিগ্রস্তদের সহায়তার ব্যাপারে বাজেট নীরব। আমরা দেখেছি কৃষি উৎপাদন ক্ষেত্রে রাজ্যের বাহিরের আমদানীর উপর নির্ভরশীল। চাউলের ক্ষেত্রে যদিও ১.১৩ লাখ মেট্রিক টন Surplus দেখানো হয়েছে।

মাননীয় অধ্যক্ষ ঃ আপনাক দুই মিনিট বলতে বলেছি। কিন্তু আপনার সাত মিনিট হয়েগেল। তাড়তারী শেষ করুণ।

মউলানা আতাউর রহমান মাঝারভূইয়া ঃ অধ্যক্ষ মহোদয়, আর অল্প সময় লাগবে। আমি তাড়াতাড়ী শেষ করছি।

অধ্যক্ষ মহোদয়, সংখালখুদের- উন্নয়নের ক্ষেত্রে এই বাজেট অত্যন্ত হতাশাজনক। সাচ্চার কমিটির প্রতিবেদনে সংখালখুদের যে চিত্র ফুটে উঠেছে তা দেশের পক্ষে এবং একটা কল্যানগামী সরকারের পক্ষে অত্যন্ত লজ্জাজনক। রাজ্যের প্রায় ৩৫ শতাংশে মুসলিম জনগুষ্টির অবস্থা দলিত সম্প্রদায়ের চেয়ে আর ও হতাসাজনক। রাজ্যের ভটি জেলা বরপেটা, ধূবরী, গোৱালপারা নগাওঁ, করিমগঞ্জ

এবং হাইলাকান্দিতে স্বাধীনতার ৬০ বৎসর পরে ও নাই Higher Technical বা Professional Institute বা University. ইহা আমাদের মাননীয় সদস্য, আব্দুল খালেক ভাল করে জানেন। অবশ্যে বাজেটে ধূবড়ীতে একটি Agriculture College হবে বলে ঘোষনা করা হয়েছে। তার জন্য আমারা সরকারকে ধন্যবাদ জানাচ্ছি ।

অধ্যক্ষ মহোদয়, শিক্ষার ক্ষেত্রে মুসলিম এলাকার স্থল ধূবড়ীতে এবং চর এলাকার মাজুলীতে শিক্ষার হার ৫০/৯৪ শতাংশে গত বৎসর বাজেটে ২০০ কোটির প্রস্তাবের Administrative ব্যয় বাবদ মাত্র ২ লাখ। এইবারের বাজেটে ১ কোটি Administrative ব্যয় বাবদ ০। গত ৮ বৎসর পর ৪০ কোটি টাকা পাওয়া যায়নি। দায়ী কে?

অধ্যক্ষ মহোদয়, এই বলে আমি আমার বক্তব্য শেষ করছি।

মাননীয় অধ্যক্ষ ঃ আপনার ২০ মিঃ হয়ে গেল ভবিষ্যতে আপনারা বক্তব্য ৰাখার আগে নিজেদের মধ্যে আলোচনা করে ঠিক করে নিবেন কে কত মিনিট বলবেন।

মাননীয় অধ্যক্ষ ঃ এতিয়া মাননীয় সদস্য, শ্রীপ্রনৰ কলিতা ।

★ শ্রীপ্রনৰ কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১০ মার্চ তাৰিখে মুখ্য মন্ত্রী মহোদয়ে যি বাজেট উৎথাপন কৰিছে সেই বাজেটৰ ওপৰত বিতর্ক চলি আছে। বাজেট দাখিল কৰা সাধাৰনতে তিনিটা প্রথা আছে চাৰ প্লাচ বাজেট, দেফিছিট বাজেট আৰু বেলেঞ্চ বাজেট। অধ্যক্ষ মহোদয়, মই যিমান দিন এই বিধান সভাত থাকিম আৰু যেতিয়ালেকে মুখ্য মন্ত্রী বা অন্য কোনো মন্ত্রীয়ে এখন বেলেঞ্চ বাজেট দাখিল কৰিব নোৱাৰে তেতিয়ালৈকে বাজেটৰ বিৰোধীতা কৰি যাম। এইখন এখন দেফিচিট বাজেট। গতিকে তাক বিৰোধীতা কৰি দুটা মান কথা কব বিছাৰিছো। অধ্যক্ষ মহোদয়, অসমত ৰাজহ বাঢ়িছে, আইন শৃংখলাৰ উন্নতি হৈছে, সেইবিলাক কথা কৈ আমি গৌৰববোধ কৰিছো। অসমৰ

★ Speech not corrected

মাননীয় মুখ্যমন্ত্রী মহোদয়ৰ শাসক বিৰোধী সকলোকে, ল'ৰা, বৃদ্ধ দেশৰ সকলো জনগনকে সমান চকুৰে চোৱা তেখেতৰ দায়ীত্ব। এই বাজেটৰ জৰিয়তে তেখেতে সকলোকে সমান চকুৰে চাব বিছাৰিছে, আমি ভাল পাইছো। অধ্যক্ষ মহোদয়, আজি যদি মই পকেটত ১০০ টকা লৈ বজাৰ কৰিব যাও ঘৰত ভাবি গৈছিলো চিতল মাছ আনিম, কিন্তু বজাৰত সিদিনা চিতল মাছৰ কেজি ৪০০ পৰা হঠাৎ বাঢ়ি গৈ ৫০০ হলে মই কি কৰিম? ১০০ টকাৰ বস্তুটো যদি ১১০ টকা হয় তেতিয়া ক'ৰবাৰ পৰা লোন লৈ হলেও কৰিব লাগিব, কিন্তু সেই লোনটো মই পৰিশোধ কৰিব লাগিব। যেতিয়ালৈকে পৰিশোধ কৰিব নোৱাৰো সি ঘাটি হৈ যায় থাকিব। অসমৰ ঘাটি বাজেটখনো এনে এটা সাংঘাটিক কথা হৈছে এই ঘাটি পুৰণৰ কোনো ব্যৱস্থা নাই। উন্নয়নৰ নামত আমি গৌৰৱ কৰিছো, কৃষকক ৰেইনকোট দিবলৈ ওলাইছো কিন্তু ৰেইনকোট দিয়াটো কোনো বিজ্ঞানসম্মত কথা নহয়। যি সকলে এই ৰেইনকোট দিয়াৰ ব্যৱস্থা কৰিছে তেওঁলোকে বোধকৰো গাঁৱত বাস নকৰে। কাৰণ গাঁৱত যি সকলে পথাৰত হাল বায় তেওঁলোকৰ দেহটো ফ্রি থাকিব লাগে, এই ৰেইনকোটে আকৌ তেওঁলোকৰ বডিৰ ওজন বঢ়াব। কিছুমান ইনজেকচনে ভাল কাম কৰে যদি আপোনালোকে চিকিৎসাই কৰিব বিছাৰিছে তেনেহলে প্রতিজন কৃষকক একোখন নাঙল নিদিয়ে কিয়? ৰেইন কোট কাক দিব খেতিয়কজনক নে খেতি কার্য্যত নিয়োজিত শ্রমিক সকলক, কৃষকক দিলে তাৰ লগত জড়িত শ্রমিক সকলকো দিব লাগিব। আপোনালোকে কৃষি বিপ্লৱ আনিব বিছাৰিছে কৃষি বিপ্লব তেতিয়াহে হব যদি আপোনালোকে প্রতিটো কৃষক পৰিয়ালক একোখন পাৱাৰ টিলাৰ দিব পাৰে। ৮ হাজাৰ কোটি টকাৰ ঘাটি বাজেটেৰে কেনেকৈ প্রতিঘৰক পাৱাৰ টিলাৰ দিয়াৰ কথা চিন্তা কৰিব, কৃষকজনক ৰেইনকোট দি বাকী শ্রমিকক কেনেকৈ বঞ্চিত কৰিব? এটা ডাঙৰ কথা অসমত এতিয়াও মানুহ অনাহাৰত আছে। এটা ৰিপোর্ট উলিয়াইছে এন-এচ-

এচ-ও নামৰ অৰ্গেনাইজেচনে যিটো কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা স্বীকৃত। সেই সস্থাৰ মতে অসমত এতিয়াও ৩.৬ জন লোকে অনাহাৰে কটাইছে। আমাৰ পিছতে উৰিষ্যা, তেওঁলোকৰ তাত ৩.৩। মই একেদিনাই সকলোকে খাদ্য যোগান ধৰিব কোৱা নাই। আপোনালোকে আচৰিত হৈ যাব কেন্দ্ৰীয় চৰকাৰে বহুত টকা যোগান ধৰা বুলি কৈছে, কিন্তু আমি কিমান টকা পাইছো? এইবাৰ কম পাইছে কেন্দ্ৰীয় চৰকাৰৰ যি চাৰপ্লাচ নীতি তাত অসমো সোমাই আছে। আজি ৰাজহৰ হাৰ বাঢ়িছে বুলি কৈছে। কেন্দ্ৰীয় চৰকাৰে টকা দিছে টকাটো প্ৰপাৰলী ইউটিলাইজ কৰিব পৰা নাই। কি কাৰণত কৰিব পৰা নাই। নিশ্চয় ক'ৰবাত কিবা কেৰোন সোমাই আছে। আজি ৰাজহ ফাকি দিয়ে টেক্স ফাকি দিয়ে তেওঁলোকক ধৰিব পৰাটোৱে ডাঙৰ প্ৰশ্ন। এইবিলাক যদি এতিয়াই চোৱা নহয়। তেতিয়া ৬০ বছৰ আগতে নগাচাকি হিৰোচিমাত যি হৈছিল সেইটো হব। ২০ বছৰ পাছত আমাৰ অসমৰ ৰাইজৰ অৰ্থনৈতিক অৱস্থাও নাগাচাকি হিৰোচিমাৰ নিচিনা হব। ২০ বছৰ পাছত যেতিয়া আমাৰ মাননীয় মন্ত্ৰী শ্ৰীভৰত চন্দ্ৰ নৰহৰ পুত্ৰই বজাৰত বিয়াৰ বস্তু কিনিবলৈ যাব তেতিয়া ঘূৰি আহিব লাগিব। কাৰণ এতিয়া ঘাটিৰ পৰিমান ৮ হাজাৰ কোটি আৰু তেতিয়ালৈ ইয়াৰ পৰিমান ১ কোটি ৬০ লাখ টকা হবগৈ। ইয়াক কম্পেনচেট কৰাৰ কোনো ব্যৱস্থা বাজেটত ৰখা নাই। কম্পেনচেট কেনেকৈ কৰিব?

(ভইচ ঃ বা আপুনি ভাল কথা কৈছে, কিহৰ ভিত্তিত এইবিলাক কথা কৈছে)

এয়া টাইটেনিক ইনজেকচন। মই আপোনালোকক টাইটেনিক ইনজেকচন দিছো এই বেজিৰ বিষ আটাইতকৈ বেছি। কিন্তু ইয়াক সহ্য কৰিব পাৰিলে ইয়াৰ একচন ভাল, লাস্টিং বেছি কৰে। এই বেজি ললে মহিলাৰ ধনুস্টংকাৰ হব নোৱাৰে। মই সঁচা কথা কবই লাগিব। হাত দুখন থাকিল বুলি মিছা কথাত হাত তুলি দিম নেকি? যোৱা বিধান সভাৰ নিৰ্বাচনৰ সময়ত চুৰিদাৰ দিছিলো। মাননীয় মন্ত্ৰী হিমন্ত

বিশ্ব শর্মাই খেতিয়ক সকলক ৰেইনকোট দিছে। চুৰিদাৰ আৰু ৰেইনকোটৰ পার্থক্য বহুত। এজন খেতিয়কৰ গাত ৫ কেজি ওজনৰ ৰেইনকোট এটা কেনেকৈ লৈ থাকিব। ৰেইনকোট খেতিয়কৰ কাৰণে নহয়। ৫০ বছৰীয়া বুঢ়া মানুহ এজনে কেনেকৈ পিন্ধি থাকিব। বৰষুণৰ পানী সোমাই তাৰ ওজন আৰু বাঢ়িব।

★ ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, তেওঁলোকক কি দিয়া যায়?

★ শ্রীপ্রণৰ কলিতা ঃ জাপি দিয়ক। তেওঁলোকৰ গাত টিটেনাচ লগাইছে। অধ্যক্ষ মহোদয় শেষ কৰিবলৈ লৈ উদাহৰণ দিব খুজিছো। ২০০৫-০৬ বছৰত ৰাজহ ১৫৫ কোটি টকাৰ বিপৰীতে এইবাৰ পায় ১৫৯ কোটি টকা। এই ৰেভিনিউ কলৈ গ'ল। কৰবাত কেনা লাগিছে। যোৱা পাঁচ বছৰ ধৰি ১৮৭ কোটি টকা ৰাজহ এতিয়াও বাকী পৰি আহিছে। আজি তথ্যই কি দেখুৱাইছ ২০০৬ চনৰ জুন মাহত চাউল আবণ্টন আছিল ১৯,৫১৩ মেট্ৰিক টন। অসমত কেৰাচিনৰ এক লিটাৰৰ মূল্য ৩০ টকা। ৩০ টকা লিটাৰ কেৰাচিন কিনি ল'ৰা-ছোৱালী সকলে কেনেকৈ পঢ়িব। তেওঁলোকে চাকিৰ পোহৰত পঢ়িব নোৱাৰি সন্ধিয়া ৭ টা মান বজাতে শুই থাকে। সেই কাৰণে কথা কৈ আমি অলপ সন্তুষ্ট হোৱাৰ কোনো যুক্তি নাই। এই বাজেট খন গেছ দিয়া পকা কলৰ দৰে। বাজেট খন হৈছে ভিটামিন আৰু প্ৰোটিন নোহোৱা বস্তুৰ দৰে। যেনেকৈ পানীৰ কোনো সোৱাদ নাই ঠিক তেনেকৈ বাজেট খনো।

শ্রীবিনন্দ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াই উৎথাপন কৰা বাজেট বিতর্কত অংশ গ্ৰহণ কৰি কেইটামান কথা ডাঙি ধৰিব বিছাৰিছো। বাজেটখনক দুৰদৃষ্টি সম্পন্ন বাজেট বুলি অভিহিত কৰিব বিছাৰিছো। অসমৰ দৰে এখন ৰাজ্যৰ অর্থনীতি ক্ষেত্ৰত স্বাবলম্বী কৰা আৰু আগুৱাই নিয়াৰ ক্ষেত্ৰত সামগ্ৰীক। দৃষ্টিকোনৰ পৰা দেখিছো এইবাৰৰ বাজেট যথেষ্ট সাহসীকতাৰে মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াই উৎথাপন কৰিছে। আৰু আহিব লগীয়া দিনত যি প্ৰভাৱ

★ Speech not corrected

পৰিব ই যথেষ্ট সাহসী পদক্ষেপ হিচাবে গন্য হব। এই দূৰদৃষ্টি সম্পন্ন বুলি এই কাৰণেই কৈছো যে নতুন প্ৰজন্মৰ কাৰণে আহি থকা দিন বিলাক আন্তগাঠনিৰ উন্নয়নৰ বাবে যথেষ্ট সময়োপযোগী পদক্ষেপ গ্ৰহন কৰিছে। দিন বিলাকৰ কাৰণে ইয়াক এখন গতিশীল বাজেট বুলি কব খুজিছো। আমাৰ বিত্তীয় অৱস্থাৰ যি প্ৰতিচ্চবি দেখুৱা হৈছে, আৰু আগৰ বিত্তীয় অৱস্থা তুলনামূলক ভাৱে দেখুৱা হৈছে। এই বাজেট খন জনমুখী বাজেট। সমাজৰ পিচপৰা, সমাজৰ তৃণমূল পয্যায়ৰ দুখীয়া লোক সকলক সকাহ দিবলৈ চেষ্টা কৰা পৰিলক্ষিত হৈছে। উন্নয়নৰ প্ৰকৃত ছবি থকা অভিহিত কৰিব বিছাৰিছো। কিছুমানে কৈছে ইয়াত উন্নয়নৰ প্ৰতিচ্ছবি নাই। প্ৰতিচ্ছবি আমাক নালাগে। উন্নয়ন সম্পৰ্কীয় যি খিনি কথা দেখুৱা হৈছে সেই খিনি ইয়াতে ডাঙি ধৰা হৈছে।

মাননীয় অধ্যক্ষ মহোদয় ঃ কিছুমানে কৈছে এইখন নিৰ্বাচন মুখী বাজেট। গণতান্ত্রিক ব্যৱস্থাত নিৰ্বাচন অপৰিহাৰ্য্য। বাজেট এখন দাখিল কৰোতে নিৰ্বাচনমুখী বুলি কোৱাৰ কোনো যুক্তিযুক্ততা নাই। সেই কাৰণে মই কওঁ এখন গতিশীল বাজেট আৰু উন্নয়নমুখী প্ৰতিচ্ছবিৰে দাঙি ধৰি দৰিদ্ৰ সীমা ৰেখাৰ তলত বাস কৰা লোকসকলৰ কাৰণে উন্নয়নমুখী বাজেট। ১০ম পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ কালছোৱাত ২০০২-২০০৭ কালছোৱাত ঘৰুৱা উৎপাদনৰ বছৰি ৫.৭৫ শতাংশ বৃদ্ধি পাইছিল। যিটো ৮ম আৰু ৯ম পঞ্চ বাৰ্ষিক পৰিকল্পনাত ২.৮ আৰু ২.১ শতাংশ উন্নত হৈছে। এই বৃদ্ধিৰ হাৰ ২০০৭-০৮ ৰ শেষলৈ ৮ শতাংশ বৃদ্ধি হব বুলি উল্লেখ কৰা হৈছে। এই বৃদ্ধিৰ হাৰৰ কথা সিদিনা মাননীয় বিৰোধী দলপতিয়ে তেখেতৰ ভাষণত কোৱা মই শুনিছিলো। কথাটো মোৰ গাত লাগিছে। কাৰ দিনত আজি আন্তঃ গাঠনিৰ উন্নয়নৰ কাম হৈছে। নিশ্চয় কংগ্রেছৰ দিনত। শাসনলৈ কংগ্রেছ পুনৰ আহিছে, কাৰণ ৰাইজে বিচাৰিছে। ইঞ্জিনীয়াৰিং কলেজ, মেডিকেল কলেজ হব, তাৰোপৰি উত্তৰ গুৱাহাটী আৰু গুৱাহাটীক সংযোগ কৰাৰ কাৰণে ব্রহ্মপুত্রৰ ওপৰত এখন সংযোগী দলং নিৰ্মানৰ

কাম হাতত লোৱা হৈছে, ব্ৰহ্মপুত্ৰৰ ওপৰত দলংবিলাক কোন চৰকাৰে কৰিলে। এই কথাবিলাক যদি আমি চাওঁ যে কংগ্ৰেছ চৰকাৰৰ দিনতে এই সকলোবিলাক হ'ল। তেখেতসকলে কৈছে যে এইখন সৰ্বনাশী বাজেট। সৰ্বনাশ কাৰ দিনত হ'ল। তেখেতসকলৰ দিনতে বিভিন্ন কেলেংকাৰী হৈছিল। এল অ চি কেলেকাৰী তেওঁলোকৰ দিনতে হৈছিল। আজি মই পুনৰ নিৰপেক্ষভাৱে দৃষ্টিগোচৰ কৰিব বিচাৰিছো। কোন চৰকাৰৰ দিনত আন্তঃ গাথনি হৈছে আৰু কাৰ দিনত সৰ্ব উন্নয়ন হৈছে। গুৱাহাটীৰ আটাইতকৈ ব্যস্ত আৰু যানজট হোৱা অঞ্চল চান্দমাৰীত এখন হেলনীয়া দলং নিৰ্মান কৰাৰ প্ৰস্তাৱ এই বাজেটত ৰখা হৈছে। পৃথিৱীৰ ভিতৰত বৃহত নদী দ্বীপ মাজুলী সংযোগী আন এখন দলং ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মান কৰাৰ প্ৰস্তাৱ দিয়া হৈছে। এয়া মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ দুৰদৰ্শীতা বুলি কব বিচাৰিছো। সঁচাকৈয়ে ভাল কাম কৰাৰ মানসিকতা থকাৰ কাৰণে মই তেখেতক ধন্যবাদ জনাইছো। কেতিয়াবা পুঁজিৰ অভাৱত কিছুমান আন্তঃগাথনিৰ উন্নয়নৰ প্ৰকল্প বিলাক বন্ধ হৈ যায়। এই অৱস্থাৰ অৱসান ঘটাবলৈ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই পুঁজিৰ ব্যৱস্থা কৰাৰ কথা ইয়াত দাঙি ধৰিছে। কেন্দ্ৰীয় চৰকাৰৰ পৰা ঋণ ৰেহাইৰ বাবদ পোৱা ১০৫ কোটি টকাৰে এই পুঁজি আৰম্ভ কৰিব বুলি উল্লেখ কৰে। সেইটো এটা ভাল চিন্তাধাৰা। তেখেতে যিটো ব্যৱস্থা কৰিব বিচাৰিছে মই তাৰ কাৰণে ধন্যবাদ জনাব বিচাৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়, তেখেতৰ বাজেট ভাষণত অসম বিত্তীয় নিগমৰ অধীনত যিটো ধনৰ আবণ্টণ দিয়াৰ পৰিকল্পনা হাতত লৈছে সেইটো এটা বৰ ভাল কথা হৈছে। আমি সকলোৱে জানো যে নিবনুৱা সমস্যাটো আমাৰ সকলোৰে কাৰণে এটা জলন্ত সমস্যা। অসম চৰকাৰে এই ২০ লাখ নিৱনুৱাক চৰকাৰী চাকৰিত মকৰল দিব নোৱাৰে সেইটোও আমি সকলোৱে জানো। গতিকে এই নিৱনুৱা সকলৰ সমস্যা সমাধানৰ কাৰণে যিবিলাক আত্ম সহায়ক গোট গঠণ কৰি যিটো সুত্ৰ উৎভাৱন কৰা হৈছে সেইটো

এটা ভাল পদক্ষেপ হৈছে। আৰু ১০ কোটি টকাৰ যিটো সুদ মুক্ত পাইলট আচনি লোৱা হৈছে তাৰ জৰিয়তে আত্ম সহায়ক গোট বোৰ উপকৃত হব। এই ১০ কোটি টকা তাৰ জৰিয়তে আত্ম সহায়ক গোট বোৰ উপকৃত হব। এই ১০ কোটি টকা অসম বিত্তীয় নিগমৰ জৰিয়তে দিয়া হৈছে। আমাৰ ভৱিষ্যৎ প্রজন্মৰ যি শঙ্কা আছিল যে আমি ধাৰৰ বোজা লৈ থাকিব লাগিব নেকি, এই শঙ্কা এতিয়া বহুত পৰিমানে দূৰ হৈছে। চিকিং ফাণ্ড, বিত্তীয় ফাণ্ড আদিৰ দ্বাৰা ভৱিষ্যৎ প্রজন্মক সকাহ দিব বিচাৰিছে। এইটো এটা উপযুক্ত কথা। মই তেখেতক ধন্যবাদ জনাইছো যে ৰাজ্যখনৰ অর্থনৈতিক সংযোজন ঘটাইছে। এইবাৰৰ বাজেট খনত কৃষক সকলৰ কাৰণেও এটা ভাল পদক্ষেপ হৈছে। ৰাজ্যখনত এটা সময়ত কর্মচাৰী সকলৰ দুখজনক অৱস্থা আছিল। কর্মচাৰী সকলৰ প্রতি অন্যায় অবিচাৰ কৰা হৈছিল। কর্মচাৰী সকল জনসাধাৰণৰ মূল অঙ্গ তেওঁলোকৰ বাবে এইবাৰ বাজেটত ১০ শতাংশ ইণ্টাৰিয়াম দি সকাহ দিয়াৰ চেষ্টা চলোৱা হৈছে। মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াৰ কার্য্য হিচাবে মই ধন্যবাদ দিছো। চেণ্টেল পে কমিচন আহিব ৩১ মার্চত। আমাৰ মহিলা সকলৰ কাৰণেও মহিলা সবলীকৰণ বাজেট কৰিছে। এই সুকীয়া বাজেটৰ জৰিয়তে মহিলা সকলক ন্যায় বিচাৰ দিয়া হৈছে। এটা সময়ত ঘৰৰ ভিতৰত থকা, আখলত সোমাই থকা মহিলা সকলক বিশ্বৰ বিভিন্ন প্রান্তৰ মহিলাৰ লগত ফেৰ মাৰিব পৰাকৈ আগবঢ়াই নিব বিচৰা হৈছে। মূখ্য মন্ত্রী ডাঙৰীয়াই এই মহিলা সবলীকৰণ আঁচনিৰ জৰিয়তে শিক্ষা দীক্ষাৰ পৰা আৰম্ভ কৰি সকলোবোৰ সামৰি লৈছে। আজি সকলো ক্ষেত্রতে উন্নয়ণ হৈছে। আজি আমাৰ শিক্ষানুস্থান সমূহত সন্তোষজনক ফল লাভ কৰিছে। ২০০২ চনত পাৰচেণ্টজ আছিল ২৪.৩৯ শতাংশ আৰু ২০০৭ ৫৭.২৭ শতাংশ। শিক্ষা ব্যৱস্থাৰ এইটো এটা উল্লেখনীয় দিশ। কাৰিকৰী শিক্ষাৰ ক্ষেত্রত কওঁ ব্রহ্মপুত্রৰ উত্তৰ পাৰত বিশেষকৈ দৰং জিলাত এখন যদি কাৰীকৰি শিক্ষাৰ শিক্ষানুস্থান গঢ়ি তোলা হেতেন সোনত

সুৱগা চৰাৰ নিচিনা হলহেঁতেন। তেনেকুৱা এখন শিক্ষানুস্থান গঢ় লৈ উঠাহেঁতেন আমিও সন্তোষিত হলোহেঁতেন। সকলো দিশতে বিশেষকৈ ভেট প্রত্যাহাৰ কৰাত আমাৰ গৃহীনি সকলেও ভাল পাইছে। মদ আদি নিচাযুক্ত দ্রব্যত কৰ লগোৱাত সকলোৱে ভাল পাইছে। মাননীয় অধ্যক্ষ মহোদয়, এই খিনিকে কৈ লগতে পূণৰবাৰ মূখ্যমন্ত্রীক ধন্যবাদ জনাই মই মোৰ ভাষণ সামৰণি মাৰিলো।

ANNOUNCEMENT FROM THE CHAIR

মাননীয় অধ্যক্ষ মহোদয় ঃ ঘোষনা।

বিধান সভাৰ আজিৰ অধিবেশন যিহেতু দুয়োবেলা অনুষ্ঠিত হব গতিকে প্রথম বেলাৰ কার্য্যসূচী অন্ত পৰাৰ পিছত অর্থাৎ ১.৩০ বজাত অসম বিধান সভাৰ নতুন বিধায়ক আৱাসৰ কেণ্টিনত দুপৰীয়াৰ আহাৰৰ আয়োজন কৰা হৈছে।

এই সদনৰ নেতা তথা মাননীয় মুখ্যমন্ত্রী মহোদয়, মন্ত্রী সভাৰ মাননীয় মন্ত্রী সকল, বিধান সভাৰ বিৰোধী দলৰ মাননীয় দলপতি, বিধান সভাৰ মাননীয়া উপাধাক্ষ্য মহোদয়া, মাননীয় সংসদীয় সচিব সকল, মাননীয় সদস্য-সদস্যা সকলক সাদৰেৰে দুপৰীয়াৰ আহাৰ গ্রহণ কৰিবলৈ নিমন্ত্রণ জনালো।

সদনৰ গেলাৰীত উপস্থিত থকা অসম চৰকাৰৰ মুখ্য সচিব, অতিৰিক্ত মুখ্য সচিব সকল, আৰক্ষী সঞ্চালক প্রধান, সচিব, আয়ুক্ত সচিব সকল, সচিব সকল, সদনত উপস্থিত থকা জ্যেষ্ঠ চৰকাৰী বিষয়াসকল, চৰকাৰী প্রতিবেদক সকল, প্রেছ গেলাৰীত উপস্থিত সাংবাদিক সকলক বিধান সভাৰ সদস্যৰ নতুন আৱাসৰ কেণ্টিনত আয়োজন কৰা দুপৰীয়াৰ আহাৰ গ্রহণ কৰিবলৈ মই নিমন্ত্রণ জনালো।

The House stand adjourned till 3 PM today, the 13th March, 2008.

The House then stood adjourned at 1-31 PM till 3 PM today, the 13th March, 2008.

The House reassembled at 3PM with Hon'ble speaker in the chair.

INTRODUCTION, CONSIDERATION AND PASSING OF GOVERNMENT BILLS

মাননীয় অধ্যক্ষ ঃ এতিয়া আমাৰ কার্য্যসূচী নম্বৰ পাঁচ মতে মই যোৱা তিনি মার্চৰ ৰাজ্যপাল মহোদয়ৰ অনুমোদন ভাৰতীয় সংবিধান অনুসৰি পঢ়ি দিছো।

ৰাজ ভৱন,
গুৱাহাটী,
৩ মার্চ, ২০০৮

আদেশ

"ভাৰতৰ সংবিধানৰ ২০৭(৩) অনুচ্ছেদৰ চর্ত্ত অনুসৰি মই শ্রীঅজয় সিং অসমৰ ৰাজ্যপাল হিচাপে ডি আসাম এগ্রিকালচাৰেল ইনকম টেক্স (এমেণ্ডমেণ্ট) বিল, ২০০৮, অসম বিধান সভাৰ বিবেচনা কৰিবৰ বাবে অনুমোদন জনালো।

স্বাঃ
লেঃ জেঃ (অবসৰপ্রাপ্ত) অজয় সিং
পি, ভি, এচ, এম, এ, ভি, এচ, এম,
অসমৰ ৰাজ্যপাল"।

মাননীয় অধ্যক্ষ ঃ মই প্রস্তাৱটো সদনৰ মজিয়াত দাঙি ধৰিছো। প্রস্তাৱটো হ'ল "Agricultural Income Tax (Amendment) Bill, 2008" বিবেচনাৰ বাবে লোৱা হঁওক। যি সকল মাননীয় সদস্য সদস্যাই প্রস্তাৱটোৰ সপক্ষে আছে তেখেতসকলে কওক 'হয়' আৰু যিসকল

বিপক্ষে আছে তেখেতসকলে কওক 'নহয়'।

মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

প্রস্তাৱটো গৃহীত হ'ল।

এতিয়া কার্য্যসূচী নং ৫ (খ)। বিধেয়ক খনৰ ২নং দফাত কোনো ধৰণৰ সংশোধনী নাই। এতিয়া মই বিধেয়ক খনৰ ২ নং দফাটো সদনৰ মজিয়াত দাঙি ধৰিলো।

প্রশ্নটো হ'ল ঃ

২নং দফাটো বিধেয়কখনৰ অংশ হব। যি সকল মাননীয় সদস্য/সদস্যাই দফাটোৰ সপক্ষে আছে তেখেতসকলে কওক হয়, আৰু যিসকল বিপক্ষে আছে তেখেতসকলে কওক নহয়।

মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

২নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়ক খনৰ ১নং দফা, প্রস্তাৱনা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনী নাই। এতিয়া মই বিধেয়কখনৰ ১ নং দফা, প্রস্তাৱনা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণি সদনৰ মজিয়াত দাঙি ধৰিলো।

প্রশ্নটো হ'ল ঃ

১নং দফা, প্রস্তাৱনা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হব। যিসকল মাননীয় সদস্য-সদস্যাই সপক্ষে আছে তেখেতসকলে কওক 'হয়' আৰু যিসকল বিপক্ষে আছে তেখেতসকলে কওক 'নহয়'।

মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

১নং দফা প্রস্তাৱনা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া কার্য্যসূচী নং ৫(গ) মাননীয় মুখ্যমন্ত্রী।

ড° হিমন্ত বিশ্ব শর্মা (স্বাস্থ্যমন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ মাননীয় মুখ্যমন্ত্রীৰ হৈ "ডি আসাম এগ্রিকালচাৰেল ইনকম টেক্স (এমেণ্ডমেণ্ট) বিল ২০০৮" বিধেয়কখন পাৰিত কৰাৰ বাবে মই সদনত প্রস্তাৱ উৎথাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া মই প্রস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো।

প্রশ্নটো হ'ল ঃ "The Assam Agricultural Income tax (Amendment) Bill, 2008" পাৰিত কৰা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যাই প্রস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়'

যিসকল বিপক্ষে আছে তেসেতসকলে কওঁক 'নহয়',

মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

প্রস্তাৱটো পাৰিত কৰা হ'ল। বিধেয়কখনো পাৰিত কৰা হ'ল।

এতিয়া কার্য্যসূচী নং ৬(ক)।

মই এতিয়া ৰাজ্যপাল মহোদয়ৰ আদেশ পঢ়ি দিছো।

Raj Bhawan,
Guwahati
March 3-2008

ORDER

"Under the provision of Article 207(3) of the Constitution of India, I, Lt. Gen (Retd.) Ajai Singh, P.V.S.M., A.V.S.M. Governor of Assam, Recommend that the Rabha Hasong Autonomous Council (Amendment) Bill, 2008 be taken into

consideration by the Assam Legislative Assambly.

Sd/-
Lt. Gen. (Retd.) Ajai Singh,
P.V.S.M., A.V.S.M.
Governor of Assam."

Now, Hon'ble Minister, WPT & BC to move the motion for consideration.

শ্রীমতী প্রমিলা ৰানী ব্রহ্ম (ভেয়াম জনজাতি ও অন্যান্য পিছপৰা শ্রেণী সমূহৰ কল্যাণ বিভাগৰ মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, "The Rabha Hasong Autonomous Council (Amendment) Bill, 2008" বিধেয়কখন দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্রস্তাৱ উৎত্থাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া মই প্রস্তাৱটো সদনৰ মজিয়াত দাঙি ধৰিলো।

প্রস্তাৱটো হ'ল ঃ "ডি ৰাভা হাচং অট'নোমাচ কাউন্সিল (এমেণ্ডমেণ্ট) বিল, ২০০৮" বিবেচনাৰ বাবে লোৱা হঁওক।

যিসকল মাননীয় সদস্য সদস্যাই বিধেয়ক খনৰ সপক্ষে আছে তেখেতসকলে কওক 'হয়', আৰু যিসকল বিপক্ষে আছে তেখেতসকলে কওক 'নহয়'।

মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

প্রস্তাৱটো গৃহীত হ'ল।

এতিয়া কার্য্যসূচী নং ৬(খ)।

বিধেয়কখনৰ ২নং দফাত মাননীয় সদস্য হাফিজ বছিৰ আহমেদৰ নামত সংশোধনী আছে। এতিয়া মই মাননীয় সদস্য, শ্রীহাফিজ বছিৰ আহমেদক তেখেতৰ সংশোধনী প্রস্তাৱ উৎত্থাপন কৰিবলৈ আৰু ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনালো।

তেখেত অনুপস্থিত।

যিসকল মাননীয় সদস্য/সদস্যাই দফাটোৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকলে বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

২নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ৩,৪,৫ আৰু ৬ নং দফাত মাননীয় সদস্য, শ্রীজ্যোতি প্রসাদ দাসৰ তৰফত সংশোধনী আছে। এতিয়া মই মাননীয় সদস্য, শ্রীজ্যোতি প্রসাদ দাসক তেখেতৰ সংশোধনী প্রস্তাৱ উৎথাপন কৰিবলৈ আৰু ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনালো।

তেখেত অনুপস্থিত।

যি সকল মাননীয় সদস্য/সদস্যাই দফা কেইটাৰ পক্ষে আছে তেখেত সকলে কওঁক 'হয়'। যি সকলে বিপক্ষে আছে তেখেত সকলে কওক 'নহয়'

মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

৩,৪,৫ আৰু ৬ নং দফা কেইটা বিধেয়কখনৰ অংশ হ'ল।

এতিয়া বিধেয়ক খনৰ ১নং দফা, প্রস্তাৱনা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভনত সংশোধনী নাই।

যিসকল মাননীয় সদস্য/সদস্যাই 'হয়ৰ' সপক্ষে আছে, তেখেত সকলে কওঁক 'হয়', যিসকলে বিপক্ষে আছে 'নহয়' বুলি কওক।

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। বিধেয়কখনৰ ১ নং দফা প্রস্তাৱনা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভন বিধেয়ক খনৰ অংশ হ'ল।

এতিয়া কার্য্যসূচী নং ৬(গ)।

এতিয়া মাননীয় ভৈয়াম জনজাতি ও অন্যান্য পিছপৰা শ্রেণী সমূহৰ

কল্যান বিভাগৰ মন্ত্রীয়ে বিধেয়কখন পাৰিত কৰাৰ বাবে প্রস্তাৱ উৎথাপন কৰিব।

শ্রীমতী প্রমিলা ৰাণী ব্রহ্ম (ভৈয়াম জনজাতি মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই "The Rabha Hasong Autonomous Council (Amendment) Bill 2008". বিধেয়ক খন পাৰিত কৰাৰ বাবে সদনত প্রস্তাৱ উৎথাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া মই প্রস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো।

প্রশ্নটো হ'ল ঃ

"The Rabha Hasong Autonomous Council (Amendment) Bill, 2008. পাৰিত কৰা হওঁক। যি সকল মাননীয় সদস্য/সদস্যাই প্রস্তাৱটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে, তেখেত সকলে কওঁক 'নহয়'

মই ভাবো, 'হয়ৰ' সপক্ষে 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

প্রস্তাৱটো পাৰিত কৰা হ'ল। বিধেয়ককনো পাৰিত কৰা হ'ল।

এতিয়া কার্য্যসূচী নং ৭ (ক)।

ভৈয়াম জনজাতি ও অন্যান্য পিছপৰা শ্রেণী সমূহৰ কল্যাণ বিভাগৰ মাননীয়া মন্ত্রীয়ে বিধেয়কখন বিবেচনাৰ বাবে সদনত প্রস্তাৱ কৰিব।

শ্রীমতী প্রমিলা ৰাণী ব্রহ্ম (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, "The Missing Autonomous Council (Amendment) Bill, 2008." বিধেয়কখন দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্রস্তাৱ উৎথাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া মই প্রস্তাৱটো সদনৰ মজিয়াত দাঙি ধৰিলো। প্রস্তাৱটো হ'ল ঃ "The Missing Autonomous Council (Amendment) Bill, 2008." বিবেচনাৰ বাবে লোৱা হওঁক।

যি সকল মাননীয় সদস্যই/সদস্যাই প্রস্তাৱটোৰ সপক্ষে আছে, তেখেত সকলে কওঁক 'হয়', যি সকলে বিপক্ষে আছে, তেখেত সকলে

কওঁক 'নহয়'। (সদনত 'হয়' বুলি কয়)

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

প্রস্তাৱটো গৃহীত কৰা হ'ল।

এতিয়া কাৰ্য্যসূচী নং ৭ (খ)

বিধেয়কখনৰ ২,৩,৪,৫ আৰু ৬ নং দফাকেইটাত কোনো ধৰণৰ সংশোধনী নাই। এতিয়া মই বিধেয়কখনৰ ২,৩,৪,৫ আৰু ৬ নং দফা কেইটা সদনৰ মজিয়াত ডাঙি ধৰিলো।

প্রশ্নটো হ'ল ঃ

বিধেয়কখনৰ ২,৩,৪,৫ আৰু ৬ নং দফা কেইটা বিধেয়কখনৰ অংশ হব। যি সকল মাননীয় সদস্য/সদস্যাই দফাকেইটাৰ সপক্ষে আছে, তেখেত সকলে কওঁক 'হয়'।

যি সকলে বিপক্ষে আছে, তেখেত সকলে কওঁক 'নহয়'। (সদনত 'হয়' বুলি কয়)

মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

বিধেয়কখনৰ ২,৩,৪,৫ আৰু ৬ নং দফা কেইটা বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ১ নং দফা, প্রস্তাৱনা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰাম্ভনত কোনো ধৰণৰ সংশোধনী নাই। এতিয়া মই বিধেয়কখনৰ ১ নং দফা, প্রস্তাৱনা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনৰ মজিয়াত দাঙি ধৰিলো।

প্রশ্নটো হ'ল ঃ

বিধেয়কখনৰ ১ নং দফা, প্রস্তাৱনা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হব। যি সকল মাননীয় সদস্য/সদস্যাই সপক্ষে আছে তেখেত সকলে কওক 'হয়' আৰু যি সকল বিপক্ষে আছে তেখেত

সকলে কওঁক 'নহয়' (সদনত 'হয়' বুলি কয়)

মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

বিধেয়কখনৰ ১ নং দফা, প্রস্তাৱনা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল।

মাননীয় অধ্যক্ষ ঃ এতিয়া কার্য্যসূচী নং ৭ (গ)।

এতিয়া ভৈয়াম জনজাতি ও অন্যান্য পিছপৰা শ্রেণীৰ সমূহৰ কল্যাণ বিভাগৰ মাননীয় মন্ত্রীয়ে বিধেয়কখন পাৰিত কৰাৰ বাবে প্রস্তাৱ উৎত্থাপন কৰিব।

শ্রীমতী প্রমিলা ৰাণী ব্রহ্ম (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয় "The Missing Autonomous Council (Amendment) Bill, 2008". বিধেয়কখন পাৰিত কৰাৰ বাবে মই সদনত প্রস্তাৱ উৎত্থাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া মই প্রস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্রশ্নটো হ'ল ঃ

"The Missing Autonomous Council (Amendment) Bill, 2008." পাৰিত কৰা হওঁক।

যি সকল মাননীয় সদস্য/সদস্যাই প্রস্তাৱটোৰ সপক্ষে আছে, তেখেত সকলে কওঁক 'হয়', যিসকল বিপক্ষে আছে, তেখেত সকলে কওঁক 'নহয়'। (সদনত 'হয়' বুলি কয়)।

মই ভাবো 'হয়' সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

প্রস্তাৱটো পাৰিত কৰা হ'ল। বিধেয়কখনো পাৰিত কৰা হ'ল।

মাননীয় অধ্যক্ষ ঃ এতিয়া কার্য্যসূচী নং ৮ (ক),

"The Tiwa Autonomous Council (Amendment) Bill, 2008." ভৈয়াম জনজাতি ও অন্যান্য পিছপৰা শ্রেণীসমূহৰ কল্যাণ বিভাগৰ মাননীয়া মন্ত্রীয়ে বিবেচনাৰ বাবে সদনত প্রস্তাৱ উৎত্থাপন কৰিব।

শ্রীমতী প্রমিলা ৰাণী ব্রহ্ম (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, "The Tiwa Autonomous Council Bill, 2008". বিধেয়কখন দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্রস্তাৱ উৎত্থাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া মই প্রস্তাৱটো সদনৰ মজিয়াত দাঙি ধৰিলো।

প্রস্তাৱটো হ'ল ঃ

"The Tiwa Autonomous Council (Amendment) Bill, 2008." বিবেচনাৰ বাবে লোৱা হওঁক। যি সকল মাননীয় সদস্য/সদস্যাই প্রস্তাৱটোৰ সপক্ষে আছে, তেখেত সকলে কওঁক 'হয়', যিসকলে বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'। (সদনত 'হয় বুলি কয়)

মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

প্রস্তাৱটো গৃহীত কৰা হ'ল।

এতিয়া কার্য্যসূচী নং ৮ (খ)।

বিধেয়কখনৰ ২,৩,৪,৫ আৰু ৬ নং দফাটো কেইটাত কোনো ধৰণৰ সংশোধনী নাই। এতিয়া মই বিধেয়কখনৰ ২,৩,৪,৫ আৰু ৬ নং দফাটো সদনৰ মজিয়াত দাঙি ধৰিলো।

প্রশ্নটো হ'ল ঃ

ৱিধেয়কখনৰ ২,৩,৪,৫ আৰু ৬ নং দফা কেইটা বিধেয়কখনৰ অংশ হব।

যি সকল মাননীয় সদস্য - সদস্যাই সপক্ষে আছে, তেখেত সকলে 'হয়' বুলি কওঁক। যি সকল মাননীয় সদস্য/সদস্যাই বিপক্ষে আছে, তেখেত সকলে 'নহয়' বুলি কওঁক। (সদনত 'হয়' বুলি কয়)।

মই ভাবো 'হয়' ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

বিধেয়কখনৰ ২,৩,৪,৫ আৰু ৬ দফাকেইটা বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ১ নং দফা, প্রস্তাৱনা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো ধৰণৰ সংশোধনী নাই। এতিয়া মই বিধেয়কখনৰ ১ নং দফা,

প্রস্তাৱনা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনৰ মজিয়াত ডাঙি ধৰিলো।

প্ৰশ্নটো হ'ল -

বিধেয়কখনৰ ১ নং দফা, প্রস্তাৱনা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হব। যি সকল মাননীয় সদস্য/সদস্যাই সপক্ষে আছে, তেখেত সকলে কওঁক 'হয়, যিসকলে বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়। (সদনত 'হয়' বুলি কয়)

মই ভাবো 'হয়'ৰ সপক্ষে, হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

বিধেয়কখনৰ ১ নং দফা, প্রস্তাৱনা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল।

মাননীয় অধ্যক্ষ ঃ এতিয়া কার্য্যসূচী নং ৮ (গ)।

এতিয়া ভৈয়াম জনজাতি ও অন্যান্য পিছপৰা শ্রেণী সমূহৰ কল্যাণ বিভাগৰ মাননীয়া মন্ত্রীয়ে বিধেয়কখন পাৰিত কৰাৰ বাবে প্রস্তাৱ উৎত্থাপন কৰিব।

শ্রীমতী প্রমিলা ৰাণী ব্রহ্ম (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, "The Tiwa Autonomous Council (Amendment) Bill, 2008." বিধেয়কখন মই সদনত পাৰিত কৰাৰ বাবে উৎত্থাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া মই প্রস্তাৱ অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল ঃ

"The Tiwa Autonomous Council (Amendment) Bill, 2008". পাৰিত কৰা হওঁক। যি সকল মাননীয় সদস্য/সদস্যাই সপক্ষে আছে, তেখেত সকলে 'হয়, বুলি কওঁক, যিসকলে বিপক্ষে আছে, তেখেত সকলে নহয়, বুলি কওঁক। (সদনত হয় বুলি কয়) ।

মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

প্রস্তাৱটো পাৰিত কৰা হ'ল। বিধেয়কখনো পাৰিত কৰা হ'ল।

মাননীয় অধ্যক্ষ ঃ এতিয়া কার্য্যসূচী নং ৯ (ক)

ভৈয়াম জনজাতি ও অন্যান্য পিচপৰা শ্রেণী সমূহৰ কল্যাণ বিভাগৰ মাননীয় মন্ত্রীয়ে বিধেয়কখন বিবেচনাৰ বাবে সদনত প্রস্তাৱ উৎত্থাপন কৰিব।

শ্রীমতী প্রমিলা ৰাণী ব্রহ্ম (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয় "The Deori Autonomous Council (Amendment) Bill, 2008". বিধেয়কখন দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্রস্তাৱ উৎত্থাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া মই প্রস্তাৱটো সদনৰ মজিয়াত দাঙি ধৰিলো।

প্রস্তাৱটো হ'ল ঃ

"The Deori Autonomous Council (Amendment) Bill, 2008." বিবেচনাৰ বাবে লোৱা হওঁক। যি সকল মাননীয় সদস্য/সদস্যাই প্রস্তাৱটো সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়', যিসকলে বিপক্ষে আছে, তেখেত সকলে কওঁক 'নহয়'। (সদনত হয় বুলি কয়)।

মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

প্রস্তাৱটো গৃহীত কৰা হ'ল।

মাননীয় অধ্যক্ষ ঃ এতিয়া কার্য্যসূচী নং ৯ (খ)-

বিধেয়কখনৰ ২,৩,৪ আৰু ৫ নং দফাকেইটাত কোনো ধৰণৰ সংশোধনী নাই। এতিয়া মই বিধেয়কখনৰ ২,৩,৪ আৰু ৫ নং দফাকেইটা সদনৰ মজিয়াত দাঙি ধৰিলো।

প্রশ্নটো হ'ল-

বিধেয়কখনৰ ২,৩,৪ আৰু ৫ নং দফাকেইটা বিধেয়কখনৰ অংশ হব। যি সকল মাননীয় সদস্য/সদস্যাই দফাকেইটাৰ সপক্ষে আছে, তেখেত সকলে কওঁক 'হয', আৰু যি সকলে বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'। (সদনত হয় বুলি কয়)।

মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।

বিধেয়কখনৰ ২,৩,৪ আৰু ৫ নং দফাকেইটা বিধেয়ক খনৰ অংশ হ'ল।

